# এজাক জোনাকীৰ জিলমিল

ড° ভবেন্দ্ৰ নাথ শইকীয়া

এজাক জোনাকীৰ জিলমিল

PASCHIM GUWAHATI
MAHAVIDYALAYA
Dharapur, Guwahati - 781133
LIBRARY
Class No. 891.4512
Book No. SAI
Acc No. 21698

PASCHIM GUWAHATI
MAHAVIDYALAYA
Dharapur, P.O.: Azara : Guwahati - 781017
LIBRARY
Acc. No. 21618
Book No. SAI
Class No. 891.4512

Accession No. 21618
PASCHIM GUWAHATI
MAHAVIDYALAYA
DHARAPUR, GUWAHATI-781017
LIBRARY

1. Books may be retained for a period not exceeding 15 days by the Members.
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he/ she shall be required to replace the book or pay its price.

Help to keep the Book fresh & clean.

# এজাক জোনাকীৰ জিলমিল

ড° ভবেন্দ্ৰ নাথ শইকীয়া

B.C.B.L
21618

21698

আমাৰ জ্ঞান মন্দিৰ....
ব্ৰহ্মপুত্ৰ প্ৰকাশন
হৰগোবিন্দ শৰ্মা উপপথ
কামাখ্যা মন্দিৰ পকীপথ
গুৱাহাটী-৯

*EJAK JONAKIR JILMIL* : A play, written by Dr. Bhabendra Nath Saikia, and published by S. Borgohain, Brahmaputra Prakashan, H. G. Sarma Byelane, Kamakhya Temple Road, Guwahati-9.

প্ৰকাশক ঃ
আমাৰ জ্ঞানমন্দিৰ....
ব্ৰহ্মপুত্ৰ প্ৰকাশন
হৰগোৱিন্দ শৰ্মা উপপথ
কামাখ্যা মন্দিৰ পকীপথ, গুৱাহাটী -৯

প্ৰথম প্ৰকাশ ঃ
মে', ২০১২ খ্ৰীষ্টাব্দ

অক্ষৰবিন্যাস আৰু অংগসজ্জা ঃ
মনিমা চুলতানা

আৰ্হি অপনয়ন ঃ
স্নিগ্ধা কটকী

প্ৰচ্ছদ ঃ
মনজিৎ ৰাজখোৱা

মূল্য ঃ
৭০.০০ (সত্তৰ) টকা

মুখ্য বিতৰক ঃ
জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী -১

মুদ্ৰক ঃ
ৰুমী-জুমী এণ্টাৰপ্ৰাইজ, ছয়মাইল
গুৱাহাটী-৭৮১০২২

## পৰিয়ালৰ একাষাৰ

'এজাক জোনাকীৰ জিলমিল' নামৰ নাটিকাখন মোৰ স্বামী প্ৰয়াত ড° ভবেন্দ্ৰ নাথ শইকীয়াই ১৯৬১ চনত অনাতাঁৰ নাটিকা হিচাপে ৰচনা কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ পাছৰ এছোৱা সময়ৰ (১৯৪৬-১৯৪৯ চনৰ মাজৰ) পটভূমিত নাটিকাখন ৰচনা কৰা হৈছিল যদিও তাৰ যি বিষয়বস্তু, সেয়া আজিৰ সমাজৰ পটভূমিতো বিৰাজিত হৈ আছে। ষাঠি বছৰৰ আগতে লিখা এই নাটিকাৰ চৰিত্ৰসমূহ ষাঠি বছৰৰ পাছতো সন্ত্ৰাসবাদীসকলৰ মাজত আজিও বিদ্যমান। সন্ত্ৰাসবাদীসকলে নিজৰ পৰিয়াল, বন্ধু-বান্ধৱৰ পৰা বিচ্ছিন্ন হৈ যিমানেই সন্ত্ৰাসৰ মাজলৈ সোমাই নাযাওক লাগে- এদিন নহয় এদিন তেওঁলোকে নিজৰ জন্মভূমি, পৰিয়াল, আত্মীয়স্বজন, বন্ধু-বান্ধৱ আদিৰ অভাৱ অনুভৱ কৰিবই লাগিব; আৰু লাহে-লাহে তেওঁলোকক এক শূন্যতাৰ অৱসাদে আগুৰি ধৰিবই। সন্ত্ৰাসবাদে তেওঁলোকক কি দিব পাৰিছে— আৰু কি হেৰুৱাইছে— সেয়া উপলব্ধি কৰিব পাৰিলেই তেওঁলোকে মূল সুঁতিলৈ উভতি আহিবলৈ হাঁহাকাৰ কৰিব। এয়াই নাটকখনৰ বিষয়বস্তু।

মই আশাকৰোঁ 'এজাক জোনাকীৰ জিলমিলে' সামান্য হ'লেও সন্ত্ৰাসবাদীসকলক ভবাই তোলক— তেওঁলোকে কি কৰি আছে আৰু তাৰ কাৰণে কাৰ কিমান লাভ হৈছে, নে দেশখনৰ এক অভাৱনীয় ক্ষতি হৈছে!

১০।৫।১২

প্ৰীতি শইকীয়া
আৰোহণ

# এজাক জোনাকীৰ জিলমিল ঃ এটি বিশ্লেষণ

## (ক) অসমীয়া নাট্য সাহিত্য

০.১ ঐশ্বৰ্যমণ্ডিত অৰ্ধ নাটকীয় আৰু লোকনাট্যৰ বৰভেটিত শ্ৰীমন্ত শংকৰদেৱে সংস্কৃত নাটকত হেঙুল-হাইতাল ৰহণ চৰাই অংকীয়া নাট ভাওনাৰ সৃষ্টি কৰিলে। এই অংকীয়া নাট ভাওনাই ৰজাঘৰ প্ৰজাঘৰ সকলোৰে দ্বাৰা সমাদৃত হৈ উখল-মাখল লগোৱাৰ সময়তে আহি পৰিল মানৰ উপৰ্যুপৰি আক্ৰমণ। ইয়ে অসমৰ আৰ্থ-সামাজিক সকলো দিশতে কঁকাল ভাঙি পেলালে। এনে অচলাৱস্থাৰ গইনা লৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে যেতিয়া অসমৰ শাসন ভাৰ হাতত ল'লে তেতিয়াও টিমিক-টামাককৈ সত্ৰই-নামঘৰে অংকীয়া নাট ভাওনাৰ চৰ্চা অব্যাহত থাকিল। অব্যাহত থাকিল ধৰ্মীয় পূজা-পাৰ্বণ, ধৰ্মনিৰপেক্ষ উছব-সবাহত অৰ্ধ নাটকীয় লোকনাট্যৰ চৰ্চা। গুৰু দুজনাৰ নাট-ভাওনাৰ আৰ্হিত তেৰাৰ শিষ্য-প্ৰশিষ্যসকলে নিজাববীয়াকৈ নাট লিখি ভাওনা পাতিলে। সমকালীন জীৱনৰ চিন্তা-চৰ্চাৰে সমৃদ্ধ হৈ লোকনাট্যসমূহেও অসমীয়া জনজীৱনৰ মনোৰঞ্জন যোগাই থাকিল।

খ্ৰীষ্টান মিছনেৰীসকলে 'অৰুণোদই' প্ৰকাশ কৰি অসমীয়া ভাষাত সাহিত্যৰ চিন্তা-চৰ্চাৰ পৰিবেশ সৃষ্টি কৰাৰ ফলত পুনৰ নাটক সৃষ্টিৰ প্ৰেৰণাত উদ্বুদ্ধ হ'ল ঘাইকৈ দুগৰাকী অখ্ৰীষ্টীয়ান লেখক গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা।

নাট্যসৃষ্টিত মূলতঃ ধৰ্মীয় দিশটো জড়িত। পিছে আধুনিক নাট্যসাহিত্যৰ গতিধাৰাত এই দিশটো অস্পষ্ট। সেই গ্ৰীক ট্ৰেজেদি তথা ভাৰতীয় নাট্য আন্দোলনৰ সৈতে ধৰ্মীয় দিশ ওতঃপ্ৰোতভাৱে জড়িত আছিল। অসমৰ অংকীয়া নাটৰ সৈতেও শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি ধৰ্ম প্ৰচাৰৰ দিশ জড়িত। স্বাধীনতা-পূৰ্ব তথা উত্তৰ কালত পৌৰাণিক অসমীয়া নাটৰ প্ৰাচুৰ্য মনকৰিবলগীয়া। ইংৰাজ প্ৰশাসকক সহায় কৰিবলৈ ইংৰাজী জনা বঙালী কৰ্মচাৰীসকলে অসমৰ দুৰ্গা পূজাত কলিকতাৰ পৰা আমদানি কৰিছিল বঙালী যাত্ৰা পাৰ্টি। বঙালী যাত্ৰাৰ

খদমদমত এচাম জাতীয়প্ৰেমী মধ্যবিত্ত অসমীয়াই দুৰ্গা পূজাত অসমীয়া নাটক মঞ্চস্থ কৰাৰ বাবে উদ্যোগ লৈছিল। যিহেতু অসমত স্থায়ী ৰঙ্গমঞ্চৰ অভাৱ, সেয়ে দুৰ্গাপূজা থলিতেই অস্থায়ী ৰঙ্গমঞ্চ তৈয়াৰ কৰি পৌৰাণিক, বুৰঞ্জীমূলক অথবা সামাজিক নাটক মঞ্চস্থ কৰিছিল।

০.২ সুকুমাৰ কলা হিচাপে নাট সৃষ্টিতকৈ মঞ্চস্থৰ তাগিদাতহে নাট সৃষ্টিৰ গুৰুত্ব অধিক। ইয়াৰ ফলত এখন নাটক মঞ্চোপযোগী হয়। নাট্যকাৰজনাই সততে মঞ্চৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি নাট সৃষ্টি কৰিলেহে এনে নাটকে পৰিপূৰ্ণতা পায়। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদৰ নাটসমূহ। অথচ অসমীয়া সাহিত্যৰ সকলো দিশ সমৃদ্ধিশালীকৰণৰ বাবে হাতত কলম তুলি লোৱা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী' মঞ্চ নাট হিচাপে ত্ৰুটিযুক্ত। পিছে সাহিত্যগুণ সমৃদ্ধ। পোনপ্ৰথম জ্যোতিপ্ৰসাদেহে এই নাটকখনি কিছু যোগ-বিয়োগ কৰি মঞ্চস্থ কৰিছিল। আনহাতে গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আৰু ৰুদ্ৰৰাম বৰদলৈয়ে নাটক লিখিছিল সমাজ সংস্কাৰৰ মন লৈ।

০.৩ অসমৰ নাট্য পৰম্পৰা লোকনাট্য আৰু অংকীয়া নাট ভাওনাৰ দ্বাৰাহে সু-সমৃদ্ধ হ'ব লাগিছিল, পিছে নহ'ল। ঊনবিংশ শতিকাত ইংৰাজী শিক্ষাৰে শিক্ষিত এচাম মধ্যবিত্ত আৰু বঙালী আমোলাৰ প্ৰচেষ্টাত অসমীয়া নাট্য পৰম্পৰা বিঘ্নিত হ'ল। গুণাভিৰাম বৰুৱাই ইং ১৮৫৭ চনত 'ৰাম-নৱমী' নাটকৰ জৰিয়তে পৰম্পৰা আৰু পৰিবৰ্তনৰ যি এক সু-সমন্বয়ৰ সৃষ্টি কৰিছিল সেয়া উত্তৰসূৰীসকলে অব্যাহত ৰখাত ব্যৰ্থ হ'ল। অংকীয়া নাট-ভাওনা, সংস্কৃত নাটক আৰু শ্বেক্সপীয়েৰৰ নাটকৰ সু-সমন্বয় হৈছে 'ৰাম-নৱমী'। এক কথাত 'ৰাম-নৱমী'ক আমি পাশ্চাত্য বতাহ সুমুওৱা প্ৰথমখন খিৰিকি বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। প্ৰায় সমসাময়িক অন্য এখন নাটক হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' (১৮৬৫) আৰু ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল-বঙালনী'ত এনে সমন্বয় অথবা পৰীক্ষা-নিৰীক্ষা অনুপস্থিত। ইং ১৮৯২ চনত ৰচিত 'মহৰী' নাটকখনেও বিশেষ নতুনত্বৰ সৃষ্টি কৰিব নোৱাৰিলে। ১৮৯৯ চনত ৰচিত পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া'খনে অৱশ্যে লঘু সামাজিক নাটক হিচাপে বিশেষ যোগ্যতা অৰ্জন কৰিছিল। অৱশ্যে ১৮৯০ চনত বেজবৰুৱাই লিখা 'লিতিকাই' ধেমেলীয়া নাটকখন 'জোনাকী' আলোচনীত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। ১৮৯৪ চনত প্ৰকাশিত বেনুধৰ ৰাজখোৱাৰ 'সেউতী কিৰণ'



নাটখন গহীন সামাজিক নাট হিচাপে প্ৰখ্যাত। অসমীয়া পৌৰাণিক নাটকসমূহ বঙালী নাট্যকাৰ আৰু ৰঙ্গমঞ্চৰ প্ৰভাৱৰ ফল। অসমৰ ঠাই বিশেষে অসংখ্য বঙালী নাটক হুবহু অথবা অসমীয়া ভাষান্তৰত মঞ্চস্থ হৈছিল। শেষত যেনিবা এচাম জাতীয়প্ৰেমী ব্যক্তিয়ে এনে কলিকতীয়া নাটকৰ আৰ্হিত অসমীয়া ভাষাতো নাটক লিখিবলৈ আৰম্ভ কৰিলে। পোনপ্ৰথমে এনে প্ৰচেষ্টা চলালে ইংৰাজী ১৮৭৫ চনত ৰমাকান্ত চৌধুৰীয়ে 'সীতাহৰণ নাট'ৰ জৰিয়তে। বঙ্গীয় প্ৰখ্যাত কবি মাইকেল মধুসূদন দত্তৰ প্ৰভাৱ চৌধুৰীৰ কাব্য আৰু নাটত সুস্পষ্ট।

০.৪ ইং ১৮৮৮ চনত কলিকতাত প্ৰবাসী অসমীয়া ছাত্ৰসকলে শ্বেক্সপীয়েৰৰ "Commedy of Errors" নাটকৰ 'ভ্ৰমৰঙ্গ' নামেৰে ভাষান্তৰ কৰি কলিকতীয়া আৰ্হিতেই কলিকতাত মঞ্চস্থ কৰাৰ লগে লগে, অসমীয়া নাট্যজগতত এক যুগান্তৰৰ সৃষ্টি হ'ল। ভাষান্তৰ কৰা অসমীয়া ছাত্ৰসকল আছিল ৰত্নধৰ বৰুৱা, ৰমাকান্ত বৰকাকতি, গুঞ্জানন বৰুৱা আৰু ঘনশ্যাম বৰুৱা। 'ভ্ৰমৰঙ্গ'ৰ জনপ্ৰিয়তা কলিকতাৰ পৰা অসমৰ প্ৰধান চহৰকেইখনতো পৰিলক্ষিত হ'ল। ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল-বঙালনী', দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী' আদিয়েও ঠাই বিশেষে গুৰুত্ব লাভ কৰিলে। প্ৰসংগতঃ উল্লেখযোগ্য তেতিয়াও অসমত মঞ্চ আন্দোলনে গা কৰি উঠা নাছিল। প্ৰছেনিয়াম থিয়েটাৰৰ আৰ্হিত শিৱসাগৰ, গোলাঘাট, তেজপুৰ, গুৱাহাটী, ডিব্ৰুগড়, বৰপেটা আদিত ইংৰাজী প্ৰশাসনৰ পৰোক্ষ সমৰ্থনত স্থায়ী, অস্থায়ী মঞ্চ গঢ় লৈ উঠিছিল। তাকো ভ্ৰাম্যমাণ কেইগৰাকীমান নাট অনুৰাগী চৰকাৰী কৰ্মচাৰীৰ উদ্যোগত ঠাই বিশেষে এই মঞ্চ আন্দোলনৰ সৈতে জড়িত হৈ পৰিছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অধিকাংশ মুক্তিযোদ্ধা। সেই সময়তেই বঙালী যাত্ৰা-গানে সমগ্ৰ অসম ছানি ধৰিছিল। বঙালী নাটকৰ তৰ্জমাৰে অসমৰ প্ৰায়বোৰ মঞ্চত অসমীয়া নাটক অভিনয় প্ৰক্ৰিয়াও অব্যাহত আছিল। এচাম জাতীয়তাবাদী ব্যক্তিৰ অন্তৰত এনেবোৰ দিশে সঘনাই আঘাত হানিছিল। এনে জাতীয়তাবাদী চৰিত্ৰ প্ৰকাশ্যে উদঙাই দেখুৱাইছিল অম্বিকাগিৰী ৰায়চৌধুৰীয়ে। নিজে অসমীয়া নাটক লিখি অহোপুৰুষাৰ্থ কৰা সিংহপুৰুষগৰাকীয়ে 'ভাৰত বন্দিনী' নামৰ নাটক লিখি ইংৰাজৰ কোপদৃষ্টিত পৰিছিল। সৰহসংখ্যক অসমীয়া অভিনেতাই নিজে অসমীয়াত নাটক লিখি মঞ্চস্থ কৰাৰ এক প্ৰৱণতা পৰিলক্ষিত হ'ল বিশেষকৈ স্বাধীনতা পূৰ্বৰ সময়চোৱাত। বিংশ শতিকাৰ বিছ আৰু ত্ৰিছৰ দশকত।

পৌৰাণিক নাটকৰ জয়জয়কাৰ। প্ৰকাশ্যে

০.৫ এই সময়ছোৱাত
বৃটিছৰাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিব নোৱাৰা অভিনেতাসকলে পৌৰাণিক নাট্যসমূহৰ মাজেৰে জনগণক নৈতিক বলত বলীয়ান কৰিবৰ বাবে যেন এই নাট্যান্দোলনৰ সূচনা কৰিছিল।

০.৬ তাৎপৰ্য্যপূৰ্ণভাৱে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ লগে লগেই স্বাধীনতা ৰণৰ বীৰ-বীৰাঙ্গনাসকলৰ বীৰত্ব, আত্মত্যাগ আৰু ইংৰাজৰ প্ৰতি বিষোদগাৰধৰ্মী অসংখ্য নাটৰ সৃষ্টি হ'ল। তথাপি ইয়াৰ মাজে মাজে জ্যোতিপ্ৰসাদৰ অক্ষয় সৃষ্টিত নতুন নাটকৰ সম্পৰীক্ষাই এচাম নাট্যপ্ৰেমীক আকৃষ্ট কৰিছিল। পাশ্চাত্যৰ কলা-কৌশল; ঐতিহ্যচেতনা অথবা লোকসংস্কৃতিৰ প্ৰতি থকা প্ৰগাঢ় মোহে জ্যোতি নাট্য মানসক চিৰ সমৃদ্ধ কৰিছিল। দুখজনকভাৱে অসমৰ নতুন নাট্যশিল্পীসকলে ৰূপকোঁৱৰৰ এই নাট্য-বৈশিষ্ট্য প্ৰাণৱন্ত ৰূপত উদ্ভাসি তোলাত অকৃতকাৰ্য হ'ল।

অসমৰ ঐতিহ্যমণ্ডিত

০.৭ ওপৰৰ থূলমূল আলোচনাই আমাক অসমৰ ঐতিহ্যমণ্ডিত নাট্যপৰম্পৰাৰ প্ৰতি সম্পূৰ্ণ পিঠি দিয়াৰ দৃষ্টিভংগীহে প্ৰতিপন্ন কৰিলে। অথচ 'ভ্ৰমৰঙ্গ'ৰ আগতে গুণাভিৰামে যেতিয়া পোনপ্ৰথম 'ৰাম-নৱমী' নাটক সৃষ্টি কৰিছিল; তেতিয়া তেওঁ অসমৰ ঐতিহ্যমণ্ডিত পৰম্পৰাক পিঠি দিবলৈ সাহস কৰা নাছিল। 'ৰাম-নৱমী'ত সেয়ে প্ৰাচ্য-পাশ্চাত্যৰ সংমিশ্ৰণ ঘটিছিল। অসমীয়া শক্তিশালী অংকীয়া নাটকৰ সূত্ৰধাৰ গৰাকীক 'ৰাম-নৱমী'ৰ শেষত পূজাৰীৰ ৰূপত থিয় কৰাইহে যেন গুণাভিৰামে সন্তুষ্টি লভিছিল। অংকীয়া নাটকৰ পৰম্পৰা পাশ্চাত্য নাটকৰ খদমদমনিয়েও নিঃশেষ কৰিব পৰা নাছিল। ইয়াৰ আগতে উপৰ্যুপৰি মানৰ আক্ৰমণ, ইংৰাজৰ প্ৰবল ধৰ্ম বিদ্বেষী কাৰ্যকলাপতো সত্ৰ-নামঘৰত অংকীয়া নাট জীয়াই আছিল। কাৰণ অংকীয়া নাট-ভাওনা আছিল মহাপুৰুষ দুজনাৰ সৃজনী প্ৰতিভাৰ মহৎ কীৰ্ত্তি। অসমৰ শক্তিশালী লোকনাট্যৰ উপাদান আৰু শক্তিশালী সংস্কৃত নাটকৰ সংমিশ্ৰণেৰে মহাপুৰুষ দুজনাই সৃষ্টি কৰা অংকীয়া নাটক বিজতৰীয়া সৃষ্টি নহয়। এয়া অসমৰ মাটিৰ গোন্ধ নিঃসৃত হৈ থকা খাচ অসমীয়া ঐতিহ্য।

বিষয় নহ'লেও গুণাভিৰাম

০.৮ বিধবা বিবাহ সমস্যা অসমৰ স্পৰ্শকাতৰ বিষয় নহ'লেও গুণাভিৰাম বৰুৱাই 'ৰাম-নৱমী' নাটক লিখি আৰু কানি সেৱনৰ দৰে গুৰুত্বপূৰ্ণ সমস্যাক লৈ



হেমচন্দ্ৰ বৰুৱাই 'কানীয়াৰ কীৰ্ত্তন' ৰচনা কৰাৰ পাছত অসমীয়া নাটকে শংকৰ-মাধৱৰ ধ্ৰুপদী চৰিত্ৰ প্ৰায় হেৰুৱালে। এগৰাকী বিশিষ্ট নাট্যকৰ্মী বেনুধৰ ৰাজখোৱাই 'সেউতী কিৰণ' (১৮৯৮) নাটকখন লিখি অসমীয়া নাটকত ৰমন্যাসিক প্ৰবাহক স্থায়ী ৰূপ দিয়াৰ ইন্ধন যোগালে। তাৎপৰ্যপূৰ্ণভাৱে সেইখিনি সময়ত সমগ্ৰ নামনি অসমতে মাটিৰ খাজানা বিদেশী ইংৰাজে বঢ়োৱাৰ বাবে যে অভূতপূৰ্ব জনজাগৰণৰ সৃষ্টি হৈছিল, এনে জনজাগৰণক লৈ কোনোৱেও নাটক লিখিবলৈ আগবাঢ়ি নাহিল। বিংশ শতিকাৰ প্ৰায় সপ্তম দশকত লক্ষ্মীনাৰায়ণ কোঁৱৰ আৰু দেৱেশ শৰ্মাই, আশী দশকত পৰমানন্দ ৰাজবংশীয়ে উল্লিখিত বিষয়ক লৈ ক্ৰমে 'পথৰুঘাটৰ ৰণ' (১৮৯৪), 'নাঙল মাটি আৰু মানুহ' নাট ৰচনা কৰে।

০.৯ অসমৰ জাতীয় জীৱন তথা ভাষা-সাহিত্য-সংস্কৃতিত দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱ, ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ। ইয়ে অসমৰ মানুহক ৰাজনৈতিকভাৱে সচেতন কৰি তোলাই নহয় বৌদ্ধিক দিশতো শক্তিশালী কৰাত ইন্ধন যোগাইছিল। দেশ-বিদেশৰ বিভিন্ন চিন্তা-দৰ্শনৰ প্ৰভাৱ, আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৈতে চিনাকি আদি অভিধাসমূহে অসমৰ সামাজিক আৰু সাহিত্য-সংস্কৃতিৰ দিশত পৰিৱৰ্তনৰ সূচনা কৰিছিল। ইতিমধ্যে বিশ্বযুদ্ধৰ অৱসান আৰু ভাৰতীয় জনগণৰ পৰা পৰাধীনতাৰ অৱসানে অসম তথা ভাৰতত নৱজাগৰণৰ সৃষ্টি কৰিলে। বিভিন্ন শিক্ষানুষ্ঠান, স্বেচ্ছাসেৱী অনুষ্ঠানে হঠাতে গা-কৰি উঠিল। গা-কৰি উঠিল মঞ্চৰ আন্দোলনে। স্বাধীনোত্তৰ কালছোৱাত ঐতিহাসিক নাটক আৰু পৌৰাণিক নাটকৰ ঠাই অধিকাৰ কৰিলে দেশপ্ৰেমমূলক নাটকমূহে। ইয়াৰ লগে লগে দেশ-বিদেশৰ বিভিন্ন নাট্যকাৰৰ নাটক, বিশিষ্ট চিন্তাবিদ, দাৰ্শনিকৰ প্ৰভাৱ পৰিলক্ষিত হ'ল অসমীয়া নাটকসমূহত। তাৎপৰ্যপূৰ্ণভাৱে অসমীয়া নাটকৰ ক্ষেত্ৰখনত ন-ন সম্পৰীক্ষাৰো সূচনা হ'ল। ইয়ে অসমীয়া নাট্য সাহিত্যক অধিক পৰিমাণে শক্তিশালী কৰি তুলিলে। বিশ্ব নাট্য সাহিত্যত চলা বিভিন্ন পৰীক্ষা-নিৰীক্ষা, আন্দোলন আদিৰ প্ৰভাৱো দেখিবলৈ হ'লেও অসমীয়া নাটকৰ ওপৰত পৰা পৰিলক্ষিত হ'ল। স্বাধীনতা পূৰ্বৰ সময়ছোৱাত শ্বেক্সপীয়েৰৰ যি অখণ্ড প্ৰভাৱ তাৰ পৰা অসমীয়া নাটক কিছু পৰিমাণে মুক্ত হ'ল।

০.১০ পাশ্চাত্য ভাৱধাৰা আৰু থলুৱা ভাৱধাৰাৰ সংমিশ্ৰণ ঘটাই জ্যোতিপ্ৰসাদে অসমীয়া নাটকক এক বিশিষ্ট ৰূপত অৱতীৰ্ণ কৰোৱালে। শ্বেক্সপীয়েৰ, মেটাৰলিংক, হেনৰিক ইবচেন, জৰ্জ বাৰ্নাড শ্ব', গলছৱৰ্থি আদি মহান নাট্যকাৰৰ প্ৰভাৱ জ্যোতিপ্ৰসাদৰ নাটকত অনুভূত হয়। ছিগমাণ্ড ফ্ৰয়দৰ মনঃস্তাত্ত্বিক দৰ্শনৰ প্ৰভাৱে অসমীয়া নাটকক এক নতুন মাত্ৰা প্ৰদান কৰিলে।

০.১১ স্বাধীনোত্তৰ কালত অসমৰ নাট্যজগতত আটাইতকৈ জনপ্ৰিয় হৈ পৰিছে একাংকিকা নাটসমূহ। যদিও শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া শব্দটোৰ প্ৰভাৱ ইয়াত পৰিলক্ষিত আচলতে এই ধৰণৰ নাটক পাশ্চাত্য জগতৰ দান বুলিহে ক'ব লাগিব। কম সময়তে মানুহৰ মনত ৰেখাপাত কৰিব পৰা এই নাটক সৃষ্টি কৰিছিল প্ৰাক্‌স্বাধীনতা কালত লক্ষ্মীধৰ শৰ্মাই। 'প্ৰজাপতিৰ ভুল' নামৰ নাটক খনিকেই আমি অসমীয়া একাংকিকা নাটকৰ আৰম্ভণি বুলি ক'ব পাৰোঁ। অৱশ্যে ড° হৰিচন্দ্ৰ ভট্টাচাৰ্য, ড° বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰমুখ্যে এচামে চমু নাটক কেইখনমান লিখিছিল। পিছে সেয়া একাংকিকাৰ শাৰীত পেলাব নোৱাৰি। অসমৰ বিভিন্ন বিশ্ববিদ্যালয়, অসমৰ মাধ্যমিক বিদ্যালয়সমূহত আয়োজিত একাংক নাট প্ৰতিযোগিতা, আন্তঃমহাবিদ্যালয় ভিত্তিত পতা একাংকিকা প্ৰতিযোগিতা, অসমৰ প্ৰায়বোৰ প্ৰধান চহৰত অনুষ্ঠিত সদৌ অসম ভিত্তিত আয়োজিত একাংকিকা নাটকৰ প্ৰতিযোগিতাসমূহে অসংখ্য নবীন-প্ৰবীণ নাট্যকাৰৰ জন্ম দিছে; দি আছে। প্ৰবীণ আৰু নবীন নাট্যকাৰসকলৰ ভিতৰত সত্যপ্ৰসাদ বৰুৱা, দুৰ্গেশ্বৰ বৰঠাকুৰ, প্ৰবীণ ফুকন, ভবেন্দ্ৰ নাথ শইকীয়া, তফজ্জুল আলি, জয়ন্ত বৰুৱা, ভূপেন হাজৰিকা, হোমেন বৰগোহাঞি, যোগেন চেতিয়া, মহেন্দ্ৰ বৰা, দেৱকুমাৰ শইকীয়া, কিৰণ শৰ্মা, সমৰেন্দ্ৰ নাৰায়ণ দেৱ, মহেন্দ্ৰ বৰঠাকুৰ, প্ৰফুল্ল বৰা, আলি হাইদৰ, বিনোদ শৰ্মা, ৰূপকমল হাজৰিকা, বিৰিঞ্চি ভট্টাচাৰ্য্য, সতীশ ভট্টাচাৰ্য্য, বসন্ত কুমাৰ ভট্টাচাৰ্য্য, শ্যামাপ্ৰসাদ শৰ্মা, ৰফিকুল হুছেইন, নৰেন পাটগিৰি, পৰমানন্দ ৰাজবংশী, গোলাপচন্দ্ৰ বৰা, দীপক ভূঞা, আব্দুল আজিজ, দীপ ভট্টাচাৰ্য্য, পংকজ ভূঞা, শিৱানন্দ কাকতি, অজিত বৰঠাকুৰ আদি অন্যতম।

## (খ) নাট্যকাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়া

মুখ্যতঃ অসমৰ এগৰাকী প্ৰথিতযশা চুটিগল্পকাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়াই নাট্যকাৰ হিচাপে নিজৰ অক্ষয় খ্যাতি ৰাখি থৈ গৈছে। সূক্ষ্ম পৰ্যবেক্ষণ



দৃষ্টিভংগীৰে এক স্বকীয় কথনশৈলীৰে অসমীয়া চুটিগল্পক নতুন মাত্ৰা দিয়া ড° শইকীয়াই একেদৰে নাটকৰ মাজেৰে এক স্বকীয় শৈলী দেখুৱাবলৈ সক্ষম হৈছে। কলমেৰে কাল্পনিক পটভূমি, চৰিত্ৰৰ চিত্ৰণ, চৰিত্ৰানুগ ভাষা-সংলাপৰ ব্যৱহাৰ, স্বকীয় মঞ্চশৈলীৰ নিৰ্দেশনা, এক সুনিৰ্দিষ্ট জীৱন দৰ্শন অথবা বাৰ্তা প্ৰদানৰ বাবে সু-পৰিকল্পিতভাৱে এক কাহিনী নিৰ্মাণত যিদৰে সিদ্ধহস্ত ড° শইকীয়া, একেদৰে নাটক এখন তেখেতে নিলিখে। এক কথাত ড° শইকীয়াই নাটকখন নিৰ্মাণহে কৰে। দৰাচলতে নাটকখন তেতিয়াহে সম্পূৰ্ণ হয় যেতিয়া নাটকখন সফলভাৱে মঞ্চস্থ হয়। এই দিশটো সতৰ্কতাৰে অনুধাৱন কৰিহে ড° শইকীয়াই নাটক নিৰ্মাণ কৰি আহিছে। নিজৰ একোটা জনপ্ৰিয় চুটিগল্পক আধাৰ হিচাপে লৈ নাটক লিখোঁতে সেয়ে ড° শইকীয়াই বিশেষ অসুবিধা নাপায়। নিজস্ব ভাবাদৰ্শ আৰু শৈলীৰে নাটক লিখি পৰিচালনা কৰা ড° শইকীয়া প্ৰকৃততে এগৰাকী সফল নাট্যকাৰ আৰু পৰিচালক।

পূৰ্ণাংগ নাটক লিখাৰ আগতে ড° শইকীয়াই একাংক নাটকহে লিখিছিল। ষাঠি দশকত গা কৰি উঠা একাংক নাটকৰ ধাৰাক বৰ্ণাঢ্য আৰু জনপ্ৰিয় কৰাত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'পুতলা নাচ', 'তীৰ্থ' আৰু 'বাওনা' এই তিনিখন নাটকৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। অসমৰ বিভিন্ন ঠাইত মঞ্চস্থ হোৱা এই তিনিখন একাংক নাটকৰ পাছতেই 'এজাক জোনাকীৰ জিলমিল' নামৰ তিনিদৃশ্যযুক্ত নাটিকাখন লিখে ড° শইকীয়াই। সমগ্ৰ অসমতে অতি জনপ্ৰিয় হোৱা এই নাটকখন লিখাৰ পাছত ড° শইকীয়াই চলচ্চিত্ৰ নিৰ্মাণত বিশেষ গুৰুত্ব দিছিল যদিও আশী দশকত জনপ্ৰিয় হৈ পৰা 'আৱাহন' থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰয়ৰ বিশেষ অনুৰোধমৰ্মে ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে নাটক লিখিবলৈ মনস্থ কৰে।

এগৰাকী অপেশাদাৰী নাট্যকাৰে পোনপ্ৰথম পেশাদাৰী মঞ্চৰ বাবে পেশাদাৰী দৃষ্টিভংগীৰে নাটক লিখিব—তাকো ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দৰে এগৰাকী বিশিষ্ট ব্যক্তিয়ে? স্বাভাৱিকতে চেপা প্ৰতিক্ৰিয়াৰ মাজত সকলোৱে অধীৰ আগ্ৰহেৰে বাট চাইছিল ড° শইকীয়াৰ প্ৰথমখন ভ্ৰাম্যমাণৰ নাটকখনলৈ। কাৰণ যদি দৰ্শকে গ্ৰহণ নকৰে তেন্তে চিৰকাললৈ গহীন মূল্যবোধৰ নাটক কোনো প্ৰযোজকে প্ৰযোজনা কৰিবলৈ আগবাঢ়ি নাহিব! কাৰণ ভ্ৰাম্যমাণৰ নাটক চাবলৈ বহি থকা দৰ্শকৰ মাজত শিশু-চেমনীয়া-যুৱক-যুৱতী-বয়োজ্যেষ্ঠ সকলো প্ৰকাৰৰ

দৰ্শক থাকে। ভিন্ন বয়সৰ ভিন্ন ৰুচিৰ দৰ্শকে যেতিয়া নাটক শেষ হোৱাৰ পাছত এক প্ৰশান্তিৰ মনোভাব লৈ নাটক চাই ওলাই আহে নাট্য-বিশেষজ্ঞই সেই নাটকখনেই দৰ্শকৰ গ্ৰহণযোগ্য নাটক বুলি বিশ্বাস কৰি আহিছে। সেই দৃষ্টিকোণৰ পৰা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ প্ৰথম ভ্ৰাম্যমাণ মঞ্চৰ নাটক 'ৰামধেনু' এ অসমৰ নাট্য আন্দোলনত এক ইতিহাস সৃষ্টি কৰিলে। কাৰণ 'ৰামধেনু' নাটক দৰ্শকে গ্ৰহণ কৰাৰ পাছত এখন নহয় একেৰাহে ১৯৮১ চনৰ পৰা ২০০৩ চনলৈ সৰ্বমুঠ সাতাইছখন নাট ড° শইকীয়াই লিখিছিল। 'আৱাহন'ৰ পাছত অন্য এক নাট্যগোষ্ঠী 'কহিনুৰ'ৰ বাবেও ড° শইকীয়াই দুখন নাটক লিখিছিল। 'বৃন্দাবন', 'জন্মভূমি' আৰু 'প্ৰতিবিম্ব' এই তিনিখন নাটকৰ বাহিৰে বাদবাকী ছব্বিছখন নাটকেই ইতিমধ্যে প্ৰকাশ পাইছে। সেইকেইখন হ'ল— ৰামধেনু, ৰম্যভূমি, নীলকণ্ঠ, মহাৰণ্য, দীনবন্ধু, পাণ্ডুলিপি, আম্ৰপালী, অৰণ্যত গধূলি, মণিকূট, গহ্বৰ, গধূলি, অমৃত, বৰ্ণমালা, বন্দীশাল, পৰমানন্দ, শুভ-সংবাদ, বিষকুম্ভ, অন্ধকূপ, দিগম্বৰ, স্বৰ্ণজয়ন্তী, স্বৰ্ণৰ দুৱাৰ, শতাব্দী, সমুদ্ৰমহন আৰু জোনাক ৰাতি। ইয়াৰে 'জোনাক ৰাতি' নাটকখন অসম্পূৰ্ণ।

এগৰাকী সফল গল্পকাৰ, বোলছবিৰ চিত্ৰনাট্যকাৰ, বোলছবিৰ পৰিচালক, মঞ্চ নাটকৰ পৰিচালক, সফল অনাতাঁৰ নাট্যকাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটকত সেয়ে উল্লিখিত এই আটাইবোৰ কলাৰ সমাহৰণ তেখেতৰ নাটকত পৰিদৃশ্যমান। নাট্য-উৎকণ্ঠা যিহেতু একোটা চুটিগল্পৰ প্ৰধান বৈশিষ্ট্য সেয়ে নাট্যকাৰ ড° শইকীয়াই নাটসৃষ্টি কৰোঁতে দৰ্শকৰ মনোগ্ৰাহীকৈ পৰিচালনা কৰিছে নাটকখন লিখিছিল। পাতল ৰস সৃষ্টিক নস্যাৎ কৰি গহীন ব্যংগ ৰস আস্বাদনেৰে দৰ্শকৰ হৃদয় স্পৰ্শ কৰিববলৈ সমৰ্থ হৈছিল তেখেত।

নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ বিভিন্ন লোকৰ জীৱন পৰিক্ৰমা নিখুঁতকৈ অংকন কৰাত ড° শইকীয়া সিদ্ধহস্ত। ভিন্ন উৎকণ্ঠা সৃষ্টিৰে নাটকৰ পৰিশেষত এক সামাজিক মংগলকামী বাৰ্তা বিয়পাই দিয়াত পাৰ্গত ড° শইকীয়াৰ নাট্য সাহিত্য সেয়ে অসমীয়া নাট্য সাহিত্যৰ এক অমূল্য সম্পদ। চৰিত্ৰসমূহৰ মাজত অন্তৰ্দ্বন্দ্ব (Conflict) সৃষ্টিৰে এক সামাজিক আত্ম-সমালোচনাৰ পৰিবেশ সাজি ড° শইকীয়াই নাটকৰ মাধ্যমেৰে কল্যাণকামী দৃষ্টিভংগী সজোৰে প্ৰতিষ্ঠা কৰে বিনম্ৰভাৱে।



## (গ) নাটিকা ঃ

সংস্কৃত সাহিত্যত নাটকৰ বিভিন্ন প্ৰকাৰভেদ আছে যদিও পাশ্চাত্য সাহিত্যত ট্ৰেজেদিৰ পৰা নাটকৰ ধাৰাটোক সাধাৰণভাবে নাটক (Drama) হিচাপেই জনাজাত। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে পাশ্চাত্য নাটকে সম্প্ৰতি ধ্ৰুপদী চৰিত্ৰ হেৰুৱাই পেলাইছে যদিও যুগ সাপেক্ষ কলা হিচাপে দৰ্শকে সময়ে সময়ে এনে নাটক গ্ৰহণ আৰু বৰ্জন কৰিছে। আধুনিক মানুহৰ যান্ত্ৰিক কৰ্মব্যস্ততাৰ সৈতে খাপ খুৱাই সুকুমাৰ কলাক গঢ়ি তোলাৰ বুনিয়াদতেই মহাকাব্য-হাইকু, উপন্যাস-চুটিগল্প হোৱাৰ দৰে ট্ৰেজেদিয়ে নাটকৰ মাজেৰে আহি একাংকিকা অথবা নাটিকা ৰূপত অৱতীৰ্ণ হৈছে একমাত্ৰ প্ৰয়োজনৰ তাগিদাত।

প্ৰাচ্য নাট্য-পৰম্পৰাত ৰূপক-নাটক-প্ৰহসন আদি ভিন্ন ৰূপৰ এক স্বকীয় ঐতিহ্য আছে যদিও নাট্যকাৰে আধুনিক দৰ্শকৰ দৃষ্টিভংগীৰ লগতে অৰ্থ, সময়, অভিনেতা আৰু মঞ্চ সম্পদৰ সীমাবদ্ধতা দিশটোলৈ বিশেষ গুৰুত্ব দিয়াৰ ফলতে One Act Play অৰ্থাৎ একাংক নাটকসমূহ অভূতপূৰ্বভাবে জনপ্ৰিয় হৈ পৰিল। ঠিক একেদৰে একাংক নাটকতকৈ কিছু ব্যাপক নাটকক 'নাটিকা' আখ্যাৰে প্ৰকৃততে 'চুটি নাটক' লিখা আৰু মঞ্চস্থ কৰাৰ প্ৰৱণতাও গঢ় লৈ উঠিল।

প্ৰকৃততে উল্লিখিত অৰ্থ, সময়, অভিনয় শিল্পী, মঞ্চ সম্পদ আদিৰ সীমাবদ্ধ প্ৰয়োজনৰ তাগিদাতহে একাংক নাটকৰ কিছু বহল ৰূপটোক ড° ভবেন্দ্ৰ নাথ শইকীয়াই 'নাটিকা' হিচাপে অভিহিত কৰি চুটি উপন্যাসক 'উপন্যাসিকা' শব্দৰে সাঙুৰিব খোজা প্ৰয়াসলৈহে আমাক মনত পেলাই দিয়ে।

তিনিটা দৃশ্যত ভাগ কৰিলেও নাটকৰ পটভূমি মাথো এটিহে। সেয়া হৈছে এখন ছোৱালী মহাবিদ্যালয়ৰ এটি গতানুগতিক কোঠা। মাথো পুৱা, দুপৰীয়া আৰু আবেলি এই পৰিবেশক ভিত্তি কৰি নাটকীয় গতিক আৰু অধিক পৰিচ্ছন্ন কৰিবৰ বাবেই তিনিটা দৃশ্যক পৰিকল্পিতভাবে নাট্যকাৰে নাটিকা হিচাপে সজাইছে।

## (ঘ) বিষয়বস্তু ঃ

ছোৱালী মহাবিদ্যালয়ৰ বুঢ়া চকীদাৰ আৰু চকীদাৰণীয়ে-তিনিজন আলহী আহিব বাবে এটা কোঠাৰ ডেস্ক-বেঞ্চ ঠিক কৰি আছে। এনেতে তিনিজন আলহী ভাস্কৰ,

মনোহৰ আৰু মৃণাল সোমাই আহে। আটাইৰে কথা-বতৰাত গম পোৱা গ'ল চকীদাৰজনে কলেজখন প্ৰতিষ্ঠা কালৰ পৰা নিযুক্তি পাইছে। বুঢ়ী চকীদাৰণী চহৰখনত থকা সৰু ছোৱালীৰ স্কুল এখনত নৰহৰি উকীলৰ ল'ৰা-ছোৱালীকেইটি থবলৈ আহোঁতেই চকীদাৰৰ সৈতে চা-চিনাকি, প্ৰণয়, তাৰ পাছত দুয়ো সংসাৰ বান্ধোনত সোমাই পৰে। তেওঁলোকৰ সংসাৰত এটি ল'ৰা আৰু ছোৱালী বিজুলী। ল'ৰাটিৰ মৃত্যু হোৱাৰ পাছত বিজুলীয়েই এতিয়া আশা-ভৰসাৰ থল।

মনোহৰ, ভাস্কৰ আৰু মৃণাল তিনিও কোঠাত প্ৰৱেশ কৰে। আটাইয়ে সতৰ্ক যাতে তেওঁলোক কিয় আহিছে, তেওঁলোকৰ লক্ষ্য-উদ্দেশ্য কি এয়া যেন কোনোৱেও গম নাপায়। কিন্তু চকীদাৰ আৰু চকীদাৰণীৰ গাভৰু ছোৱালী বিজুলীয়ে এই তিনিওগৰাকী ব্যক্তিত্বৰ মাজত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বিজুলীৰ সমবয়সৰ নিজ ছোৱালীজনীক দহ বছৰে দেখা নোপোৱাৰ বিৰহৰ বেদনা অধিক তীব্ৰ হৈ পৰে মনোহৰৰ। মৃণালৰ দৰে অবিবাহিত যুৱকৰ অন্তৰতো বিজুলীয়ে প্ৰেমৰ চমকনিৰ সৃষ্টি কৰিলে। পৰিশেষত এই নাটখনত কঠোৰপন্থী চৰিত্ৰ হিচাপে ভাস্কৰেও সৰ্বশেষত সন্ত্ৰাসবাদী নামৰ চোলাটো সোলোকাই বিজুলীৰ হাতত ধৰি ভনীসুলভ মনোভাবেৰে ইমানদিনে নিজ পত্নী আৰু সন্তানক এৰি অহাৰ তীব্ৰ যন্ত্ৰণাৰ ফোঁহাৰ পৰা পূঁজখিনি বাহিৰ কৰি দিলে।

দেশৰ দহৰ কল্যাণৰ বাবে নিজ সংসাৰ আৰু পৰিয়ালৰ মোহ ত্যাগ কৰা মনোহৰ, ভাস্কৰ আৰু মৃণালৰ অন্তৰত সুপ্ত হৈ থকা সাংসাৰিক বিৰহৰ মথাউৰি চূৰ্ণ-বিচূৰ্ণ কৰি দিলে বিজুলীয়ে। তাৎপৰ্যপূৰ্ণভাৱে কলেজৰ ফিল'ছফি (দৰ্শন বিভাগ)ৰ অনাৰ্ছ অথবা প্ৰধান বিষয়ৰ পাঠদান যিটো কোঠাত হয় সেইটো কোঠাতে বিজুলীৰ সৈতে একেলগে বহি পাঠগ্ৰহণ কৰে মালিনী চৌধুৰীয়ে। যিজনী ছোৱালী মনোহৰে এৰি থৈ যোৱাৰ পাছত তাৰ পত্নীৰ মৃত্যু হোৱাত মোমায়েকৰ ঘৰত থাকি ডাঙৰ-দীঘল হৈছিল। মনোহৰে মাথো এবাৰ নিজ ছোৱালীজনীক চাবৰ বাবে তীব্ৰ ইচ্ছা প্ৰকাশ কৰে কিন্তু দলটোৰ নেতা ভাস্কৰে অনুমতি নিদিয়ে। ফলত পাৰস্পৰিক তীব্ৰ দ্বন্দ্বৰ সন্মুখীন হৈছে মনোহৰ, ভাস্কৰ, মৃণাল আৰু বিজুলী। বিজুলীয়ে সহজ-সৰলভাৱে নিজ বান্ধৱী মালিনীক এই কলেজৰ কোঠালৈ মাতি আনি নিজ দেউতাক মনোহৰক দেখুৱাবলৈ আগ্ৰহী, কিন্তু ভাস্কৰ নাচোৰবান্দা। কাৰণ মালিনী এতিয়া আৰক্ষী উপ-মহাপৰিদৰ্শকৰ



(ডি.এছ. পি.) ঘৰত থাকে। যিজন নিজৰ মোমায়েক। আনটো চৰিত্ৰ মৃণাল অবিবাহিত। সাংসাৰিক বান্ধোনৰ বাহিৰত থকা মৃণালে বান্ধোনমুখী সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰা মুক্ত হৈ বিজুলীক লৈ নতুন আশাৰ সপোন ৰচিব খোজে।

বিজুলীক কেন্দ্ৰীভূত কৰি এই মানৱীয় আত্ম সংঘাতে চৰম ৰূপ লয়। কলেজৰ দুৱাৰমুখত মালিনীক লৈ উপস্থিত পুলিচ ডি. এছ. পি.। কোঠাৰ খিৰিকিখন খুলিলেই এজাক শিশুৰ ক'লৰৱৰ সৈতে নিজকে বিচ্ছিন্ন কৰিব খোজা ভাস্কৰে পৰিশেষত মনোহৰ আৰু মৃণালৰ নিজ লক্ষ্যচ্যুতিৰ আতিশায্যৰ ফলত কোঠাৰ খিৰিকি খুলি নিজ সন্তান আৰু পত্নীৰ ওচৰলৈ যোৱাৰ বাবে নিজ হতাশগ্ৰস্ত মনোভাৱ ব্যক্ত কৰিলে, তেতিয়াই দলটোৰ অভিজ্ঞ বয়োজ্যেষ্ঠ মনোহৰে ভীষ্মৰ দৰে পৰিস্থিতি চম্ভালি লয়।

দেশ আৰু দহৰ হকে নিজ সংসাৰৰ মোহক আত্মত্যাগ কৰা সন্ত্ৰাসবাদী মনোহৰ, ভাস্কৰ আৰু মৃণালে তৎমুহূৰ্তে সেই কোঠা তথা ছোৱালী মহাবিদ্যালয়ৰ পৰা পাছফালৰ ৰাস্তাৰে পলাবলৈ সাজু হয়।

ভগ্ন হৃদয়ৰ সনাতনী আশা-আকাংক্ষা, আকুল আবেদন নিজ হৃদয়তে সযতনে আবদ্ধ কৰি গাভৰু বিজুলীয়ে পৰিস্থিতি হজম কৰে আৰু তিনিওগৰাকীক একোটি বিচিত্ৰ মানৱীয় চৰিত্ৰক পুনৰ সন্ত্ৰাসবাদী পোছাক পিন্ধাই তেওঁলোকক বিদায় দিয়ে। মাক-দেউতাকে সমগ্ৰ ঘটনাটো সম্পৰ্কে বিশেষ উম-ঘামেই নাপালে।

এন্ধাৰৰ মাজত প্ৰত্যেকটো জোনাকী পৰুৱাই স্ব-মহিম্নি পোহৰেৰে অস্তিত্ব জাহিৰ কৰাৰ দৰে মনোহৰ, ভাস্কৰ, মৃণাল আৰু বিজুলী নামৰ চাৰিটা চৰিত্ৰৰ ক্ষণিক চিৰন্তন মানৱীয় প্ৰেমৰ পোহৰেৰে জিকমিকাই উঠিছে 'এজাক জোনাকীৰ জিলমিল' নামৰ নাটিকাখনত।

## (ঙ) নাটকৰ পটভূমি আৰু তিনিজন সন্ত্ৰাসবাদী চৰিত্ৰ ঃ

নাট্যকাৰে উল্লেখ কৰিছে- '১৯৬১ চনত লিখা এই নাটিকাখন দ্বিতীয় মহাযুদ্ধৰ পাছৰ এছোৱা সময়ৰ (১৯৪৬-১৯৪৯ চনৰ মাজৰ) পৰিৱেশ, সাজপাৰ আদিৰ প্ৰতি লক্ষ্য ৰাখি মঞ্চস্থ কৰাটো যুক্তিযুক্ত।' 'এজাক জোনাকীৰ জিলমিল' সমগ্ৰ নাটিকাখনিৰ মূল আধাৰ হৈছে তিনিগৰাকী সন্ত্ৰাসবাদী। মনোহৰ, ভাস্কৰ

দৰ্শক থাকে। ভিন্ন বয়সৰ ভিন্ন ৰুচিৰ দৰ্শককে যেতিয়া নাটক শেষ হোৱাৰ পাছত এক প্ৰশান্তিৰ মনোভাব লৈ নাটক চাই ওলাই আহে নাট্য-বিশেষজ্ঞই সেই নাটকখনেই দৰ্শকৰ গ্ৰহণযোগ্য নাটক বুলি বিশ্বাস কৰি আহিছে। সেই দৃষ্টিকোণৰ পৰা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ প্ৰথম ভ্ৰাম্যমাণ মঞ্চৰ নাটক 'ৰামধেনু' এ অসমৰ নাট্য আন্দোলনত এক ইতিহাস সৃষ্টি কৰিলে। কাৰণ 'ৰামধেনু' নাটক দৰ্শকে গ্ৰহণ কৰাৰ পাছত এখন নহয় একেৰাহে ১৯৮১ চনৰ পৰা ২০০৩ চনলৈ সৰ্বমুঠ সাতাইছখন নাট ড° শইকীয়াই লিখিছিল। 'আৱাহন'ৰ পাছত অন্য এক নাট্যগোষ্ঠী 'কহিনুৰ'ৰ বাবেও ড° শইকীয়াই দুখন নাটক লিখিছিল। 'বৃন্দাবন', 'জন্মভূমি' আৰু 'প্ৰতিবিম্ব' এই তিনিখন নাটকৰ বাহিৰে বাদবাকী ছব্বিছখন নাটকেই ইতিমধ্যে প্ৰকাশ পাইছে। সেইকেইখন হ'ল— ৰামধেনু, ৰম্যভূমি, নীলকণ্ঠ, মহাৰণ্য, দীনবন্ধু, পাণ্ডুলিপি, আম্ৰপালী, অৰণ্যত গধুলি, মণিকূট, গহ্বৰ, গধূলি, অমৃত, বৰ্ণমালা, বন্দীশাল, পৰমানন্দ, শুভ-সংবাদ, বিষকুম্ভ, অন্ধকূপ, দিগম্বৰ, স্বৰ্ণজয়ন্তী, স্বৰ্গৰ দুৱাৰ, শতাব্দী, সমুদ্ৰমহন আৰু জোনাক ৰাতি। ইয়াৰে 'জোনাক ৰাতি' নাটকখন অসম্পূৰ্ণ।

এগৰাকী সফল গল্পকাৰ, বোলছবিৰ চিত্ৰনাট্যকাৰ, বোলছবিৰ পৰিচালক, মঞ্চ নাটকৰ পৰিচালক, সফল অনাতাঁৰ নাট্যকাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটকত সেয়ে উল্লিখিত এই আটাইবোৰ কলাৰ সমাহৰণ তেখেতৰ নাটকত পৰিদৃশ্যমান। নাট্য-উৎকণ্ঠা যিহেতু একোটা চুটিগল্পৰ প্ৰধান বৈশিষ্ট্য সেয়ে নাট্যকাৰ ড° শইকীয়াই নাটসৃষ্টি কৰোঁতে দৰ্শকৰ মনোগ্ৰাহীকৈ পৰিচালনা কৰিহে নাটকখন লিখিছিল। পাতল ৰস সৃষ্টিক নস্যাৎ কৰি গহীন ব্যংগ ৰস আস্বাদনেৰে দৰ্শকৰ হৃদয় স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছিল তেখেত।

নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ বিভিন্ন লোকৰ জীৱন পৰিক্ৰমা নিখুঁতকৈ অংকন কৰাত ড° শইকীয়া সিদ্ধহস্ত। ভিন্ন উৎকণ্ঠা সৃষ্টিৰে নাটকৰ পৰিশেষত এক সামাজিক মংগলকামী বাৰ্তা বিয়পাই দিয়াত পাৰ্গত ড° শইকীয়াৰ নাট্য সাহিত্য সেয়ে অসমীয়া নাট্য সাহিত্যৰ এক অমূল্য সম্পদ। চৰিত্ৰসমূহৰ মাজত অন্তৰ্দ্বন্দ্ব (Conflict) সৃষ্টিৰে এক সামাজিক আত্ম-সমালোচনাৰ পৰিবেশ সাজি ড° শইকীয়াই নাটকৰ মাধ্যমেৰে কল্যাণকামী দৃষ্টিভংগী সজোৰে প্ৰতিষ্ঠা কৰে বিনম্ৰভাৱে।



## (গ) নাটিকা ঃ

সংস্কৃত সাহিত্যত নাটকৰ বিভিন্ন প্ৰকাৰভেদ আছে যদিও পাশ্চাত্য সাহিত্যত ট্ৰেজেদিৰ পৰা নাটকৰ ধাৰাটোক সাধাৰণভাৱে নাটক (Drama) হিচাপেই জনাজাত। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে পাশ্চাত্য নাটকে সম্প্ৰতি ধ্ৰুপদী চৰিত্ৰ হেৰুৱাই পেলাইছে যদিও যুগ সাপেক্ষ কলা হিচাপে দৰ্শকে সময়ে সময়ে এনে নাটক গ্ৰহণ আৰু বৰ্জন কৰিছে। আধুনিক মানুহৰ যান্ত্ৰিক কৰ্মব্যস্ততাৰ সৈতে খাপ খুৱাই সুকুমাৰ কলাক গঢ়ি তোলাৰ বুনিয়াদতেই মহাকাব্য-হাইকু, উপন্যাস-চুটিগল্প হোৱাৰ দৰে ট্ৰেজেদিয়ে নাটকৰ মাজেৰে আহি একাংকিকা অথবা নাটিকা ৰূপত অৱতীৰ্ণ হৈছে একমাত্ৰ প্ৰয়োজনৰ তাগিদাত।

প্ৰাচ্য নাট্য-পৰম্পৰাত ৰূপক-নাটক-প্ৰহসন আদি ভিন্ন ৰূপৰ এক স্বকীয় ঐতিহ্য আছে যদিও নাট্যকাৰে আধুনিক দৰ্শকৰ দৃষ্টিভংগীৰ লগতে অৰ্থ, সময়, অভিনেতা আৰু মঞ্চ সম্পদৰ সীমাবদ্ধতা দিশটোলৈ বিশেষ গুৰুত্ব দিয়াৰ ফলতে One Act Play অৰ্থাৎ একাংক নাটকসমূহ অভূতপূৰ্বভাৱে জনপ্ৰিয় হৈ পৰিল। ঠিক একেদৰে একাংক নাটকতকৈ কিছু ব্যাপক নাটকক 'নাটিকা' আখ্যাৰে প্ৰকৃততে 'চুটি নাটক' লিখা আৰু মঞ্চস্থ কৰাৰ প্ৰৱণতাও গঢ় লৈ উঠিল।

প্ৰকৃততে উল্লিখিত অৰ্থ, সময়, অভিনয় শিল্পী, মঞ্চ সম্পদ আদিৰ সীমাবদ্ধ প্ৰয়োজনৰ তাগিদাতহে একাংক নাটকৰ কিছু বহল ৰূপটোক ড° ভবেন্দ্ৰ নাথ শইকীয়াই 'নাটিকা' হিচাপে অভিহিত কৰি চুটি উপন্যাসক 'উপন্যাসিকা' শব্দৰে সাঙুৰিব খোজা প্ৰয়াসলৈহে আমাক মনত পেলাই দিয়ে।

তিনিটা দৃশ্যত ভাগ কৰিলেও নাটকৰ পটভূমি মাথো এটিহে। সেয়া হৈছে এখন ছোৱালী মহাবিদ্যালয়ৰ এটি গতানুগতিক কোঠা। মাথো পুৱা, দুপৰীয়া আৰু আবেলি এই পৰিবেশক ভিত্তি কৰি নাটকীয় গতিক আৰু অধিক পৰিচ্ছন্ন কৰিবৰ বাবেই তিনিটা দৃশ্যক পৰিকল্পিতভাৱে নাট্যকাৰে নাটিকা হিচাপে সজাইছে।

## (ঘ) বিষয়বস্তু ঃ

ছোৱালী মহাবিদ্যালয়ৰ বুঢ়া চকীদাৰ আৰু চকীদাৰণীয়ে-তিনিজন আলহী আহিব বাবে এটা কোঠাৰ ডেস্ক-বেঞ্চ ঠিক কৰি আছে। এনেতে তিনিজন আলহী ভাস্কৰ,

মনোহৰ আৰু মৃণাল সোমাই আহে। আটাইৰে কথা-বতৰাত গম পোৱা গ'ল চকীদাৰজনে কলেজখন প্ৰতিষ্ঠা কালৰ পৰা নিযুক্তি পাইছে। বুঢ়ী চকীদাৰণী চহৰখনত থকা সৰু ছোৱালীৰ স্কুল এখনত নৰহৰি উকীলৰ ল'ৰা-ছোৱালীকেইটি থবলৈ আহোঁতেই চকীদাৰৰ সৈতে চা-চিনাকি, প্ৰণয়, তাৰ পাছত দুয়ো সংসাৰ বান্ধোনত সোমাই পৰে। তেওঁলোকৰ সংসাৰত এটি ল'ৰা আৰু ছোৱালী বিজুলী। ল'ৰাটিৰ মৃত্যু হোৱাৰ পাছত বিজুলীয়েই এতিয়া আশা-ভৰসাৰ থল।

মনোহৰ, ভাস্কৰ আৰু মৃণাল তিনিও কোঠাত প্ৰৱেশ কৰে। আটাইয়ে সতৰ্ক যাতে তেওঁলোক কিয় আহিছে, তেওঁলোকৰ লক্ষ্য-উদ্দেশ্য কি এয়া যেন কোনোৱেও গম নাপায়। কিন্তু চকীদাৰ আৰু চকীদাৰণীৰ গাভৰু ছোৱালী বিজুলীয়ে এই তিনিওগৰাকী ব্যক্তিত্বৰ মাজত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বিজুলীৰ সমবয়সৰ নিজ ছোৱালীজনীক দহ বছৰে দেখা নোপোৱাৰ বিৰহৰ বেদনা অধিক তীব্ৰ হৈ পৰে মনোহৰৰ। মৃণালৰ দৰে অবিবাহিত যুৱকৰ অন্তৰতো বিজুলীয়ে প্ৰেমৰ চমকনিৰ সৃষ্টি কৰিলে। পৰিশেষত এই নাটখনত কঠোৰপন্থী চৰিত্ৰ হিচাপে ভাস্কৰেও সৰ্বশেষত সন্ত্ৰাসবাদী নামৰ চোলাটো সোলোকাই বিজুলীৰ হাতত ধৰি ভনীসুলভ মনোভাবেৰে ইমানদিনে নিজ পত্নী আৰু সন্তানক এৰি অহাৰ তীব্ৰ যন্ত্ৰণাৰ ফোঁহাৰ পৰা পুঁজখিনি বাহিৰ কৰি দিলে।

দেশৰ দহৰ কল্যাণৰ বাবে নিজ সংসাৰ আৰু পৰিয়ালৰ মোহ ত্যাগ কৰা মনোহৰ, ভাস্কৰ আৰু মৃণালৰ অন্তৰত সুপ্ত হৈ থকা সাংসাৰিক বিৰহৰ মথাউৰি চূৰ্ণ-বিচূৰ্ণ কৰি দিলে বিজুলীয়ে। তাৎপৰ্যপূৰ্ণভাবে কলেজৰ ফিল'ছফি (দৰ্শন বিভাগ)ৰ অনাৰ্ছ অথবা প্ৰধান বিষয়ৰ পাঠদান যিটো কোঠাত হয় সেইটো কোঠাতে বিজুলীৰ সৈতে একেলগে বহি পাঠগ্ৰহণ কৰে মালিনী চৌধুৰীয়ে। যিজনী ছোৱালী মনোহৰে এৰি থৈ যোৱাৰ পাছত তাৰ পত্নীৰ মৃত্যু হোৱাত মোমায়েকৰ ঘৰত থাকি ডাঙৰ-দীঘল হৈছিল। মনোহৰে মাথো এবাৰ নিজ ছোৱালীজনীক চাবৰ বাবে তীব্ৰ ইচ্ছা প্ৰকাশ কৰে কিন্তু দলটোৰ নেতা ভাস্কৰে অনুমতি নিদিয়ে। ফলত পাৰস্পৰিক তীব্ৰ দ্বন্দ্বৰ সন্মুখীন হৈছে মনোহৰ, ভাস্কৰ, মৃণাল আৰু বিজুলী। বিজুলীয়ে সহজ-সৰলভাবে নিজ বান্ধবী মালিনীক এই কলেজৰ কোঠালৈ মাতি আনি নিজ দেউতাক মনোহৰক দেখুৱাবলৈ আগ্ৰহী, কিন্তু ভাস্কৰৰ নাচোৰবান্দা। কাৰণ মালিনী এতিয়া আৰক্ষী উপ-মহাপৰিদৰ্শকৰ



(ডি.এছ. পি.) ঘৰত থাকে। যিজন নিজৰ মোমায়েক। আনটো চৰিত্ৰ মৃণাল অবিবাহিত। সাংসাৰিক বান্ধোনৰ বাহিৰত থকা মৃণালে বান্ধোনমুখী সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰা মুক্ত হৈ বিজুলীক লৈ নতুন আশাৰ সপোন ৰচিব খোজে।

বিজুলীক কেন্দ্ৰীভূত কৰি এই মানৱীয় আত্ম সংঘাতে চৰম ৰূপ লয়। কলেজৰ দুৱাৰমুখত মালিনীক লৈ উপস্থিত পুলিচ ডি. এছ. পি.। কোঠাৰ খিৰিকিখন খুলিলেই এজাক শিশুৰ ক'লৰৱৰ সৈতে নিজকে বিচ্ছিন্ন কৰিব খোজা ভাস্কৰে পৰিশেষত মনোহৰ আৰু মৃণালৰ নিজ লক্ষ্যচ্যুতিৰ আতিশায্যৰ ফলত কোঠাৰ খিৰিকি খুলি নিজ সন্তান আৰু পত্নীৰ ওচৰলৈ যোৱাৰ বাবে নিজ হতাশগ্ৰস্ত মনোভাৱ ব্যক্ত কৰিলে, তেতিয়াই দলটোৰ অভিজ্ঞ বয়োজ্যেষ্ঠ মনোহৰে ভীষ্মৰ দৰে পৰিস্থিতি চম্ভালি লয়।

দেশ আৰু দহৰ হকে নিজ সংসাৰৰ মোহক আত্মত্যাগ কৰা সন্ত্ৰাসবাদী মনোহৰ, ভাস্কৰ আৰু মৃণালে তৎমুহূৰ্তে সেই কোঠা তথা ছোৱালী মহাবিদ্যালয়ৰ পৰা পাছফালৰ ৰাস্তাৰে পলাবলৈ সাজু হয়।

ভগ্ন হৃদয়ৰ সনাতনী আশা-আকাংক্ষা, আকুল আবেদন নিজ হৃদয়তে সযতনে আবদ্ধ কৰি গাভৰু বিজুলীয়ে পৰিস্থিতি হজম কৰে আৰু তিনিওগৰাকীক একোটি বিচিত্ৰ মানৱীয় চৰিত্ৰক পুনৰ সন্ত্ৰাসবাদী পোছাক পিন্ধাই তেওঁলোকক বিদায় দিয়ে। মাক-দেউতাকে সমগ্ৰ ঘটনাটো সম্পৰ্কে বিশেষ উম-ঘামেই নাপালে।

এন্ধাৰৰ মাজত প্ৰত্যেকটো জোনাকী পৰুৱাই স্ব-মহিম্নি পোহৰেৰে অস্তিত্ব জাহিৰ কৰাৰ দৰে মনোহৰ, ভাস্কৰ, মৃণাল আৰু বিজুলী নামৰ চাৰিটা চৰিত্ৰৰ ক্ষণিক চিৰন্তন মানৱীয় প্ৰেমৰ পোহৰেৰে জিকমিকাই উঠিছে 'এজাক জোনাকীৰ জিলমিল' নামৰ নাটিকাখনত।

## (ঙ) নাটকৰ পটভূমি আৰু তিনিজন সন্ত্ৰাসবাদী চৰিত্ৰ ঃ

নাট্যকাৰে উল্লেখ কৰিছে- '১৯৬১ চনত লিখা এই নাটিকাখন দ্বিতীয় মহাযুদ্ধৰ পাছৰ এছোৱা সময়ৰ (১৯৪৬-১৯৪৯ চনৰ মাজৰ) পৰিবেশ, সাজপাৰ আদিৰ প্ৰতি লক্ষ্য ৰাখি মঞ্চস্থ কৰাটো যুক্তিযুক্ত।' 'এজাক জোনাকীৰ জিলমিল' সমগ্ৰ নাটিকাখনিৰ মূল আধাৰ হৈছে তিনিগৰাকী সন্ত্ৰাসবাদী। মনোহৰ, ভাস্কৰ

আৰু মৃণাল তিনিও বুঢ়া চকীদাৰ আৰু বুঢ়ী চকীদাৰণীৰ জহত মহাবিদ্যালয়ৰ এটি কোঠাত জিৰণি ল'বলৈ সুবিধা পাইছে। তিনিওটা চৰিত্ৰৰ কথা-বতৰা, চাল-চলনত প্ৰকাশ পাইছে যে দ্বিতীয় মহাযুদ্ধ শেষ হৈছে যদিও যুদ্ধক্ষেত্ৰৰ পৰা উভতি অহা সৈন্যসকলৰ বিছটা ৰাইফল আৰু পাঁচটা ৰিভলভাৰ হস্তগত কৰিব লাগিব। যিখন মহাবিদ্যালয়লৈ তেওঁলোক আহিছে সেই মহাবিদ্যালয়ৰ নাতিদূৰৈত সৰু ষ্টেচনটো। হয়তো ৰেলখন বগৰাই সেই মাৰণাস্ত্ৰ হস্তগত কৰাৰ লক্ষ্য তেওঁলোকৰ।

প্ৰকাশ্যভাৱে নাট্যকাৰে এই তিনিগৰাকী সন্ত্ৰাসবাদীৰ স্বৰূপ, পৰিচয় আমাৰ আগত দাঙি ধৰা নাই, কিন্তু অনুমান কৰিব পাৰি ইংৰাজে শাসন কৰা পৰাধীন ভাৰতক যেতিয়া জাপান মিত্ৰ শক্তিয়ে আক্ৰমণ কৰিছিল তেতিয়া সুভাষ বসুৰ নেতৃত্বত আজাদ হিন্দ ফৌজে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। গান্ধীজীৰ অহিংস আন্দোলনৰ মূল নীতি নৈতিকভাৱে সমৰ্থন কৰিও আন্দোলনৰ পদ্ধতি সমৰ্থন নকৰা এচামে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ জৰিয়তে দেশক স্বাধীন কৰাৰ সপোন দেখিছিল। বিদেশী ইংৰাজে এনে পৰিস্থিতিত বহিঃশত্ৰুক প্ৰতিৰোধৰ বাবে দেশবাসীক আহ্বান জনোৱাৰ মুহূৰ্তত গান্ধীজীৰ অহিংস স্বাধীনতা সংগ্ৰামী অধিকাংশই দোধোৰ-মোধোৰ অৱস্থাত পৰিছিল। তেনে সময়তে সম্পূৰ্ণ কমিউনিষ্ট আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ এচামে ভাৰতীয় মানুহৰ অৰ্থনৈতিক আৰু বৌদ্ধিক পূৰ্ণ স্বাধীনতাৰ বাবেও সন্ত্ৰাসবাদী কাৰ্যৰ লগত লিপ্ত হৈ পৰিছিল। কিন্তু নাট্যকাৰ ড° শইকীয়াই এই নাটকখনত তাৎপৰ্যপূৰ্ণভাৱে এওঁলোকক দলীয় নামকৰণ দিয়াৰ পৰা বিৰত থাকি দলটোৰ নেতা ভাস্কৰৰ মুখেৰে কিছু ইংগিতধৰ্মী সংলাপ দিছে এনেধৰণে— "যিখন যুদ্ধৰ কাৰণে আকাশত দিনে-নিশাই উৰাজাহাজ উৰিছিল, সেইখন যুদ্ধৰ পৰা উভতি অহা সৈন্য নহও। আমি এনেকুৱা এখন যুদ্ধৰ সৈনিক, যিখন যুদ্ধ এই মহাযুদ্ধৰ আঁৰে আঁৰে গোটেই দেশত বিয়পাই দিয়াৰ ব্যৱস্থা হৈছে। আৰু ইতিমধ্যে বিয়পি গৈছেও। এই যুদ্ধ দেশৰ মুক্তিৰ কাৰণে, দেশৰ শান্তিৰ কাৰণে। এদল মানুহে আমাক এটা নাম দিছে— সন্ত্ৰাসবাদী। আমি আপত্তি কৰা নাই। যুগমীয়া শান্তি অহাৰ আগমুহূৰ্তত যদি সন্ত্ৰাসৰ সৃষ্টি হয়, তেন্তে সেই সন্ত্ৰাসৰ কলংক মূৰ পাতি ল'বলৈ আমি সন্মত হৈ আছোঁ। এই তিনিজন মানুহ, এই তিনিজন মানুহ আজি দহ বছৰে পাহাৰ-পৰ্বত, হাবি-জংগলৰ মাজে মাজে অবৰ্ণনীয় কষ্টৰ মাজেৰে ঘূৰি ফুৰিছোঁ। আমি সকলো এৰিছোঁ। সমুখত ৰাখিছো কেৱল এটা উদ্দেশ্য। কেৱল এটা।"



নিজকে সন্ত্ৰাসবাদী বুলি অভিহিত কৰা এই তিনিজনীয়া দলটিয়ে দ্বিতীয় মহাযুদ্ধৰ সপক্ষে বা বিপক্ষেও অস্ত্ৰ ধৰা নাই। 'যি যুদ্ধই মানুহক বচাব পাৰে, আমি গোটেই জীৱন দি সেই যুদ্ধ কৰিছোঁ' বুলি আকৌ দলটোৰ জ্যেষ্ঠ সদস্য মনোহৰৰ মুখেৰেও কোৱাইছে। কিন্তু ভাস্কৰৰ আন এটি সংলাপে এই সন্ত্ৰাসবাদী কেইজন তদানীন্তন কমিউনিষ্ট আদৰ্শৰ মুক্তি সেনানী যেন ভাব হয়, - 'নাই, যুদ্ধ শেষ হোৱা নাই। যিবোৰ মানুহক গোলাম কৰিবলৈ গুলীয়াগুলী কৰিছিল, সিহঁতৰ গুলীৰ বল কমিছে। কিন্তু যিবোৰ দুৰ্ভগীয়া গোলামে মুকলি হ'বলৈ বিচাৰিছে, সিহঁতৰ কাৰণে যুদ্ধ শেষ হ'বলৈ বহুত দিন আছে।'

আচলতে এই তিনিগৰাকী সন্ত্ৰাসবাদীৰ মূল লক্ষ্য, আদৰ্শ যিয়েই নহওক— নাট্যকাৰে কায়দাকৈ তথাকথিত সন্ত্ৰাসবাদী হিচাপে ইয়াত অংকন নকৰি বহু পৰিমাণে আদৰ্শবাদী সন্ত্ৰাসবাদী হিচাপেহে তিনিটা চৰিত্ৰ উপস্থাপন কৰিব বিচাৰিছে। নাট্যকাৰৰ মূল উদ্দেশ্য সন্ত্ৰাসবাদীৰ আৰু সাধাৰণ মানুহৰ আন্তঃসংঘাত সৃষ্টি কৰি মানৱতাবাদী দৃষ্টিভংগীৰ চিৰন্তন সত্যক প্ৰতিষ্ঠা কৰা। মানৱতাবাদী ভাবাদৰ্শ, চিৰাচৰিত ভাব-অনুভূতিৰ শ্বাশ্বত প্ৰকাশ যেন বিজুলী। সন্ত্ৰাসৰ কলীয়া ডাৱৰৰ মাজত এচাটি বিজুলীয়ে জগত পোহৰাই তোলাৰ দৰে এই নাটকৰ সন্ত্ৰাসবাদী ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পটভূমিত ৰজা হ'বলৈ নিবিচাৰি দেশৰ প্ৰত্যেকজন মানুহক নিজ দেশৰ চকীদাৰ হোৱাৰ বাবে এক সুকীয়া সাম্যবাদী আদৰ্শৰ সন্ত্ৰাসবাদী বুলি কোৱাই যুগুত হ'ব। পুনৰ ভাস্কৰৰ মুখেৰে শুনক,— 'আমি বিচাৰিছোঁ প্ৰত্যেকজন মানুহ চকীদাৰ হওক। কিন্তু নিজৰ দেশৰ চকীদাৰ হওক। দিনে-নিশাই নিজৰ দেশক নিজে পহৰা দিয়ক। তাৰ কাৰণে যদি কিছুমানক ঈশ্বৰে বিচাৰে, নিয়ক, লৈ যাওঁক। গোসাঁনীক বলি লাগে লওক। তাৰ পাছত বাকী থকাবোৰক গোসাঁনীয়ে শান্তি দিয়ক।' (দ্বিতীয় দৃশ্য)

প্ৰতিজ্ঞাত আবদ্ধ হৈ মনোহৰ, ভাস্কৰ আৰু মৃণালে দেশৰ চকীদাৰ হ'বলৈ, গোসাঁনীৰ বলি হ'বলৈ আহি বিজুলীৰ সমুখত নিজকে মানুহ বুলি পৰিচয় দিবলৈকে যেন নাট্যকাৰে 'এজাক জোনাকীৰ জিলমিল' নাটকখন ৰচনা কৰিছে। নাটকৰ চকীদাৰ, চকীদাৰণী, মনোহৰ, ভাস্কৰ, মৃণাল আৰু বিজুলী এই ছয়টা চৰিত্ৰই জোনাকীয়ে বাটৰুৱাক এন্ধাৰ পথৰ সন্ধান দিয়াৰ দৰে আমাকো যেন জীৱন সংগ্ৰামৰ প্ৰকৃত পথৰ সন্ধান দিবলৈ প্ৰযত্ন কৰিছে। প্ৰতিজ্ঞাত আবদ্ধ হৈয়ো প্ৰত্যেকে

মানৱতাবাদী দৃষ্টিভংগীৰ সমুখত নিজকে পৰাজিত সৈনিক হিচাপে নিজ পথৰ পৰা আঁতৰি আহিবলৈ দুৰ্বলতা প্ৰকাশ কৰিছে। মনোহৰে একমাত্ৰ নিজ ছোৱালীজনীক চোৱাৰ একান্ত হেঁপাহ, শেষলৈকে নিজ আদৰ্শত অটল হৈ থকা ভাস্কৰেও পৰিশেষত হতাশ হৈ নিজ ল'ৰা-ছোৱালীৰ ওচৰলৈ যাবলৈ কৰা আকুলতা, বিজুলীৰ সৈতে এক নতুন জীৱনৰ পৰিকল্পনাত ক্ষন্তেকৰ বাবে আত্মবিভোৰ মৃণাল— এই আটাইবোৰ চৰিত্ৰ যে তেজ-মঙহৰ মানুহ ইয়াকেই প্ৰতিপন্ন কৰাত নাট্যকাৰে সফলতা অৰ্জন কৰিছে। 'পাঁচো আঙুলিয়ে কয় বুঢ়াই হেঁচুকিলেহে যায়'— এই আপ্তবাক্য অনুসৰি নিজ ছোৱালীক চোৱাৰ বাবে ভাস্কৰৰ সৈতে তৰ্কত লিপ্ত হোৱা মনোহৰে পৰিশেষত ভাস্কৰ আৰু মৃণালক চম্ভালি লৈ নিজ কৰ্তব্যৰ প্ৰতি অগ্ৰসৰ হৈছে। এই সন্ত্ৰাসবাদীসকল যিহেতু তথাকথিত সন্ত্ৰাসবাদী নহয় নিজ দেশক চকীদাৰী কৰাহে সেয়ে নাট্যকাৰে কল্যাণকামী বাৰ্তাৰে মানৱতাবাদৰ প্ৰকৃত সত্যৰ ইংগিত প্ৰোথিত কৰি নাটিকাখনৰ আঁৰকাপোৰ আকস্মিকভাৱে পেলাই দিছে।

## (চ) চৰিত্ৰ চিত্ৰণ ঃ

নাটক এখনৰ চৰিত্ৰ চিত্ৰণেই হৈছে গুৰুত্বপূৰ্ণ দিশ। প্ৰকৃততে নাট্যকাৰে এটি কাহিনীৰ মূল বাৰ্তা অথবা নিজস্ব দৃষ্টিভংগী দৰ্শকক ক'বলৈ বিচাৰে সেইদৰে চৰিত্ৰ নিৰূপন কৰি চৰিত্ৰসমূহৰ পটভূমি, সংলাপ আদিৰ যথাযথ প্ৰয়োগৰ লগতে চৰিত্ৰটোক অধিক গুৰুত্ব দিব লাগে। চৰিত্ৰ চিত্ৰণ বুলি কওঁতে নাট্যকাৰে নাটকৰ অন্যান্য আংগিকৰ ওপৰতো সমানে দৃষ্টি ৰাখিব লাগে। ভাষা বা সংলাপে চৰিত্ৰ চিত্ৰণত বিশেষ ভূমিকা পালন কৰে।

'এজাক জোনাকীৰ জিলমিল' নাটিকাখনৰ চৰিত্ৰ হৈছে ছয়টা। এই ছয়টা চৰিত্ৰৰ বুঢ়া চকীদাৰ আৰু চকীদাৰণী আৰু তেওঁলোকৰ একমাত্ৰ জীয়েক বিজুলী। আনফালে যাঠি বছৰীয়া মনোহৰ, ভাস্কৰ আৰু মৃণাল- এই দুগৰাকী যুৱক— সৰ্বমুঠ ছয়টা চৰিত্ৰ একেলগ হৈছে বিশেষ লক্ষ্য উদ্দেশ্যত। প্ৰথম পক্ষ আলহী আপ্যায়নত ব্যস্ত, আনটো পক্ষই নিজৰ নিৰপত্তাৰ প্ৰতি সতৰ্ক হৈ সন্ত্ৰাসমূলক কাম সম্পন্ন কৰাত সদা সচেতন। বিছটা ৰাইফল আৰু পাঁচটা ৰিভলভাৰৰ প্ৰশ্ন জড়িত হৈ থকা তিনিগৰাকী সন্ত্ৰাসবাদীয়ে লুকুৱাই ৰখা মানবীয় সত্ত্বাক 'বিজুলী'ৰ সমুখত কেনেদৰে উদঙাই দিবলগীয়া হ'ল— ইয়াৰ এক মোহনীয় চিত্ৰায়ণেই হৈছে নাটিকাখনৰ মূল বুনিয়াদ।



চকীদাৰ-চকীদাৰণী এক গতানুগতিক চৰিত্ৰ। দুয়ো কেনেদৰে সংসাৰ পাতিবলগীয়া হ'ল ইয়াৰ কৌতুহল উদ্দীপক বিৱৰণো দুয়োৰে সংলাপৰ মাজত নিহিত হৈ আছে। কলেজৰ সৰহভাগ ছাত্ৰীয়ে দি থৈ যোৱা পুৰণি চাদৰ-মেখেলা, শাৰী আদিৰ উপহাৰৰ প্ৰসংগ উত্থাপন, ছোৱালী কলেজখনৰ পৰিবেশ চিত্ৰণৰ মাজেৰে দুয়োটি চৰিত্ৰ সুন্দৰভাৱে খাপ খাই পৰিছে। ল'ৰাজন ঢুকোৱাৰ পাছত একমাত্ৰ অৱলম্বন হৈ পৰা বিজুলীক লৈ দুয়ো সাধাৰণ মাক-বাপেকৰ দৰে ব্যস্ত। চকীদাৰ-চকীদাৰণীৰ সাংসাৰিক জীৱনৰ বাস্তৱ অথচ সজীৱ চিত্ৰৰ নমুনাৰ মাজেৰে দুয়োৰো চাৰিত্ৰিক বৈশিষ্ট্য কেনেদৰে নাট্যকাৰে ফুটাই তুলিছে চাওক;—

চকীদাৰ ঃ কলেজৰ ছোৱালীবোৰৰ পৰা সিকিটো-আধলিটো, ব্লাউজটো— এইবোৰ লৈ লৈ তোৰ স্বভাৱটো বেয়া হ'ল। বাৰু চা, তই কোঠালিটো চা, মই মানুহকেইজনক লৈ আহোঁগে.....।

যেতিয়া তেওঁলোকে গমপালে যে বিজুলীৰ বান্ধৱী মালিনী মনোহৰৰ ছোৱালী তেতিয়া তেওঁলোকে তাইক কলেজলৈ মাতি পঠিয়াইছে একমাত্ৰ পিতৃ-মাতৃসুলভ মনোভাবেৰে। এই লৈ যেতিয়া পুলিচ বিষয়া মোমায়েকসহ কলেজৰ দুৱাৰমুখলৈ মালিনী অহা বুলি ভাস্কৰে গম পালে তেতিয়া স্বাভাৱিকভাৱে ধনৰ লোভত তেওঁলোকক ধৰিবলৈ বিশ্বাসঘাটকতা কৰা বুলি অভিযোগ উত্থাপন কৰাত হতভম্ব হৈ পৰিছে চকীদাৰ-চকীদাৰণী। নাট্য-মুহূৰ্ত চাওক ; —

ভাস্কৰ ঃ পুলিচ ! [গৰ্জি; ৰিভলভাৰ তুলি] বুজিছো [চকীদাৰক] কেইটামান টকাৰ লোভত আপোনালোকে এই কাম কৰিছে ! আপোনালোকে পুলিচ মাতি আনিছে? ইমানেই যদি টকাৰ খঁক—

চকীদাৰণী ঃ নহয়, নহয়; তাই নাজানে ইয়াত কোন আছে। মই তাইক বিজুলীয়ে মাতিছে বুলি কৈছিলোঁ। গধুলি হ'ব বুলিহে লগত মোমায়েক আহিল। টকাৰ খঁক আমাৰ নাই বোপা। এনেকুৱা অধৰ্ম আমি নকৰোঁ। আমাৰো ছোৱালী আছে।

চকীদাৰৰ জটিল জীৱনৰ সহজ-সৰল স্বীকাৰোক্তি প্ৰকাশ পাইছে এই সংলাপৰ দ্বাৰা—

এই সংসাৰ মই আৰ্জি লৈছোঁ। এই সংসাৰৰ পৰা মোক
০ এই সংসাৰ মই আৰ্জি লৈছোঁ। এই সংসাৰৰ পৰা মোক বঞ্চিত কৰি ৰজা পাতিলেও মই আকৌ চকীদাৰ হ'বলৈকে উভতি আহিব লাগিব। মই সংসাৰৰ শাওপাত খোৱা ৰজা হ'ব নোৱাৰোঁ।

চকীদাৰে কলেজখনৰ আটাইবোৰ ছোৱালীকে নিজৰ ছোৱালী বুলি ভৱা কথাষাৰে চৰিত্ৰটিৰ বহল মনোভাৱৰ কথাকেই ইংগিত কৰিছে এনেদৰে; —

চকীদাৰ : (উৎফুল্ল হৈ ) ল'ৰা-ছোৱালী? আছে। থাকোঁতেতো কলেজখনৰ আটাইমখা ছোৱালীয়েই আমাৰ নিজৰ ছোৱালী। তাৰ মাজতে আমাৰো ছোৱালী এজনী আছে।

নাটিকাখনৰ কেন্দ্ৰীয় চৰিত্ৰ তথা আটাইতকৈ মোহনীয় চৰিত্ৰ হৈছে বিজুলী। চকীদাৰ-চকীদাৰণীৰ ছোৱালী বিজুলী। তাইৰ ঘৰ-সংসাৰ তথা পৰিবেশ সম্পৰ্কে এক মৰ্মস্পৰ্শী চিত্ৰ অংকন কৰাত নাট্যকাৰ সফল হৈছে। তিনিগৰাকী ভিন্ন বয়সৰ ভিন্ন চৰিত্ৰৰ মনোজগতত ধুমুহাৰ সৃষ্টি কৰা বিজুলী বয়স আৰু অভিজ্ঞতাৰ কৰ্ষণত এগৰাকী গহীন-গম্ভীৰ নাৰী। মাক-দেউতাকে কাম কৰা কলেজতেই চকীদাৰ-চকীদাৰণীৰ জীয়াৰী হিচাপে পৰিচিত বিজুলী যে স্নাতকৰ দৰ্শন (Philosophy)ৰ মেধাবী ছাত্ৰী সেয়া তেওঁৰ কথা-বতৰাৰ মাজেৰে প্ৰকাশিত হৈছে। চকীদাৰণীৰ ছোৱালী চকীদাৰণী এই ধাৰণা নস্যাৎ কৰি দিবলৈ প্ৰযত্ন কৰিছে মনোহৰ, ভাস্কৰ আৰু মৃণালে। কাৰণ চোকা ছোৱালী এজনীক এই আখ্যা দিয়াটো তেওঁলোকৰ মতে অযুক্তিকৰ। কিন্তু বিজুলীৰ মৰ্মভেদী স্বকীয় স্বীকাৰোক্তি পঢ়ক; —

বিজুলী : সেই কাৰণে আপুনি নাজানে এইখন কলেজত পঢ়া ছশজনী ছোৱালীৰ প্ৰত্যেকজনী মোতকৈ কিমান বেছি ধুনীয়া। সিহঁতক কিহে ধুনীয়া কৰে জানে? যিটো বাটেদি সিহঁত অহা-যোৱা কৰে, সেই বাটৰ দুয়োকাষে সিহঁতক ধুনীয়া কৰে। বয়সৰ উল্লাসে সিহঁতক ধুনীয়া কৰে। এই বিচিত্ৰ চহৰখনৰ চুক-কোণবোৰৰ পৰা বুটলি অনা টুকুৰা-টুকুৰ তৃপ্তিবোৰে সিহঁতক ধুনীয়া কৰে। [হঠাতে উত্তেজিত হয়]



আৰু মোৰ কি হয় জানে? মই যেতিয়া ফাৰ্ষ্ট ইয়েৰত আছিলো তেতিয়া এখন পাটৰমেখেলাৰ কাৰণে ফ'ৰ্থ ইয়েৰৰ ছোৱালীৰ মুখলৈ চাই থাকিব লাগিছিল। ফ'ৰ্থ ইয়েৰৰ ছোৱালীয়ে যদি মাৰ হাতত এযোৰপুৰণা কাপোৰ দি যায়, তেনেহ'লে সেইযোৰ কাপোৰ পিন্ধিবলৈ মই সেইজনী ছোৱালীয়ে কলেজ এৰি যোৱালৈ বাট চাই থাকিব লাগিছিল। তাই কলেজত থাকোঁতেই পিন্ধিবলৈ লাজ লাগিছিল। আৰু মই যেতিয়া কলেজৰ ফ'ৰ্থ ইয়েৰত পঢ়োঁ, মই কাৰো কাপোৰ পিন্ধিবলৈ বাট চাব নালাগে। কলেজখনৰ প্ৰকাণ্ড ইটাৰ দেৱাল পাৰ হৈ, ছোৱালী কলেজ বুলি লিখি থোৱা সেই প্ৰকাণ্ড ছাইনব'ৰ্ডখনৰ তলেদি সৰকি, মোক কোনেও ধুনীয়া বুলি ক'বলৈ নাহে। আজিলৈকে কোনো অহা নাই। আপুনি বিশ্বাস কৰিবনে? মই ক'ব পৰাত, আপোনালোক আমাৰ প্ৰথম আলহী, আৰু আপোনালোকৰ মুখতেই মই প্ৰথম শুনিলো— মই বোলে ধুনীয়া।

সন্ত্ৰাসজৰ্জৰ, যুদ্ধকালীন পৃথিৱীখনৰ অন্য এক বৈশিষ্ট্য বিজুলীয়ে অতি সুন্দৰভাবে আমাৰ আগত উপস্থাপন কেনেদৰে কৰিছে চাওক ; —

বিজুলী : ঠিক আছে। এতিয়া যুদ্ধ শেষ হ'ল। উভতি আহিল। এতিয়া চাওক, যুদ্ধৰ কটা-কটি, মৰা-মৰি, চিঞৰ-বাখৰৰ বাহিৰেও এখন মৰম কৰিব পৰা শান্ত পৃথিৱী আছে। যুদ্ধৰ উৰাজাহাজৰ বাহিৰেও এই পৃথিৱীৰ আকাশত পখিলাৰ নিচিনা ৰঙীণ উৰিব পৰা বস্তু আছে। আৰু ক'লৈকো যাব নালাগে। এইবাৰ থাকি যাওক।

এটা খৰাহীত এখৰাহী কল, সুমথিৰা আদি ফল লৈ নতুন সাজ পিন্ধি আলহী সাক্ষাৎ দামোদৰ এই মনোভংগীৰে বিজুলীয়ে অকল তিনিটা উগ্ৰ চৰিত্ৰকেই সন্মোহিত কৰা নাই— কৰিছে দৰ্শককো। সেয়ে মনোহৰৰ দৃষ্টিত বিজুলী লক্ষ্মীৰ সাজত গোসাঁনী। 'আলহীৰ পৰা পইচা লৈ আলহী সুধিব নাপায়' এই সনাতনী

ভাৰতীয় আদৰ্শৰ ছোৱালী বিজুলী। যেতিয়া তাই নিজৰ গাৰ স্কাৰ্ফখন কোঠাতেই থৈ খন্তেক সময় বাহিৰলৈ গৈছিল তেতিয়া সেই স্কাৰ্ফখনৰ মাজেৰে ক্ৰমাৎ জীয়েক, ঘৈণীয়েক আৰু প্ৰেমিকাৰ সুগন্ধেৰে ব্যাকুল কৰি তুলিলে মনোহৰ, ভাস্কৰ আৰু মৃণালক। এই তিনিটা চৰিত্ৰই ইমানসময়ে পিন্ধি থকা সন্ত্ৰাসবাদৰ চোলাটো খুলিবলৈ ইন্ধন যোগালে বিজুলীৰ স্কাৰ্ফখনে। সেয়ে দলটোৰ নেতা ভাস্কৰে চিৎকাৰ কৰি উঠিছে— 'তুমি এখন কোমল পৃথিৱীৰ ৰূপ লৈ আমাৰ মাজলৈ আহিছা। এই মুহূৰ্তত তোমাক আমি ভয় কৰো বিজুলী। তুমি যোৱা।'

এতিয়া বিজুলীৰ প্ৰতিক্ৰিয়া শুনক;

বিজুলী : ঠিক আছে। মই যাওঁ। মোৰ ৰূপ আছে নে নাই মই ক'ব নোৱাৰোঁ। মোৰ মৰম আছেনে নাই সেইটো বিচাৰ কৰি চোৱাৰ সুবিধা মই পোৱা নাই। কিন্তু মোৰ যৌৱন আছে; সেইটো মই জানো। মোৰ এই যৌৱনৰ আদৰ বিচাৰি মই কলেজৰ চাৰিসীমা পাৰ হৈ বাহিৰলৈ ওলোৱা নাই। চাৰিসীমাৰ দেৱালৰ ভিতৰত, শামুকৰ খোলাৰ মাজত সোমাই আছোঁ। এই দেৱাল পাৰ হৈ কোনেও মোৰ যৌৱনৰ স্বীকৃতি জনাবলৈ নাহে। আজি আপোনালোক আহিল; আপোনালোকে মোৰ যৌৱনক অপমান কৰি গুচি যাওক। মই বেয়া নাপাওঁ। ইয়ো মোৰ কাৰণে সম্পত্তি হৈয়েই ৰ'ব।

এটা দিনৰ বাবেও গৃহস্থ হ'ব নোৱাৰাৰ দুখত কান্দিব খুজিও বিজুলীয়ে নাকান্দিলে যদিও তিনিটা ভিন্ন চৰিত্ৰৰ লগতে দৰ্শককো কন্দুৱাইছে এনেদৰে,—

০ এটা দিনৰ কাৰণেও মই আপোনালোকৰ গৃহস্থ হ'ব নোৱাৰিলোঁ। কিন্তু মই এনেকুৱা এখন সংসাৰত থাকোঁ,— য'ত এটা সন্তানমৰিলে এহাল মানুহ পংগু হৈ যায়। য'ত পাঁচশজনী গাভৰু ছোৱালীয়ে এজনী গাভৰু ছোৱালীক সদায় চাৰিখন দেৱালৰ মাজত এৰি থৈ গুচি যায়। আৰু দিনৰ পাছত দিন সেই ছোৱালীজনীয়ে অকণমান বৈচিত্ৰ্য, অকণমান উত্তাপৰ কাৰণে উন্মুখ হৈ থাকে। [কান্দো কান্দো হৈ এক মুহূৰ্ত ৰয়] মই আজি আপোনালোকৰ আগলৈ আহি যিখিনি অপকাৰ কৰিলোঁ, তাৰ কাৰণে মোক ক্ষমা কৰিব।



তাৰপাছৰ গৰাকী বিজুলী চঞ্চলা-চপলা গাভৰু নহয়। মাক-দেউতাকক পৰিস্থিতিৰ ভয়াবহ সম্পৰ্কে কোনো কথা জানিবলৈ নিদি তাই পৰিস্থিতি চম্ভালি লৈছে। ক্ষন্তেক সময়ৰ বাবে হ'লেও 'সৰু ল'ৰা' মৃণালক হৃদয়ৰ একোণত স্থান দিলেও তেওঁ বিৰহ-বেদনাৰ বান বিধৌত, মথাউৰি ভাঙিবলৈ দিয়া নাই। তিনিওটা চৰিত্ৰক এখন কোমল, শান্ত পৃথিৱীৰ ক্ষণিক সোৱাদ দি নামে-কামে বিজুলীয়ে মানৱীয় চিৰন্তন সত্যকেই দৰ্শকৰ আগত প্ৰতিষ্ঠা কৰিবলৈ বিনম্ৰ চেষ্টা কৰিছে মাথো। 'এজাক জোনাকীৰ জিলমিল' পোহৰৰ কেন্দ্ৰীয় উৎস যেন বিজুলী !

নাটিকাখনৰ আন এটি গুৰুত্বপূৰ্ণ পুৰুষ চৰিত্ৰ হৈছে যাঠিৰ উৰ্ধৰ মনোহৰ নামৰ চৰিত্ৰটি। দেশ আৰু জনতাৰ মুক্তিৰ বাবে নিজৰ পত্নী আৰু সন্তানক এৰি থৈ অহা মনোহৰে বিজুলীক দেখি বিজুলীৰ স্কাৰ্ফখনৰ উম লৈ নিজ গাভৰু ছোৱালীজনীক পোৱাৰ আকুলতা, যেতিয়াই গমপালে যিটো কোঠাত তেওঁলোক আছে সেই কোঠাটোতেই তেওঁৰ ছোৱালী মালিনীয়ে বিজুলীৰ সৈতে দৰ্শনৰ পাঠ গ্ৰহণ কৰে-তেতিয়া কুৰুক্ষেত্ৰ যুদ্ধৰ ভীষ্ম সদৃশ মনোহৰ হৈ পৰিছে নিজ ছোৱালীজনীক এবাৰ চোৱাৰ, লগ পোৱাৰ তীব্ৰ আকাংক্ষাৰ এগৰাকী সাধাৰণ তেজ-মঙহৰ মানুহ-এজন সন্তান মোহগ্ৰস্ত পিতৃ! ভাস্কৰৰ কঠোৰ ভাবুকিয়েও টলাব পৰা নাই মনোহৰক ; —

মনোহৰ : ভাস্কৰ, তই জান,— তোৰ প্ৰতিটো কথা আমি বিশ্বাস কৰোঁ। আমি বুজোঁ। কিন্তু এটা কথা ভাবি চা। তহঁত ডেকা মানুহ। তহঁতৰ গছৰ আগমান বয়স আছে। মই মনে-প্ৰাণে বাঞ্ছা কৰিছোঁ— এই যুদ্ধত এদিন নহয় এদিন আমাৰ জয় হ'ব। দহ বছৰৰ পাছত হ'লেও তই তোৰ ল'ৰা-তিৰোতাৰ ওচৰলৈ উভতি যাবি। কিন্তু ভাস্কৰ, মই ? [নিজকে দেখুৱাই] চা, মই বুঢ়া মানুহ। মইতো সেইটো দিনলৈ জীয়াই নাথাকোঁ!এতিয়া মই মোৰ ছোৱালীজনীৰ পৰা আধা মাইল দূৰতে আছোঁ। আজি সন্ধিয়াৰ পৰা এই দূৰত্ব এমাইল-এমাইলকৈ বাঢ়ি যাব। কোনে জানে ভাস্কৰ, সেই দূৰত্ব হয়তো মই জীয়াই থকা দিনকেইটাৰ ভিতৰত আকৌ কেতিয়াও নকমে। কোনে জানে এইটোৱেই হয়তো মোৰ কাৰণে শেষ সুবিধা। মোক তাইক চাবলৈ দে। মই আকৌ গুচি যাম।

তই জান, মোৰ প্ৰতিজ্ঞা মই ৰাখি আছোঁ। এইটো প্ৰতিজ্ঞাও মই ৰাখিম। তাইক চাবলৈ দে ভাস্কৰ, চাবলৈ দে !

নিজৰ ছোৱালী মালিনী যি ঠাইত কালি বহি পাঠ গ্ৰহণ কৰিছিল সেই ঠাইতে বহি মালিনীক এবাৰ চোৱাৰ বাবে ৰৈ থকা মনোহৰৰ কাৰুকাৰ্য নাট্যকাৰে মৰ্মস্পৰ্শী মঞ্চ নিৰ্দেশনাৰে সজাই তুলিছে। কিন্তু যেতিয়াই মনোহৰে গম পালে কলেজৰ দুৱাৰমুখত তেওঁৰ ছোৱালী মালিনীৰ সৈতে পুলিচ বিষয়া মোমায়েকো আহিছে-তেতিয়া নিজ ছোৱালীক চোৱাৰ তীব্ৰ আকাংক্ষা দমন কৰি এগৰাকী অভিজ্ঞ ব্যক্তি হিচাপে মনোহৰে পৰিস্থিতি চম্ভালি লৈছে। ইতিমধ্যে সন্ত্ৰাসৰ চোলা সোলোকাবলৈ বুটাম খুলিবলৈ আৰম্ভ কৰা ভাস্কৰ আৰু মৃণালক পলাবলৈ সক্ষম কৰি নিজেও ওলাই আহিবলৈ সাজু হৈছে।

মনোহৰ : মৃণাল, আহ। বস্তুবোৰ ল। [সকলোৱে চায়] পলম নকৰিবি। ব'ল, সময় নাই। আই, তাইক, মালিনীক মোৰ কথা একো নক'বা। মই আকৌ আহিম। ইয়াতকৈ বহুত ভালকৈ আহিম। কাইলৈ তুমি তাইক মৰম কৰিবা। মই আশীৰ্বাদ কৰি গ'লো,— তাইক ঈশ্বৰে ভালে ৰাখক। [অলপ দুৰ গৈ, উভতি আহি] আৰু তোমাকো মই আশীৰ্বাদ কৰিলোঁ। সুখে থাকা।

বিজুলীৰ পাছতেই নাট্যকাৰে অধিক গুৰুত্ব দিয়া চৰিত্ৰটো হৈছে ভাস্কৰ। সন্ত্ৰাসবাদী দলটোৰ নেতা ভাস্কৰ নিজ লক্ষ্য আৰু উদ্দেশ্যত অচল-অটল। বিজুলী নামৰ এগৰাকী গাভৰুৱে যেতিয়া বুঢ়া মনোহৰ আৰু ডেকা মৃণালক সন্ত্ৰাসৰ লক্ষ্মণৰেখা অতিক্ৰম কৰোৱালে তেতিয়া ভাস্কৰ উত্তেজিত হৈ উঠিল। ৰাইফল আৰু ৰিভলভাৰ লুট কৰাৰ লক্ষ্যৰে কলেজৰ কোঠাত আশ্ৰয় লোৱা ভাস্কৰ যেন আৰম্ভণিৰ পৰা সক্ষম এগৰাকী অভিজ্ঞ সন্ত্ৰাসবাদী;

- যুদ্ধত লাগি থাকোঁতে অভ্যাস হৈ গৈছে, য'তে থাকো ত'তে অন্ততঃ দুটা ৰাস্তা মুকলি ৰাখিব লাগে। এটা আগবঢ়াৰ আনটো পিছপৰাৰ। কেৱল ধৰাপৰাৰ ৰাস্তাটো বন্ধ ৰাখিব লাগিব।



হাবিৰ বেল, কঁঠাল খাবলৈ ভয় নকৰা ভাস্কৰে বিজুলীয়ে চকুৰ সমুখতে দাঙি ধৰা সুমথিৰা, কল দেখি ভয় খাইছে। ভাস্কৰৰ মুখত ব্যঞ্জনাধৰ্মী সংলাপ প্ৰয়োগৰ মাজেৰে নাট্যকাৰে চৰিত্ৰটোৰ সৃষ্টিশীল দিশটোও ফুটাই তুলিবলৈ সমৰ্থ হৈছে এনেদৰে ; —

- (সমুখৰ সুমথিৰাটোলৈ দেখুৱাই) এইবোৰক, এই সুমথিৰা, এই পকা ৰং, এইবোৰলৈ মই ভয় কৰোঁ। তহঁতেও জান আমাৰ কাম আছে, কিন্তু আমাৰ সময় নাই।
- তুমি ইয়াৰ পৰা যোৱা। তুমি বেয়া নাপাবা। মই তোমাক ফ'ৰ্থ ইয়েৰত পঢ়া বিজুলী ছোৱালীজনী বুলি ইয়াৰ পৰা যাবলৈ কোৱা নাই। আমাৰ কাৰণে তুমি কেৱল বিজুলী নামৰ ছোৱালী এজনী নোহোৱা। তুমি,— তুমি এখন কোমল পৃথিৱীৰ ৰূপ লৈ আমাৰ মাজলৈ আহিছা। এই মুহূৰ্ততোমাক আমি ভয় কৰোঁ বিজুলী। তুমি যোৱা।
- এটা কথা কওঁ শুনা। সুবিধা কৰি দিলে জেলৰ ভিতৰত কয়দীয়েও এখন সংসাৰ পাতিব। যৌৱনৰ মায়া, জীৱনৰ মোহক সিহঁতে ভাবিব,— সংসাৰ সেইখনেই। কিন্তু এখন মুক্ত, প্ৰকৃত সুখী সংসাৰ গঢ়াৰ কাৰণে যিবোৰে চেষ্টা কৰিছে, সিহঁতক বাটৰ পৰা পিছলাই আনিবৰ অধিকাৰ জেলৰ কয়দীৰ নাই, তোমাৰো নাই। তোমাৰ ৰূপ আছে, যৌৱন আছে, মৰম আছে ; সেয়ে তোমাৰ এটা অপূৰ্ব শক্তিও আছে। কিন্তু সেই শক্তিৰ জালেৰে আমাক মেৰিয়াই ধৰাৰ তোমাৰ কোনো অধিকাৰ নাই। তুমি মনত ৰাখিবা বিজুলী; আমি দুদিনীয়া বস্তুৰ ব্যৱসায় কৰিবলৈ গোটেই জীৱন উছৰ্গা কৰি ওলাই অহা নাই।

ভাস্কৰ কঠোৰপন্থী হ'লেও এগৰাকী অভিজ্ঞ ব্যক্তি। যেতিয়াই তেওঁ গম পালে তেওঁৰ কথাই বিজুলীৰ যৌৱনক আঘাত দিছে লগে লগে তেওঁ এগৰাকী অভিজ্ঞ সংগ্ৰামী সত্বাৰে বিজুলীক কি কৈছে চাওক ; —

০ নহয় নহয়; তুমি ভুল নুবুজিবা বিজুলী। কোনো মূৰ্খই যৌৱনক অপমান নকৰে। কেৱল আজি দিনটোৰ তোমাৰ আতিথ্যই নহয়, এই যে তোমাৰ অকণমান অভিমান, আমাৰ নিচিনা নিঠৰুৱা মানুহৰ কাৰণে সেইকণেই বহুমূলীয়া সম্পদ হৈ থকা উচিত। কিন্তু আচল কথা কি জানা? আমি এনেকুৱা এটা বাটত খোজ কাঢ়িছোঁ, যিটো বাটত আমাক হাজাৰ-হাজাৰ যৌৱনৰ শক্তি লাগে; কিন্তু এটা যৌৱনৰ দুৰ্বলতাও নালাগে।

বিজুলী আৰু মৃণালৰ গঢ়ি উঠা অনুৰাগৰ জগতখন ভাঙি দিবৰ প্ৰয়াসেৰে ভাস্কৰে সন্ত্ৰাসবাদীৰ দৃষ্টিত পুলিচ কেনে আৰু ইয়াৰ ভৱিষ্যত সম্পৰ্কেও বুদ্ধিদীপ্ত ভাষ্য দিছে এনেদৰে—

০ মিছা কথা। কোনেও তোক আশ্ৰয় দিব নোৱাৰে। মায়াৰ জালেৰে কোনোবাই তোক লুকুৱাই ৰাখিব পাৰে; তোক কণা কৰিব পাৰে; কিন্তু পুলিচক কণা কৰিব নোৱাৰে। পুলিচৰ কাৰণে মায়াৰ জাল অচল। যেতিয়ালৈকে পুলিচৰ কাৰণে এখন নতুন দেশ তৈয়াৰ কৰিব নোৱাৰ, তেতিয়ালৈকে তোৰ কাৰণে নতুন সংসাৰ বোলা বস্তু এটা নাই। আঁঠুৱাতলৰ মহৰ স্বাধীনতাৰে তই জীয়াই থাকিবি, আৰু কোনোবা এটা মুহূৰ্তত মৰি থাকিবি। তই নিজেও মৰিবি, আৰু লগতে— [হঠাৎ তাৰ বিপদৰ কথা মনত পৰে] নাই নাই মৃণাল, তই এনেকুৱা কৰিব নোৱাৰ। তোৰ বহুত কাম আছে। তোৰ প্ৰয়োজন আছে।

কিন্তু বিজুলীয়ে মনোহৰ, মৃণালৰ দৰে সন্ত্ৰাসবাদীৰ হৃদয় ক্ষন্তেক সময়ৰ বাবে থান বান কৰি দিয়াৰ দৰে ৰিভলভাৰৰ ভয় দেখুৱাই মনোহৰ আৰু মৃণালক নিজ পথলৈ ঘূৰাই অনাৰ বাবে বৃথা চেষ্টা কৰা ভাস্কৰো যে তেজ-মঙহৰ মানুহ সেয়া প্ৰতিপন্ন হ'বলৈ বেছি সময় নালাগিল। জ্যেষ্ঠ মনোহৰৰ আবেগ বিহ্বল আকুলতাত পিন্ধি থকা সন্ত্ৰাসৰ চোলাটোৰ বুটাম খুলিবলৈ আৰম্ভ কৰিলে এনেদৰে—

০ দহ বছৰ মই তোৰ লগে-লগে, তোৰ গাৰ ছাঁৰ নিচিনাকৈ আছোঁ। তই বহুতদিন কান্দিছ, বহুত চিঞৰ-বাখৰ কৰিছ; আৰু আজি



তই মোক সুধিবলগীয়া হৈছে, মোৰ ল'ৰা-তিৰোতা থকাটো হয়নে নহয়? [উত্তেজিত হৈ] মোৰ অন্তৰ নাই? মোৰ কান্দিবলৈ মন নাযায়? নিৰ্জন হাবিৰ গছপাতৰ ওপৰত বিছনা পাৰি লৈ যেতিয়া মই পৰি থাকোঁ, তেতিয়া মোৰ কান্দি-কান্দি ক'বলৈ মন নাযায়।

০ মই হোমৰ জুইক সাক্ষী কৰি এজনী আলফুলীয়া ছোৱালীক বিয়া কৰিছিলোঁ;— আমি তিনিটা বছৰত এখন অকণমান সংসাৰ পাতিছিলোঁ; আমাৰ এটা পুতলাৰ নিচিনা ল'ৰা হৈছিল?

কোঠাৰ বাহিৰত এজাক ল'ৰা-ছোৱালীৰ কণ্ঠস্বৰ শুনি আবেগ বিহ্বল ভাস্কৰৰ অকপট স্বীকাৰোক্তি শুনক ;—

০ যাওঁ বিজুলী। তুমি ৰঙীন পখিলাৰ কথা কৈছিলা নহয়? এনেকৈয়ে আমাৰ জীৱনৰ ৰঙীন পখিলা পলাই যায়। মই জানো, তোমালোকে মোক নুবুজিলা। তোমালোকে বুজিলা, মই কেৱল ৰাইফলৰ লগত লেনদেন কৰোঁ। কিন্তু তোমালোকে কোনেও নুবুজিলা, [বিজুলীৰ হাত এখনত ধৰি]— এনেকুৱা এখন কোমল হাতে মোক দিনে-নিশাই হাত বাউল দি মাতি থাকে। অথচ কোনো দিনাই মই সেই হাতৰ সঁহাৰি দিব পৰা নাই। মই দুৰ্বল, মই কাপুৰুষ। তোমালোকে এই কলেজৰ চাৰিসীমাৰ ইটাৰ দেৱালৰ নিচিনা মোৰ বাহিৰখন দেখিলা। কিন্তু তোমালোকে দেখা নাই,— সেই দেৱালৰ ভিতৰত তোমাৰ নিচিনা এখন কোমল অন্তৰে অকণমান মমতা বিচাৰি হাঁহাকাৰ কৰি থাকে। যাওঁ বিজুলী। আমি আকৌ আহিম। তোমালোক গৃহস্থ মানুহ। তোমালোকৰ ওচৰলৈ আমি এদিন আহিবই লাগিব।

কলেজৰ ইটাৰ দেৱালৰ মাজত থকা কোমল পৃথিৱীত কোমল হৃদয়ৰ উম ল'বলৈ ভাস্কৰে পুনৰ উভতি অহাৰ প্ৰতিশ্ৰুতি বিজুলীক দিয়াৰ পাছতেই

নাটিকাখনিৰ যৱনিকা পৰিছে। ভাস্কৰ চৰিত্ৰৰ আৰম্ভণিৰ পৰা শেহলৈকে নাট্যকাৰে যিধৰণে অংকন কৰিছে-এয়া সঁচাই অপূৰ্ব দক্ষতা বুলিবই লাগিব। ভাস্কৰৰ শেষ সংলাপখিনিয়েই যেন নাট্য-বাৰ্তা এই কথা বুজিবলৈ সৰহ সময় আমাক নালাগে।

নাটখনিৰ আনটো চৰিত্ৰ মৃণাল; মৃণাল দলটোৰ ভিতৰতেই ডেকা ল'ৰা। অৰ্থাৎ সৰু ল'ৰা। মনোহৰে নিজৰ সংলাপৰ মাধ্যমেৰে মৃণাল আৰু বিজুলীক আৰু অধিক ওচৰ চপাই দিছে। বিজুলীৰ ৰূপ আৰু ব্যক্তিত্বই মৃণালক আবেগ অনুভূতিৰ কোমল পৃথিৱীখনলৈ যেন অহৰহ হাত বাউল দি মাতি আছে। মৃণালে অতি সহজেই এই কণ্টকময় জগতৰ পৰা আঁতৰি অহাৰ বাবে ইচ্ছা প্ৰকট কৰিছে—

০ বুঢ়া, তই ঘৰ-সংসাৰ কৰি পাইছ। তোৰ এজনী ছোৱালী আছে। আৰু তই, ভাস্কৰ, তয়ো পৃথিৱীৰ বহুত দেখিছ। হোমৰ জুইৰ কাষত বহি এজনী ছোৱালী বিয়া কৰিছ। তোৰ এটা ল'ৰা আছে। কিন্তু মই একো দেখা নাই ভাস্কৰ। পিছলৈ উভতি চালে মই মাক দেখা নাপাওঁ, দেউতাক দেখা নাপাওঁ, আৰু আগলে চাব খুজিলে তহঁতে মোক চাবলৈ নিদিয়। আমি এবাৰ জন্ম লওঁ আৰু এবাৰ মৰোঁ। মোক এৰি দে ভাস্কৰ। [কান্দে]

হাবিত, পৰ্বতত ডাঙৰ হোৱা মৃণালে মাকৰ পাছতেই পোনপ্ৰথম নাৰী দেখিছে বিজুলীক। প্ৰতিজ্ঞাবদ্ধ নিজৰ সংগ্ৰামী সত্ত্বাৰ প্ৰতিও মৃণাল সজাগ। কিন্তু মনোহৰৰ মানৱীয় আকুলতাৰ বিপৰীতে ভাস্কৰৰ কঠোৰ সকীয়নিত অতীষ্ঠ মৃণালে ভাস্কৰৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হৈছে এনেদৰে— জানো মোৰ প্ৰয়োজন আছে। [অধীৰ হৈ] কিন্তু মই কি পাম? কোনোবাই কৰবাত কেতিয়াবা মুকলি দেশ এখনত মনৰ সংসাৰ পাতিব; পুলিচৰ লগত বহি তই একেলগে ভোজ খাবি; কিন্তু মই কি পাম? সেইদিনা মই জীৱনৰ, সংসাৰৰ কিবা চাবলৈ পাম বুলি তই মোক প্ৰতিশ্ৰুতি দিব পাৰিবি? নোৱাৰ। তই একো প্ৰতিশ্ৰুতি দিব নোৱাৰ। সেই কাৰণে তই আৰু মোক ধৰি ৰাখিবও নোৱাৰ।

বিজুলীৰ গাৰ স্কাৰ্ফখন যেতিয়া ভাস্কৰে গাত লৈছে তেতিয়া সহজাত ঈৰ্ষাপৰায়ণ হৈ ভাস্কৰক টান কথা শুনোৱা মৃণাল নাটকখনৰ এক মনোৰম চৰিত্ৰ। বিজুলীকো নতুন জীৱনৰ অৰ্থ শিকিবৰ বাবে বাট মুকলি কৰি দিয়া মৃণালৰ চৰিত্ৰটিৰ মাজেৰেই নাট্যকাৰে মানৱ জীৱনৰ মোহনীয় দিশটোক প্ৰতিফলিত কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰিছে।



## (ছ) ভাষা আৰু সংলাপ ঃ

নাটকৰ মূল প্ৰাণ হৈছে ভাষা আৰু সংলাপ। এক কথাত ভাষা আৰু সংলাপক নাটকৰ তেজ-মঙহ বুলিও আখ্যা দিব পাৰি। কাৰণ নাটকৰ ভাষা আৰু সংলাপৰ ব্যৱহাৰৰ মাজেদি প্ৰত্যেকটো চৰিত্ৰৰ প্ৰকৃত বৈশিষ্ট্য ওলাই পৰে। চৰিত্ৰানুৰূপ ভাষা আৰু সংলাপেই হৈছে এখন নাটকৰ প্ৰধান উপজীব্য।

'এজাক জোনাকীৰ জিলমিল' নাটিকাৰ মূল চৰিত্ৰ হৈছে মাত্ৰ ছয়টা। এই ছয়টা চৰিত্ৰৰ বুঢ়া চকীদাৰ আৰু পত্নী চকীদাৰণীৰ বয়স ক্ৰমে ষাঠি আৰু পছপন্ন। মনোহৰৰ বয়সো ষাঠি বছৰ। ভাস্কৰ আৰু মৃণালৰ বয়স ক্ৰমে পয়ত্ৰিছ আৰু সাতাইছ। বিজুলীৰ বয়স প্ৰায় বিছ বছৰ। বয়স অনুপাতে ভাষা, সংলাপ ব্যৱহাৰত নাট্যকাৰ ড° শইকীয়া সদা সতৰ্ক। তাৰ উপৰি প্ৰবচন, খণ্ডবাক্য, জতুৱা ঠাচ, অলংকাৰ আদি ব্যৱহাৰৰ মাজেদি নাট্যকাৰে চৰিত্ৰসমূহৰ ব্যক্তিত্ব আমাৰ আগত প্ৰকাশ কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰিছে।

অভাৱৰ মাজত থাকি তিনিগৰাকী আলহী আহিব বুলি জানি চকীদাৰ বেছি চিন্তিত হোৱা নাই। কিন্তু চিন্তিত হৈছে চকীদাৰণী। সেয়ে তেখেতৰ স্বভাৱজাত সংলাপৰ নমুনা চাওক; —

০ স্বভাৱ বেয়া হ'ল ! দুটা মানুহৰ ভিতৰত চাৰিকুৰি দহ টকা উপাৰ্জন কৰিবা। জুই যেন বজাৰৰ পৰা বস্তু কিনি ঘৰ চলাবা; কলপুলি বঢ়াদি বাঢ়ি অহা গাভৰু ছোৱালীজনীক খুৱাবা, পিন্ধাবা ; তাৰ পাছতো তোমাৰ স্বভাৱটো ভালে থাকে কেনেকৈ? ..... আজি আলহী তিনিজন সুধিবলৈ মন কাণ নকৰা। চাম নহয়, কেইদিন এনেকৈ থাকা! ছোৱালীৰ বাপেক হোৱা যদি নিজেই আলহী মাতি আনিবা।

কন্যাদায়গ্ৰস্ত পিতৃ-মাতৃৰ স্বাভাৱিক সংলাপ ব্যৱহাৰৰ পাছতেই নাট্যকাৰে মনোহৰৰ দৰে বয়োজ্যেষ্ঠ ব্যক্তিগৰাকীৰ নিজ ছোৱালীৰ প্ৰতি থকা মোহ, খোৱাৰ প্ৰতি মোহ নাট্যকাৰে সুন্দৰভাৱে প্ৰকট কৰিছে এনেদৰে—

মনোহৰ ঃ হয়। মোৰ মৰিবৰ দিন গণিবৰ সময় হৈছে। মই বুঢ়া হৈছোঁ। কিন্তু তই জান, মোৰ এটা সন্তান আছে। তাই যদি কৰবাত

ভাস্কৰ : [স্থিৰ দৃষ্টিৰে চাই থাকি] আজিৰ কাম আজিয়েই হ'ব লাগিব। [ৰৈ] এটা কথা বুঢ়া। কাম নকৰিবলৈ পালে ময়ো ভাল পালোহেঁতেন। কিন্তু কাম আমি কৰিবই লাগিব। [মৃণালে ফাইল উলিয়ায়] যুদ্ধ শেষ হৈছে; যুদ্ধক্ষেত্ৰ এৰি দলে-দলে সৈন্যবোৰ উভতি গৈছে। এইখিনি অত্যন্ত জৰুৰী সময়।

[মৃণালৰ পৰা ফাইল এটা লৈ আহে। ফাইলটো লৈ বেঞ্চত বহে। ফাইল খোলে।] পৰহিলৈ আমি যিকণ সময় পাম, তাৰ প্ৰত্যেকটো মুহূৰ্ত কামত লগাব লাগিব। তাৰ লগত অন্ততঃ বিছটা ৰাইফল আৰু পাঁচটা ৰিভলভাৰৰ প্ৰশ্ন জড়িত হৈ আছে। আমি ইয়াত লখিমীৰ হাতৰ সুমথিৰা খাই থাকিলে জংগলৰ মাজৰ সেই সৰু ষ্টেছনটোত ৰেলখন ৰৈ নাথাকে। আহ, ওচৰ চাপি আহ।

ভাস্কৰ : শুনা বিজুলী; যিখন যুদ্ধৰ কাৰণে আকাশত দিনে-নিশাই উৰাজাহাজ উৰিছিল, আমি সেইখন যুদ্ধৰ পৰা উভতি অহা সৈন্য নহওঁ। আমি এনেকুৱা এখন যুদ্ধৰ সৈনিক, যিখন যুদ্ধ এই মহাযুদ্ধৰ আঁৰে-আঁৰে গোটেই দেশত বিয়পাই দিয়াৰ ব্যৱস্থা হৈছে। আৰু ইতিমধ্যে বিয়পি গৈছেও। এই যুদ্ধ দেশৰ মুক্তিৰ কাৰণে; দেশৰ শান্তিৰ কাৰণে। এদল মানুহে আমাক এটা নাম দিছে; — সন্ত্ৰাসবাদী। আমি আপত্তি কৰা নাই। যুগমীয়া শান্তি অহাৰ আগমুহূৰ্তত যদি সন্ত্ৰাসৰ সৃষ্টি হয়, তেন্তে সেই সন্ত্ৰাসৰ কলংক মূৰ পাতিল'বলৈ আমি সন্মত হৈ আছোঁ। এই তিনিজন মানুহ, এই তিনিজন মানুহ আজি দহ বছৰে পাহাৰ-পৰ্বত, হাবি-জংগলৰ মাজে মাজে অবৰ্ণনীয় কষ্টৰ মাজেৰে ঘূৰি ফুৰিছোঁ। আমি সকলো এৰিছোঁ। সন্মুখত ৰাখিছোঁ কেৱল এটা উদ্দেশ্য। কেৱল এটা।

এজন নিষ্ঠাবান সন্ত্ৰাসবাদী ভাস্কৰে যেতিয়া সতীৰ্থ মনোহৰ আৰু মৃণালে সাংসাৰিক মোহত আচ্ছন্ন হৈ উভতি অহাৰ ইচ্ছা পৰিহাৰ কৰিলে তেতিয়াই শেষ মুহূৰ্তত তেৱোঁ হৈ পৰিল এগৰাকী মানুহ-তেজ-মঙহৰ মানুহ।

[মনোহৰক] বেচ কথা ! চা, চা এতিয়া। [মনোহৰক]

ভাস্কৰ : [বলিয়াৰ দৰে হৈ] বেচ কথা ! চা, চা এতিয়া। [মনোহৰক] গোটেই জীৱনটো জেলত পচি মৰাৰ আগতে জীয়েৰক হেঁপাহ পলুৱাই চাই ল। [মৃণালক] পাত, তই সংসাৰ পাত। সকলোতো ঠিকেই হৈ আছে ! আমি উৰুলি দিওঁ। কিন্তু মই ? মই কি কৰো ? মাত্ৰ আধা মাইল দূৰত মোৰ তিৰোতা আছে। সৌ তাত খেলি থকা ল'ৰাবোৰৰ নিচিনা এটা ল'ৰা আছে।

এই নাটিকাখনৰ মূল সত্ত্বা নিহিত হৈ আছে বিজুলী নামৰ চৰিত্ৰটোৰ মাজত। গাভৰু হ'লেও বিজুলী চৰিত্ৰটিৰ মুখত দিয়া ভাষা আৰু সংলাপে চৰিত্ৰটোৰ গহীন-গম্ভীৰ, মোহনীয় ব্যক্তিত্ব ফুটাই তুলিবলৈ সক্ষম হৈছে। স্নাতকৰ দৰ্শনৰ ছাত্ৰী হিচাপে প্ৰত্যুৎপন্নমতী বিজুলীৰ মুখৰ কেইটিমান সংলাপেই ইয়াৰ বাবে যথেষ্ট ঃ

বিজুলী ঃ সেই কাৰণে আপুনি নাজানে এইখন কলেজত পঢ়া ছশজনী ছোৱালীৰ প্ৰত্যেকজনী মোতকৈ কিমান বেছি ধুনীয়া। সিহঁতক কিহে ধুনীয়া কৰে জানে ? যিটো বাটেদি সিহঁত অহা-যোৱা কৰে, সেই বাটৰ দুয়োকাষে সিহঁতক ধুনীয়া কৰে। বয়সৰ উল্লাসে সিহঁতক ধুনীয়া কৰে। এই বিচিত্ৰ চহৰখনৰ চুক-কোণবোৰৰ পৰা বুটলি অনা টুকুৰা-টুকুৰ তৃপ্তিবোৰে সিহঁতক ধুনীয়া কৰে। [হঠাতে উত্তেজিত হয়] আৰু মোৰ কি হয় জানে ? মই যেতিয়া ফাৰ্ষ্ট ইয়েৰত আছিলো তেতিয়া এখন পাটৰ মেখেলাৰ কাৰণে ফ'ৰ্থ ইয়েৰৰ ছোৱালীৰ মুখলৈ চাই থাকিব লাগিছিল। ফ'ৰ্থ ইয়েৰৰ ছোৱালীয়ে যদি মাৰ হাতত এযোৰ পুৰণা কাপোৰ দি যায়, তেনেহ'লে সেইযোৰ কাপোৰ পিন্ধিবলৈ মই সেইজনী ছোৱালীয়ে কলেজ এৰি যোৱালৈ বাট চাই থাকিব লাগিছিল। তাই কলেজত থাকোঁতেই পিন্ধিবলৈ লাজ লাগিছিল। আৰু মই যেতিয়া কলেজৰ ফ'ৰ্থ ইয়েৰত পঢ়োঁ, মই কাৰো কাপোৰ পিন্ধিবলৈ বাট চাব নালাগে।



কলেজখনৰ প্ৰকাণ্ড ইটাৰ দেৱাল পাৰ হৈ, ছোৱালী কলেজ বুলি লিখি থোৱা সেই প্ৰকাণ্ড ছাইনবৰ্ডখনৰ তলেদি সৰকি, মোক কোনেও ধুনীয়া বুলি ক'বলৈ নাহে। আজিলৈকে কোনো অহা নাই। আপুনি বিশ্বাস কৰিবনে ? মই ক'ব পৰাত, আপোনালোক আমাৰ প্ৰথম আলহী, আৰু আপোনালোকৰ মুখতেই মই প্ৰথম শুনিলো— মই বোলে ধুনীয়া।

বিজুলী ঃ ঠিক আছে। মই যাওঁ। মোৰ ৰূপ আছে নে নাই মই ক'ব নোৱাৰোঁ। মোৰ মৰম আছেনে নাই সেইটো বিচাৰ কৰি চোৱাৰ সুবিধা মই পোৱা নাই। কিন্তু মোৰ যৌৱন আছে; সেইটো মই জানো। মোৰ এই যৌৱনৰ আদৰ বিচাৰি মই কলেজৰ চাৰিসীমা পাৰ হৈ বাহিৰলৈ ওলোৱা নাই। চাৰিসীমাৰ দেৱালৰ ভিতৰত, শামুকৰ খোলাৰ মাজত সোমাই আছোঁ। এই দেৱাল পাৰ হৈ কোনেও মোৰ যৌৱনৰ স্বীকৃতি জনাবলৈ নাহে। আজি আপোনালোক আহিল; আপোনালোকে মোৰ যৌৱনক অপমান কৰি গুচি যাওঁক। মই বেয়া নাপাওঁ। ইয়ো মোৰ কাৰণে সম্পত্তি হৈয়েই ৰ'ব।

কলপুলি বঢ়াদি বাঢ়ি অহা গাভৰু ছোৱালী, মানুহৰ বুঢ়া হ'লে প্ৰকৃতি লৰে, কুকুৰৰ বুঢ়া হ'লে ফাপৰে ধৰে, আঁঠুৱা তলৰ মহ আদি প্ৰবাদ-প্ৰৱচন, নাটকীয় ভাষা আৰু সংলাপ ব্যৱহাৰ কৰি নাট্যকাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়াই এই নাটিকাখন অধিক মনোগ্ৰাহী কৰি তুলিছে।

## (জ) নাট্যকাৰৰ দৃষ্টিভংগী আৰু নাট্য-বাৰ্তা ঃ

মানুহ জন্মতেই সন্ত্ৰাসবাদী নহয়। পৰিবেশ আৰু পৰিস্থিতিয়েহে মানুহক সন্ত্ৰাসবাদী কৰে। সন্ত্ৰাসবাদীসকল তেজ-মঙহৰ মানুহ। দেশ আৰু ব্যক্তিৰ সৰ্বাত্মক স্বাধীনতাৰ বাবে প্ৰতিজ্ঞাবদ্ধ এচাম মুক্তি সেনানীৰ বাবেই বহু দেশ পৰাধীনতাৰ কবলৰ পৰা মুক্ত হৈছে। তেনে আদৰ্শবাদী তিনিগৰাকী সন্ত্ৰাসবাদী হৈছে মনোহৰ, ভাস্কৰ আৰু মৃণাল। নিজ ঘৰ, পৰিয়াল ত্যাগ কৰি দেশৰ মুক্তিৰ বাবে আত্মোৎসৰ্গা

কৰা এই তিনিগৰাকীৰ সমুখত বিজুলীৰ দৰে এগৰাকী সুন্দৰী যুৱতীক থিয় কৰাই দি নাট্যকাৰে সন্ত্ৰাসবাদীসকলৰ মানবীয়-সত্ত্বাক পুনৰ্নিৰীক্ষণ কৰাৰ বাবে সুবিধা প্ৰদান কৰিছে। তথাকথিত সন্ত্ৰাসবাদী হিচাপে তিনিওটা চৰিত্ৰ অংকন নকৰি বহু পৰিমাণে নাট্যকাৰে আদৰ্শবাদী উগ্ৰপন্থী সত্ত্বাক বুজিবলৈ নাট্যমোদীক সুবিধা কৰি দিছে। (নাটকৰ পটভূমি আৰু তিনিও সন্ত্ৰাসবাদী চৰিত্ৰ চাওক) সমাজৰ কল্যাণকামী, জীৱন-প্ৰত্যাশা আৰু মানৱ জীৱন দৰ্শন এই নাট্য-বাৰ্তা দিয়াৰ বাবেই যেন নাট্যকাৰে পৰিকল্পিত আৰু পৰিশীলিতভাবে উপস্থাপন কৰিছে 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনি। মানৱতাবাদী দৃষ্টিভংগীৰ উপৰি বিজুলী নামৰ নাৰী চৰিত্ৰটিৰ মাজেৰে নাট্যকাৰে নাৰী মনঃস্তত্ত্বৰ বহু গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত কৰিছে। কলেজৰ চাৰিবেৰৰ মাজত ছোৱালীবোৰৰ সৈতে থাকিও সম্পূৰ্ণ নিঃসংগ আৰু সীমাবদ্ধ হৈ থকা বিজুলী চৰিত্ৰ সঁচাকৈয়ে আমাৰ ডাৱৰীয়া আকাশৰ যেন এচমকা বিজুলী !

## (ঝ) দৃশ্য আৰু মঞ্চসজ্জা (সংগীত, পোহৰৰ উল্লিখনসহ) ঃ

নাটকখনৰ সৰ্বমুঠ দৃশ্য তিনিটা। প্ৰত্যেকটো দৃশ্যৰে মঞ্চসজ্জাও নাট্যকাৰে বিস্তৃতভাবে দিছে। নাটক যিহেতু পৰিৱেশ্য কলা সেয়ে পৰিবেশনৰ পাছতহে নাটকৰ সামগ্ৰিক মূল্যায়ন সম্ভৱ। সেয়ে এই নাটকখনৰ দৃশ্য আৰু মঞ্চসজ্জাও নাটকৰ এক গুৰুত্বপূৰ্ণ আংগিক। যিকোনো নাট্য পৰিচালকে এই নাট্য নিৰ্দেশনাৰ মাজেৰেহে নাটকখন উপস্থাপন কৰিব লাগিব।

নাটকৰ আৰম্ভণিতে নাট্যকাৰে স্পষ্টভাবেই উল্লেখ কৰিছে— প্ৰথম দৃশ্যৰ সময় দোকমোকালি, দ্বিতীয় দৃশ্যৰ সময় দুপৰীয়া আৰু তৃতীয় দৃশ্যৰ সময় আবেলি। এই হিচাপে পোহৰ নিয়ন্ত্ৰণ কৰাটো বাঞ্ছনীয়। ১৯৬১ চনত লিখা এই নাটকখন দ্বিতীয় মহাযুদ্ধৰ পাছত এছোৱা সময়ত (১৯৪৬-১৯৪৯ চনৰ মাজৰ) পৰিবেশ, সাজপাৰ আদিৰ প্ৰতি লক্ষ্য ৰাখি মঞ্চস্থ কৰাটো যুক্তিযুক্ত। অন্য এছোৱা সময়ৰ লগত খাপ খুৱাবলৈ যেন নাটকখনৰ সংলাপৰ পৰিবৰ্তন নহয়।

তাৎপৰ্যপূৰ্ণভাৱে এদিনৰ দোকমোকালি, দুপৰীয়া আৰু আবেলিৰ পৰিৱেশৰ সৈতে সংগতি ৰাখি নাট্যকাৰে প্ৰথম দৃশ্যত ছোৱালী মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাটোৰ সন্দৰ্ভতো সুকীয়া মঞ্চসজ্জাৰ নিৰ্দেশ দিছে। মঞ্চসজ্জাৰ সৈতে চৰিত্ৰসমূহৰ কাৰ্যৰো যে সম্পৰ্ক আছে এই মঞ্চসজ্জাৰ নিৰ্দেশ মন কৰিলেই যথেষ্ট ঃ



- বুঢ়ী চকীদাৰণীয়ে চকু মোহাৰিছে। তাৰপাছত তেওঁ কাপোৰখন (মিৰিজীন জাতীয় পুৰণি ডাঠ কাপোৰ) ভালকৈ ল'লে। চকীদাৰটোৱে ডেস্কখন অইনবোৰ ডেস্কৰ শাৰীত পোন কৰিলে। (প্ৰথম দৃশ্য)

- মৃণালে অবাক হৈ চায়। ভাস্কৰে বিৰক্তিৰে ঘূৰি চায়। মনোহৰে নিজৰ ৰসিকতাত নিজেই হাঁহে। বিজুলী আঁতৰি যায়। চকীদাৰ-চকীদাৰণীয়ে চোৱা-চুই কৰি হাঁহো হাঁহো কৰে। তেওঁলোকে মৃণাললৈ চায়। (প্ৰথম দৃশ্য)

মঞ্চসজ্জাৰ আন এটি গুৰুত্বপূৰ্ণ দিশ হৈছে শ্ৰেণীকোঠাৰ বেৰ আৰু ব্লেকবৰ্ডত লিখি থোৱা দৰ্শনৰ দুই এটি সংজ্ঞা। এই শ্ৰেণীকোঠাতেই ছাত্ৰী বিজুলী আৰু মনোহৰে দহ বছৰ ধৰি দেখা নোপোৱা নিজৰ ছোৱালী মালিনী পঢ়ে। দৰ্শনৰ কোঠাটোত লিখি থোৱা সংজ্ঞা আৰু পৰিবেশে অকল নাট্য-পৰিবেশকেই ফুটাই তোলা নাই, মানৱ জীৱন দৰ্শনৰো আভাস দিয়া হৈছে ; —

বিজুলী ঃ তাৰপাছত? (হাঁহি) তাৰপাছত ফিল'ছফিৰ কাম হ'ব আপোনাৰ আৰু মোৰ সম্পৰ্ক বিচাৰি উলিওৱা।

ভাস্কৰ ঃ (কথা ঘূৰোৱাৰ উদ্দেশ্যে) বিজুলী ; কলেজখনত এনেকুৱা কোঠালি কিমান আছে?

(বিজুলী আগবাঢ়ি আহে। মৃণালে অবাক দৃষ্টিৰে বিজুলীলৈ চাই থাকি আকৌ বৰ্ডৰফালে চায়। বিজুলী আৰু ভাস্কৰে কথা পাতি থাকোঁতে সিলেমটো হাতত লয় আৰু লেমৰ পোহৰত বেৰত লিখি থোৱা আখৰবোৰ চায়।)

দৃশ্যসজ্জাৰ সৈতে চৰিত্ৰটোৰ ৰূপসজ্জাৰ আভাস দিবলৈ নাট্যকাৰে পাহৰা নাই। দ্বিতীয় দৃশ্য সম্পৰ্কে নাট্যকাৰৰ মঞ্চ নিৰ্দেশনা চাওক ;

- মঞ্চৰ পোহৰ লাহে লাহে কমি আন্ধাৰ হৈ পৰে। সংগীত। অলপ পাছত লাহে লাহে মঞ্চ আকৌ পোহৰ হৈ আহে। এতিয়া দুপৰীয়া। খিৰিকি খোলা। এটা খৰাহীত এখৰাহী কল, সুমথিৰা

আদি ফল লৈ বিজুলী দুৱাৰমুখত থিয় হৈ আছে। তাই গা পা ধুই নতুন সাজ পিন্ধি আহিছে। তাই দেখিবলৈ ধুনীয়া হৈছে। মনোহৰে এখোজ দুখোজকৈ বিজুলীৰ ফালে আগবাঢ়ি খৰাহীটোলৈ চায়। ভাস্কৰে এবাৰ খৰাহীটোলৈ, এবাৰ বিজুলীলৈ চায়। দুৰৰ পৰা মৃণালে বিজুলীলৈ চাই থাকে। বিজুলীৰ মুখত মোহনীয়া হাঁহি। মনোহৰে এটা সুমথিৰা তুলি লয়।

নাটকখনৰ আন এক তাৎপৰ্য হৈছে বিজুলীৰ গাৰ স্কাৰ্ফখন। যিখন স্কাৰ্ফ তাই বাহিৰলৈ ওলাই যোৱাৰ বাবে কোঠাতেই থৈ গ'ল, সেই স্কাৰ্ফ সম্পৰ্কে নাট্যকাৰৰ নিৰ্দেশনা চাওক ;

০ [হাঁহি হাঁহি ওলাই যায়। বিজুলী নেদেখা হোৱাৰ পাছত তিনিওৰে চকু স্কাৰ্ফখনত পৰে। মৃণাল আৰু ভাস্কৰ দূৰৰ পৰা স্কাৰ্ফখনৰ ফালে আগবাঢ়ে; কিন্তু কাষতে থকা মনোহৰে আলফুলকৈ স্কাৰ্ফখন তুলি লয়। ভাস্কৰে টান মাৰি সেইখন লৈ লয়। মৃণাল থমকি ৰয়। ভাস্কৰে স্কাৰ্ফখন মুখত লগায় ; বৰ আগ্ৰহেৰে সেইখনৰ গোন্ধ লয়; তাৰ পাছত আলফুলকৈ গাত মেৰিয়াই লয়। মৃণাল আৰু মনোহৰে হতবাক হৈ চাই থাকে।]

সংগীত নাটকৰ অপৰিহাৰ্য আংগিক। নাটকীয় পৰিবেশ, চৰিত্ৰসমূহৰ আবেগ-অনুভূতি প্ৰকাশ কৰাৰ বাবে সংগীতেই প্ৰকৃষ্ট মাধ্যম। নাট্যকাৰে মঞ্চ নিৰ্দেশনাৰ সৈতে চৰিত্ৰৰ ৰূপসজ্জা, চৰিত্ৰৰ কাৰুকাৰ্য আৰু সংগীত একাকাৰ কৰিছে। তৃতীয় দৃশ্যৰ আৰম্ভণিৰ দৃশ্য আৰু মঞ্চ নিৰ্দেশনা চাওক ;

০ [চকীদাৰ-চকীদাৰণীয়ে গোটেই অৱস্থাটোলৈ চাই ওলাই যায়। মনোহৰে কান্দি থাকে। পোহৰ কমি শেষত মঞ্চ অন্ধকাৰ হৈ যায়। বুঢ়াৰ কান্দোন আন্ধাৰ আৰু সংগীতৰ মাজত হেৰাই যায়। অলপপাছত মঞ্চ লাহে-লাহে আকৌ পোহৰ হয়। লগে লগে যন্ত্ৰ সংগীতৰ মাজৰ পৰা বাহিৰৰ পথাৰত খেল-ধেমালি



কৰা দহ-বাৰ বছৰীয়া ল'ৰা-ছোৱালীৰ চিএঃৰ-বাখৰৰ শব্দ ডাঙৰ হৈ আহে। মঞ্চত বিজুলী বিমৰ্ষ হৈ বহি আছে। মৃণাল আগৰ ঠাইতে তলমূৰকৈ বহি আছে। মনোহৰে মুৰে-গায়ে কাপোৰ লৈ, আঁঠুৰ মাজত মুৰ সুমুৱাই বহি আছে। ভাস্কৰে বন্ধ খিৰিকিৰ কাষত থিয় হৈ কিবা ভাবিছে। ভালকৈ পোহৰ হোৱাৰ পাছত ভাস্কৰে বন্ধ খিৰিকিৰ ওচৰৰ পৰা মঞ্চৰ আগলৈ আহে। তাৰ মনত এটা সংঘৰ্ষ চলিছে। হঠাতে ল'ৰা-ছোৱালীৰ উল্লাসপূৰ্ণ চিঞৰ এটা ভাহি আহে। লগে লগে ভাস্কৰ ঘূৰে। খিৰিকিৰ ফালে আগবাঢ়ি গৈ মাজতে ৰয়, তাৰ পাছত লাহেকৈ ভয়ে ভয়ে খিৰিকিখন খোলে। বাহিৰৰ ল'ৰা-ছোৱালীবিলাকলৈ জুমি চায়। অলপ পাছত আকৌ খিৰিকিখন বন্ধ কৰি মাজলৈ গুচি আহে। হঠাতে সি যেন দৃঢ়প্ৰতিজ্ঞ হয়।]

নাট্য-পৰিবেশ মনোগ্ৰাহী কৰাৰ বাবে নাট্যকাৰৰ অন্য এক মঞ্চ-নিৰ্দেশনা চাওক; —

০ এক মুহূৰ্তৰ নিস্তব্ধতা। সেই নিস্তব্ধতাৰ মাজৰ পৰা মনোহৰৰ সৰু সৰু কান্দোনৰ শব্দ ওলাই আহে।

নাট্যকাৰ যেন একাধাৰে পোহৰ নিয়ন্ত্ৰক আৰু নিৰ্দেশকো। পোহৰে নাট্য-মুহূৰ্তক বাংময় ৰূপত তুলি ধৰাই নহয় নাট্য-দৰ্শনো পৰিস্ফুট কৰে। নাটিকাৰ একেবাৰে শেষৰ পিনে থকা মঞ্চ-নিৰ্দেশনালৈ মন কৰক; —

০ [ভাস্কৰ গুচি যায়। বিজুলীয়ে সেইফালে অলপ সময় চাই থাকে। তাৰ পাছত তাই বেঞ্চ এখনত বহে। মঞ্চৰ পোহৰ কমি আহে। অলপ পাছত লেম এটা লৈ চকীদাৰণী আহে।]

০ [চকীদাৰণী যায়। অলপ পাছত বিজুলীয়ে উঠি ড্ৰয়াৰৰ পৰা কাপোৰ এখন উলিয়াই ব'ৰ্ডখন মচিবলৈ দৰে। লাহে-লাহে মঞ্চ আন্ধাৰ হৈ আহে। কেৱল লেমটোৰ পোহৰ থাকে। লাহে লাহে আঁৰ কাপোৰে মঞ্চ আঁৰ কৰে।]

মঞ্চৰ পৰা পোহৰ একেবাৰে নাট্যকাৰে নাইকিয়া কৰা নাই। এটি লেম্পৰ পোহৰ শেষ মুহূৰ্তলৈকে মঞ্চত জ্বলাই ৰাখি নাট্যকাৰে নাটকীয় দৰ্শনৰ প্ৰতীকী ৰূপটো আমাৰ আগত দাঙি ধৰিছে। অন্ধকাৰৰ মাজত জোনাকীৰ জিলমিলৰ দৰে এন্ধাৰৰ মাজত লেম্পৰ ক্ষণিক আৰু ক্ষীণ পোহৰ মঞ্চত ৰাখি নাট্যকাৰে অকল জীৱন-প্ৰত্যাশাকেই প্ৰতিবিম্বিত কৰা নাই আমাৰ চিৰন্তন মানৱীয় দৰ্শনকো তুলি ধৰিবলৈ বিনম্ৰ প্ৰকাশ কৰিছে।

## (ঞ) সম্পাদনা সম্পৰ্কত ঃ

'এজাক জোনাকীৰ জিলমিল' নাটিকাখনি সুকীয়া নাটিকা হিচাপে প্ৰকাশ হোৱা নাছিল। একে শিৰোনামৰ এটি নাট্য সংকলনত এই নাটিকাখন অন্তৰ্ভুক্ত হৈ আছিল। সংকলনটি প্ৰকাশ কৰিছিল নলবাৰীৰ জাৰ্ণাল এম্পৰিয়াম নামৰ প্ৰকাশন সংস্থাটোৱে। নাট্যকাৰ ড° শইকীয়াৰ পত্নী শ্ৰীমতী প্ৰীতি শইকীয়া বাইদেউৰ পৰামৰ্শ অনুসৰি আমি সেই নাট্য সংকলনটিত সন্নিবিষ্ট নাটিকাখনকে মূল আধাৰ গ্ৰন্থ হিচাপে লৈছোঁ। বৰ্ণশুদ্ধিত হে আমি বিশেষ গুৰুত্ব দিছোঁ। মূল নাটিকাখনৰ আৰম্ভণিতে নাট্যকাৰে তিনিটা দৃশ্য উপস্থাপনৰ ইংগিত দিয়া বাবে আমি সুকীয়াকৈ সেই তিনিটা দৃশ্য সংযোগ কৰিছোঁ মাথোন। মূল নাটিকাখনৰ চৰিত্ৰসমূহৰ তালিকাত বিজুলী নামৰ চৰিত্ৰটো অনুপস্থিত। সেয়াও সংযোগ কৰি নাটিকাখনি সম্পাদিত ৰূপত পাঠক সমাজলৈ আগবঢ়োৱা হ'ল।

## ব্যক্তিগত ঃ

এখন যুগান্তৰকাৰী নাটক পুনৰ সুকীয়াকৈ প্ৰকাশ কৰিবলৈ দিয়াৰ বাবে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সহধৰ্মিনী শ্ৰীযুতা প্ৰীতি বৰুৱা বাইদেউ যিদৰে ধন্যবাদাৰ্হ একেদৰে প্ৰকাশক ব্ৰহ্মপুত্ৰ প্ৰকাশনো ধন্যবাদৰ পাত্ৰ। আৰ্হি অপনয়নত শ্ৰীমতী স্নিগ্ধা কটকীৰ সহযোগিতা, বেটুপাত অংকনত মনজিৎ ৰাজখোৱা আৰু অক্ষৰবিন্যাস-অংগসজ্জাত শ্ৰীমতী মনিমা চুলতানাৰ আন্তৰিক প্ৰচেষ্টাৰ বাবে আমাৰ শলাগ নিবেদিছোঁ এই ছেগতে।

ড° পৰমানন্দ ৰাজবংশী

*সম্পাদক*

১৭ মে' ২০১২ খ্ৰীষ্টাব্দ



## চৰিত্ৰসমূহ ঃ

| | | |
|---|---|---|
| মনোহৰ | ঃ | ডাঢ়ি-চুলিৰে ভোবোকাৰ মৰমিয়াল মানুহ। বয়স প্ৰায় ষাঠি বছৰ। |
| ভাস্কৰ | ঃ | ব্যক্তি সম্পন্ন মানুহ। বয়স প্ৰায় পঁয়ত্ৰিছ বছৰ। |
| মৃণাল | ঃ | ধুনীয়া ডেকা। বয়স প্ৰায় সাতাইছ বছৰ। |
| চকীদাৰ | ঃ | পৰিশ্ৰম কৰোঁতে-কৰোঁতে স্বাস্থ্য ভাগি যোৱা চেহেৰা। বয়স প্ৰায় ষাঠি বছৰ। |
| বুঢ়ী [চকীদাৰণী] | ঃ | বয়স প্ৰায় পঁচপন্ন বছৰ। বয়সতকৈ বেছি বুঢ়ী যেন দেখা যায়। |
| বিজুলী | ঃ | চকীদাৰৰ জীয়েক। বয়স প্ৰায় বিছ বছৰ। |

প্ৰথম দৃশ্যৰ সময় দোকমোকালি, দ্বিতীয় দৃশ্যৰ সময় দুপৰীয়া আৰু তৃতীয় দৃশ্যৰ সময় আবেলি। এই হিচাপে মঞ্চৰ পোহৰ নিয়ন্ত্ৰণ কৰাটো বাঞ্ছনীয়। ১৯৬১ চনত লিখা এই নাটকখন দ্বিতীয় মহাযুদ্ধৰ পাছৰ এছোৱা সময়ৰ (১৯৪৬-১৯৪৯ চনৰ মাজৰ) পৰিবেশ, সাজ-পাৰ আদিৰ প্ৰতি লক্ষ্য ৰাখি মঞ্চস্থ কৰাটো যুক্তিযুক্ত। অন্য এছোৱা সময়ৰ লগত খাপ খুৱাবলৈ যেন নাটিকাখনৰ সংলাপৰ পৰিবৰ্তন কৰা নহয়। — নাট্যকাৰ



## প্ৰথম দৃশ্য

### (সময় ঃ দোকমোকালি)

[এখন ছোৱালী কলেজৰ এটা ক্লাছ-ৰূম। দৰ্শকৰ চকুত পৰাকৈ এখন ব'ৰ্ড। ওচৰত প্ৰফেছাৰৰ চকী-মেজ। মঞ্চৰ সোঁফালে কেইশাৰীমান ডেস্ক আৰু বেঞ্চ। সময় দোকমোকালি। কোঠালিটোৰ ভিতৰত পোহৰ কম। আঁৰ-কাপোৰ আঁতৰ হোৱাৰ লগে লগে দেখা যায়,— বুঢ়া চকীদাৰটোৱে বেঁকা হৈ থকা ডেস্ক এখন এমূৰে ধৰি চোঁচোৰাইছে। বুঢ়ী চকীদাৰণীয়ে চকু মোহাৰিছে। তাৰ পাছত তেওঁ কাপোৰখন (মিৰিজীন জাতীয় পুৰণি ডাঠ কাপোৰ) ভালকৈ ললে। চকীদাৰটোৱে ডেস্কখন অইনবোৰ ডেস্কৰ শাৰীত পোন কৰিলে।]

চকীদাৰ ঃ হ'ব দে। থাকক আৰু ইয়াতে কোনোমতে। নহয় জানো?

বুঢ়ী ঃ জানো! খাট এখন নাই; বিছনা কৰি ল'বলৈ কাপোৰ এখন নাই;— ইয়াতনো আলহী থাকে কেনেকৈ?

চকীদাৰ ঃ তই কথাটো বুজা নাই। তেওঁলোক থাকিবলৈ অহা আলহী নহয়! ক'লে নহয় নুশুনিলি,
— দিনটো কোনোমতে বহি-শুই কটাব। গধূলিপৰত বোলে উজনিলৈ যোৱা ৰে'লৰ সময়। ৰেলত উঠি গুচি যাবগৈ।

বুঢ়ী ঃ নুশুনিম কিয়? শুনিছোঁ। সেই কাৰণেই কৈছোঁ— অইন হওক নহওক, মানুহকেইটাক দিনটো শোৱাৰ ব্যৱস্থাকণ কৰি দিব পৰা হ'লেও— !

চকীদাৰ ঃ পৰা হ'লেতো ভালেই আছিল। পাছে তয়ে কচোন, দিও বুলি ক'ৰ পৰা মই খাট এখন উলিয়াই দিও এতিয়াই? হয় বোলে ইটোৰ পিছত সিটোকৈ ঘৰখনলৈ আলহী-অতিথি আহিয়েই আছে, তেতিয়া হ'লেও মই সুকীয়া খাট, তক্তাপোছ কিবা এখন যোগাৰ কৰি ৰাখো। কিন্তু কচোন, আজি অতদিনে কোনসোপা আলহী আহিছে? মনত পৰাৰ ভিতৰত

সেই কোন কেতিয়াই তোৰ ভনীয়েৰজনী আহিছিল;— থাকিল, খালে, তহঁতৰ লগতে শুলে; তাৰ পাছত গুচি গ'ল। তাৰ পাছত আৰুতো আলহীৰ দেখা-দেখিয়েই নাই! [চকীদাৰে অইন এখন ডেস্ক ঠিক কৰাত লাগিল।]

বুঢ়ী : দেখিবা কেনেকৈ? ছোৱালী কলেজৰ চকীদাৰ হৈছা; দেওভূত সৰকিব নোৱৰা, সাত হাত ওখ ইটাৰ বেৰৰ মাজত সোমাই থাকিবা। তোমাৰ তালৈ আলহী কিয় আহিব? সেই বুলি আমি সিমান নিঠৰুৱা নহওঁ। অঙহী-বঙহীৰে দেশ জুৰি আছে; খবৰ দিলেই ভৰি পৰিবহি।

চকীদাৰ : [বুঢ়ীৰ কথাক তল পেলাই বেঞ্চ এখনৰ ইটো মূৰ দেখুৱাই দি] ধৰচোন ধৰ। [হাঁহি] হেঁ হেঁ হেঁ! এওঁৰ আলহীক আহিবলৈ আকৌ খবৰ দিব লাগে! ধৰ ধৰ, সেইটো মূৰ এইফালে ঘূৰাই আন।

বুঢ়ী : [বেঞ্চখন ধৰি] নহয় নহয়। এই কথাই কথা নহয়। এইবোৰ বেঞ্চ-ডেস্ক ভাল কৰিবলৈ মিস্ত্ৰি আহিলে কিবা এটা কৰাব লাগিব।

চকীদাৰ : বাৰু হ'ল যেনিবা; এখন নালাগে তিনিখন তক্তাপোছেই হ'ল; কিন্তু তই শুৱাবি কাক?

বুঢ়ী : [বিৰক্তিৰে] মানুহটো বলিয়াই নে বেঙাই জানো! বস্তু এটা কৰালে এনেয়ে পৰি থাকিবনে? ওলালহি নহয় এই তিনিজন মানুহ! তেওঁলোককতো দিনটো শান্তিৰে কটোৱাৰ উপায় এটা কৰি দিব পাৰিলোহেঁতেন! [বেঞ্চৰ মূৰটো পোনাই লৈ] আৰু আগৰ কথা বেলেগ। এতিয়া সেইজনী বিজুলী ইমানজনী হ'লহি। এতিয়া ঘৰখনত এপদ-দুপদ বস্তু যোগাৰ কৰা ভাল।

চকীদাৰ : [হাঁহি] অ' তোৰ জোঁৱায়েৰক শুৱাবলৈ বিছনা লাগে? হ'ব, হ'ব, হ'ব দে। এই চিন্তা নকৰিবি। ঈশ্বৰে তাইক



ভালে-কুশলে ৰাখক। মই এনেকুৱা পালেং গঢ়াম, বিছ বছৰলৈ চিকচিকাই থাকিব, চাবি। বাৰু সেইবোৰ পাছৰ কথা। এতিয়া যি কেইজন আলহী আহিছে, তেওঁলোকৰ মাজততো তোৰ জোঁৱায়েৰ নাই? গতিকে চিন্তা নকৰিবি। আৰু বহিব-শুবলৈও ইয়াততো একেবাৰেই একো নোহোৱা নহয়! চকী আছে, বেঞ্চ আছে, সেইবোৰকে জোৰা দি শুব আৰু!

বুঢ়ী : তুমি গছৰ ফেৰেঙণিত টোপনি যোৱা মানুহ; তোমাৰ কিটো আছে!

চকীদাৰ : থ থ! কিয়? সেইবাৰ সেই গান-বাজনাৰ সময়ত গোটেই দেশখনৰ চাৰিকুৰি-পাঁচকুৰি ছোৱালী আহি এইখন কলেজতে ছৰাতি থাকি যোৱা নাই? সিহঁতে লগত ক'ৰ তক্তাপোছসোপা লৈ আহিছিল অ'?

বুঢ়ী : ছোৱালী মানুহৰ কথা বেলেগ। আঁৰ-বেৰকেইখন ভাল হ'লে সিহঁতে মাটিয়ে-বালিয়ে পৰি থাকিব পাৰে। সিহঁতৰ কথাও বেলেগ, এনেকুৱা আলহীৰ কথাও বেলেগ।

চকীদাৰ : একেই একেই। এওঁলোকেও পাৰিব। মোক এওঁলোকে ক'লেই নহয়; ৰাস্তাৰ পৰা দূৰত, নিজঞ্জাল কোঠালি এটা হ'লেই হ'ল। নহ'লে কোনোবা হোটেললৈকে যাব পাৰিলেহেঁতেন। দেওবাৰ বুলি জানিহে ইয়াত সোমাইছে। গতিকে এওঁলোক তেনেকুৱা আলহী নহয়। আৰু এটা কথা নহয়; শুৱালি যেনিবা, কিন্তু খুৱাবি কি ক'চোন? তিনিটাকৈ মানুহ, খুৱাবৰ যোগাৰ আছে?

বুঢ়ী : নাই যদি নুখুৱাও। আৰু যদি খাও বুলি কয়, তাৰ যোগাৰ তেওঁলোকে কৰিব নহয়!

চকীদাৰ : অ'! তাৰ মানে তই তেওঁলোকৰ পৰা পইচা লবি?

বুঢ়ী : দিলে ল'ম। নলম কিয়?

চকীদাৰ : কলেজৰ ছোৱালীবোৰৰ পৰা সিকিটো-আধলিটো, ব্লাউজটো— এইবোৰ লৈ লৈ তোৰ স্বভাৱটো বেয়া হ'ল। বাৰু চা, তই কোঠালিটো চা, মই মানুহকেইজনক লৈ আহোঁগৈ।

[চকীদাৰ ওলাই যায়। বুঢ়ীয়ে মেজখনৰ ড্ৰয়াৰৰ পৰা কাপোৰ এটুকুৰা উলিয়াই দুবাৰমান জোকাৰে। তাৰ পাছত তেওঁ কাপোৰ টুকুৰাৰে বেঞ্চ মচিবলৈ ধৰে, আৰু নিজকে নিজে কৈ থাকে।]

বুঢ়ী : স্বভাৱ বেয়া হ'ল ! দুটা মানুহৰ ভিতৰত চাৰিকুৰি দহ টকা উপাৰ্জন কৰিবা; জুই যেন বজাৰৰ পৰা বস্তু কিনি ঘৰ চলাবা, কলপুলি বঢ়াদি বাঢ়ি অহা গাভৰু ছোৱালীজনীক খুৱাবা, পিন্ধাবা; তাৰ পাছতো তোমাৰ স্বভাৱটো ভালে থাকে কেনেকৈ? আৰু স্বভাৱ বেয়া হোৱানো কিটো দেখিলা? একুৰি বছৰে কলেজৰ ছোৱালীহঁতৰ লগত খেলি-মেলি কৰি কটালো। জাকে-জাকে আহিল; দুবছৰ, তিনিবছৰ, চাৰিবছৰকৈ থাকিল; মৰম লগালে, বুকুত সোমাল, আকৌ জাকে-জাকে গুচি গ'ল। বাটৰ পৰা সেৰে-সেৰে বাদাম আনি দিলো; বগৰী, জলফাই, তেতেলী খাবলৈ পোৱাই-পোৱাই নিমখ বিলালো। যাবৰ সময়ত সিহঁতে টকাটো, আধলিটো, চোলাটো, মেখেলাখন দি যায়; লওঁ, লৈ তোমাৰ জীয়েৰাকেই দিওঁ। ইয়াত আকৌ মোৰ স্বভাৱটো বেয়া হ'ল কেনেকৈ? আৰু সেইবোৰ বস্তু মই লগত লৈ যাবলৈ টোপোলা বান্ধি থৈ দিছোনে? তুমিয়েই খাইছা, তোমাৰ জীয়েৰায়েই পিন্ধিছে। [অলপ ৰয়। কোঠালিটোত কি কাম বাকী থাকিল চায়। তাৰ পাছত] বাৰু ! আজি আলহী তিনিজন সুধিবলৈ মন-কাণ নকৰা। চাম নহয়, কেইদিন এনেকৈ থাকা ! ছোৱালীৰ বাপেক হোৱা যদি নিজেই আলহী মাতি আনিবা।



[বুঢ়ীৰ পিছফালৰ পৰা চকীদাৰ সোমাই আহে। আহোঁতে তেওঁ কৈ আহে—]

চকীদাৰ : আহক সোমাই আহক।

[প্ৰথমে সোমাই আহে ভাস্কৰ। তেওঁ গহীন-গম্ভীৰ। সোমায়েই তেওঁ চাৰিওফালে চায়। দ্বিতীয়তে সোমাই আহে মৃণাল ; সিও আন এটা চুকলৈ গৈ চাল-বেৰ চায়। শেষত চুটি-চুটিকৈ খোজ পেলাই, অলপ-অলপ দৌৰি অহাৰ দৰে সোমাই আহে মনোহৰ বুঢ়া। তিনিওৰে হাতত বেগ, বিছনা, টোপোলা আদি।]

চকীদাৰ : ইয়াতে আপোনালোকে দুখে-কষ্টই দিনটো কটাব লাগিব। আমাৰ আৰু তেনেকৈ সুকীয়া ঘৰ-দুৱাৰ বুলিবলৈ নাই।

ভাস্কৰ : ঠিক আছে- ঠিক আছে; হ'ব।

মনোহৰ : [পাতল সুৰেৰে ডাঙৰকৈ] হ'ব হ'ব হ'ব। আজি অত বছৰৰ মূৰত এনেকুৱা এটা ঘৰৰ তলত মূৰ সুমুৱাবলৈ পাইছোঁ; লোকৰ মুখত নিজৰ মাত শুনিবলৈ পাইছোঁ; ইয়াতকৈ আৰু বেছি কি লাগিছে?

বুঢ়ী : আপোনালোক হ'বলা বহুত দিনৰ মূৰত ক'ৰবাৰ পৰা উভতি আহিছে?

মনোহৰ : [কথা পাতলাবলৈ চেষ্টা কৰি] মানে কথাটো হ'ল— আমি বহুদূৰ বাট আহিছোঁ; বহু কষ্ট কৰি আহিছোঁ। নিজৰ মানুহ বুলিবলৈ লগ পোৱা নাই। সেই কাৰণেই কৈছিলোঁ এইটো কোঠালিত দিনটো কটোৱাত আমাৰ অসুবিধা কি হ'ব? আমি গছৰ তলত ৰাতি কটোৱা মানুহ।

চকীদাৰ : [বুঢ়ীক] শুনিলি? মই কৈছিলোঁ নহয়। তই আকৌ মোকহে ক'ব।

ভাস্কৰ : কি? কি কৈছিল আপুনি?

চকীদাৰ : নাই একো নহয়। কিবা কথাত এই বুঢ়ীয়ে অলপ আগতে মোক গছৰ ফেৰেঙণিত টোপনি যোৱা মানুহ বুলি কৈছিল।

ভাস্কৰ : [বুঢ়ীক দেখুৱাই] এখেত? এখেত কোন?

চকীদাৰ : [উৎফুল্লিত হৈ হাঁহে] আমাৰ বুঢ়ী এৱেঁই। আমি বুঢ়া-বুঢ়ীহালেই চকীদাৰ-চকীদাৰণী হৈ কলেজখন ৰখি আছোঁ।

ভাস্কৰ : কিমান দিন হ'ল আপোনালোকৰ ইয়াত?

চকীদাৰ : কলেজখন আৰম্ভ হোৱা হ'ল ডেৰকুৰি বছৰ। কলেজলৈ ছোৱালী অহাৰ আগতে প্ৰফেছাৰ আহিছিল, আৰু প্ৰফেছাৰক চাকৰি দিয়াৰ আগতে চকীদাৰক চাকৰি দিছিল। সেই তেতিয়াৰ পৰাই আছোঁ। আছোঁ আছোঁৱেই। পাছে পোনতে মইহে আহিছিলোঁ।

ভাস্কৰ : বুঢ়ী আই হ'বলা পাছত আহিছিল?

চকীদাৰ : বুঢ়ী বহুত পাছত। কলেজখনৰ লগতে সৰু ছোৱালীৰ স্কুল এখনো আছে নহয়। বুঢ়ীয়ে আকৌ সেই তেতিয়া নৰহৰি উকীলৰ ল'ৰা-ছোৱালীকেইটা ৰাতিপুৱা থবলৈ আহে, আবেলি আকৌ নিবলৈ আহে। আহোঁতে-যাওঁতে ৰাতিপুৱা-আবেলি মোৰ তাতে তামোলখন, চাহটোপাৰ জুতি লৈ যায়।

ভাস্কৰ : হয় নেকি? তাৰ পাছত?

চকীদাৰ : সেই জুতি লওঁতে-লওঁতে শেষত ঘৰ ললে; আৰু মোৰ লগত ডেৰকুৰি বছৰ চাকৰি কৰি সেয়া বুঢ়ী হ'ল।

বুঢ়ী : এ কথাবোৰ কৈছে শুনা! লাজৰ ভু পায়নে নাপায় জানো! ক'বলৈ যদি লাজ নকৰা, সঁচা কথা ক'বলৈ লাজ কৰা কিয়? মই মুখ মেলিব লাগিলে কিন্তু সেইবোৰ লুকঢাক কৰিবলৈ নহ'ব।



চকীদাৰ : [বুঢ়ীক] ক, কচোন কি ক'বলৈ আছে? [ৰৈ] এ ! ক'ব নোৱাৰিলি কিয়? ক'বলৈ কিবা থাকিলেহে ক'বি !

বুঢ়ী : নক'ম কিয়? ক'ম। নৰহৰি উকীলৰ ঘৰত আধাসেৰ-আধাসেৰ গাখীৰ দিবলৈ গৈ বাটৰ বন কোনে মাৰিছিল? [ঘূৰি ভাস্কৰৰ ফালে] বুইছে, গৰু এজনী পুহিছিল। যি কণ গাখীৰ ওলায় তাকে নৰহৰি উকীলৰ ঘৰত বেচে। এবাৰ গৈ গাখীৰকণ দি আহিব; বাচনটো লগে-লগে লৈ আহিব পাৰে; নানে। বাচনটো অনাৰ চেলু লৈ গধূলি আকৌ এবাৰ যাব। সেয়াটো সেয়াই; তাৰ উপৰি কিমান কথা ! আজি ক'ব, — এইবোৰ নিজে ৰন্ধা ভাতৰ জুতি নোপোৱা হ'লো। কাইলৈ ক'ব,— তুমি আৰু কিমান লোকৰ ল'ৰা-ছোৱালীৰ জঞ্জাল মাৰি কটাবা?

চকীদাৰ : নক'বি অ' নক'বি। নিজৰ মনৰ কথা তেনেকৈ লোকৰ গাত ভেজা দি নক'বি।

মনোহৰ : [একেবাৰে বুঢ়ীলৈ চাই থাকি)] আপোনাৰ ডেৰকুৰি বছৰৰ আগৰ কথা মনত আছে?

চকীদাৰ : চাওকচোন বাৰু ! এনেয়ে মাইকী মানুহৰ মগজ !

বুঢ়ী : এ-হ ! মাইকী মানুহৰ মগজ ! কথা ক'বলৈ আহিছে !

ভাস্কৰ : [ম্লান হাঁহিৰে] আপোনালোকৰ এনেকুৱা কাজিয়া লাগিয়েই থাকে নেকি?

চকীদাৰ : নক'ব আৰু। এই তিৰোতাৰ বেহুত সোমাই মোৰ নাকনি-কাণনি হৈছে। এই প্ৰকাণ্ড চৌহদৰ ভিতৰত মতা মানুহ হ'লো মই অকলে। ইহঁতে সুবিধা পালেই মোক থুকুচি থাকে।

ভাস্কৰ : আপোনালোকৰ ল'ৰা-ছোৱালী?

চকীদাৰ : [উৎফুল্ল হৈ)] ল'ৰা-ছোৱালী? আছে। থাকোঁতেতো কলেজখনৰ আটাইমখা ছোৱালীয়েই আমাৰ নিজৰ ছোৱালী। তাৰ মাজতে আমাৰো ছোৱালী এজনী আছে।

ভাস্কৰ : ছোৱালী এজনী?

চকীদাৰ : হয়। [বুঢ়ীক] তই চাচোন তাইক। লেমটো জ্বলাই আনোতে তাই ইমান পলম কৰিছে!

বুঢ়ী : ইটো লেম লেতেৰা হৈ আছিল। তাই চাফা কৰিছে চাগৈ। আনিব এতিয়া।

ভাস্কৰ : ছোৱালীজনী মানে,— আপোনালোকৰ ছোৱালী— মানে ডাঙৰ ছোৱালী? আপোনালোকৰ লগতে আছে?

বুঢ়ী : ডাঙৰ বুলিলে ডাঙৰেই হৈছে। ফ'ৰ্থ ইয়েৰত পঢ়িছে। এতিয়ালৈকে আমাৰ লগতে আছে।

বুঢ়ী : এৰা, তাইৰ কথানো কি ক'ম। এনেয়ে অকলে-অকলে ঘৰতে থাকে কাৰণে ইয়াৰে স্কুলত নাম লগাই দিছিলোঁ। চাওঁতে-চাওঁতে তাই পাঠশালা পাছ কৰিলে। তেতিয়া কলেজৰ প্ৰফেছাৰ কেইজনমানে জোৰকৈ তাইক হাইস্কুলত নাম লগাই দিলে। তাতো তাই পট -পটকৈ প্ৰমোছন পাই গ'ল। মেট্ৰিক পাছ কৰাৰ পাছত ঘৰতে কলেজখন কাৰণে পঢ়ি আছে। গভৰ্ণিং ব'ডিয়ে মাছুলখিনি মাফ কৰি দিছে।

চকীদাৰ : তাই মেট্ৰিক আৰু আই. এ. দুইটা পৰীক্ষা ফাৰ্ষ্ট ডিভিজনত পাছ কৰিছে। তাইকে আমি লেম এটা ইয়ালৈ আনিবলৈ কৈ আহিছিলোঁ। জানো কি কৰিছে! [বুঢ়ীক] আহচোন তাইক চাই আহোঁগৈ। ইটো লেম বিচাৰিয়েই পোৱা নাই নেকি?

বুঢ়ী : [ভাস্কৰহঁতক]। আপোনালোক অকণমান বহকচোন। আমি সাউৎকৰে এটা লেম লৈ আহোঁ। পোহৰ হৈ আহিছেই। তেওঁ যিকণ সময় লাগে! [বুঢ়াক] ব'লাচোন। [দুয়ো ওলাই



যায়। তিনিও সেইফালে একেথৰে চাই থাকে। ভাস্কৰ দুখোজমান আগুৱাই যায়। তাৰ পাছত ঘূৰি হঠাতে মনোহৰ বুঢ়াক টান মাতেৰে কয়।]

ভাস্কৰ : তোৰ এই মুখখনৰ কাৰণে কেতিয়াবা আমি মৰি যাম। শেষ মুহূৰ্তত আমাৰ নাও ডুবি যাব।

মনোহৰ : মইতো তেনেকৈ একো কোৱা নাই! আজি দহবছৰে—

ভাস্কৰ : আজি দহবছৰে তোৰ এইকণ জ্ঞান নহ'ল যে মানুহ চিনি নোপোৱাকৈ এযাৰ কথাও মুখৰ পৰা উলিয়াব নালাগে?

মনোহৰ : [ভাস্কৰৰ মুখলৈ চাই, তাৰ পাছত তলমূৰ কৰি] তহঁতৰ জ্ঞান আছে। কাম কৰাৰ বুদ্ধি আছে। তহঁতে কৌশল জান। কিন্তু মোৰ বয়স হৈছে ভাস্কৰ। যিমানেই মই মানুহৰ মাজৰ পৰা আঁতৰ হৈ নাথাকো, উভতি আহিলেই মই মানুহ চিনি পাওঁ।

ভাস্কৰ : তই এইকণ সময়ৰ ভিতৰতে এওঁলোক কেনে ধৰণৰ মানুহ চিনি পাই গ'লি?

মনোহৰ : অন্ততঃ মোৰ বয়সলৈ চাই তহঁতে মোৰ ওপৰত এইকণ ভৰসা কৰা উচিত।

ভাস্কৰ : আৰু এই বুঢ়া-বুঢ়ীহাল? সিহঁতেও যদি এইকণ সময়ৰ ভিতৰতে আমাক চিনি পায়?

মনোহৰ : এইহাল বুঢ়া-বুঢ়ীয়ে আজি দিনটোৰ ভিতৰতে আমাৰ একো অপকাৰ কৰিব নোৱাৰে। আজি ইমান দিন যেনেকৈ চলি আহিছ, আজিও তেনেকৈ চলি যাব পাৰ। কিন্তু সন্দেহ নকৰি, মুখ খুলি কথা ক; এটা দিনৰ কাৰণে সিহঁতক আপোন কৰি ল; তোৰ একো লোকচান নহয়; কিন্তু অকণমান মৰম পাবি।

ভাস্কৰ : লাভ কি? কি লাভ? এনেকুৱা খন্তেকীয়া মৰমক ভয় কৰি চলিব লাগে। যি পোহৰে আমাক বাট দেখুৱাব পাৰে তেনেকুৱা পোহৰ আমাক লাগে। যি পোহৰে খন্তেকৰ কাৰণে জিলিকি উঠি চকু চাঁট মাৰি ধৰে, আমাক বিভ্ৰান্ত কৰে, তেনেকুৱা পোহৰ আমাক নালাগে।

[যিফালে চকীদাৰ-চকীদাৰণী ওলাই গৈছিল, সেইফালৰ পৰা মঞ্চলৈ পোহৰ সোমাই আহিল। লগে লগে কথাবন্ধ কৰি ভাস্কৰে উভতি চালে। মনোহৰ আৰু মৃণালে অবাক দৃষ্টিৰে সেইফালে চাই ৰ'ল। অলপ পাছতে সোমাই আহিল বিজুলী। তাইৰ হাতত এটা উজ্জ্বল পোহৰৰ লেম। দেখিলেই ধৰিব পাৰি, — তাই শোৱাৰ পৰা উঠি লৰা-লৰিকৈ চাক-চিকুণ হৈ, সাধাৰণ সাজ-পাৰ পিন্ধি ওলাই আহিছে। তাই সোমায়েই নিষ্পলক দৃষ্টিৰে পৰ্যায়ক্ৰমে মানুহ তিনিজনৰ মুখলৈ চালে। ভাস্কৰে কিবা এটা ক'ব খুজিছিল, সেই সময়তে মনোহৰে মাত লগালে। ভাস্কৰ উভতিল, মৃণালৰ চকুৰে-চকুৰে পৰিল। মৃণালেও থৰ লাগি বিজুলীলৈ চাই আছিল। সি ধৰা পৰা মানুহৰ নিচিনাকৈ লৰালৰিকৈ অইন ফালে মুখ ঘূৰালে।]

মনোহৰ : তুমি.....? লেমটো তুমিয়েই লৈ অহাৰ কথা আছিল নেকি আইটি? মানে তুমি এওঁলোক চকীদাৰ-চকিদাৰণী বুঢ়া-বুঢীৰ.....?

বিজুলী : হয় মই চকীদাৰ-চকীদাৰণীৰ জীয়েক আৰু নিজেও চকীদাৰণী।

মনোহৰ : চকীদাৰণী? তুমি? হেঁ হেঁ হেঁ ! তুমি মিছা কথা কৈছা। আমি সকলো জানো। তুমি ফাৰ্ষ্ট ডিভিজনত মেট্ৰিক পাছ কৰিছা আৰু ফাৰ্ষ্ট ডিভিজনত আই. এ. পাছ কৰিছা। তুমি ফ'ৰ্থ ইয়েৰত পঢ়া।



বিজুলী : [লেমটো অকণমান বঢ়াই দি] পঢ়িলে কিটো হ'ল? আচলতে মই চকীদাৰণী। এয়া চাওক, আজি দেওবাৰ কাৰণেহে মোৰ কাম নাই; কিন্তু গধূলি হোৱাৰ লগে লগে কাইলৈৰ কাৰণে সকলো ঠিক ঠাক কৰি থব লাগিব। ব'ৰ্ড মচিব লাগিব, ৰাতিপুৱা দুৱাৰ-খিৰিকি খুলিব লাগিব,—

ভাস্কৰ : আৰু কোনো নাই ইয়াত?

বিজুলী : [ভাস্কৰৰ প্ৰথম মাতত থতমত খাই] নাই। আছে, আৰু দুজনী চকীদাৰণী আছে। সিহঁত প্ৰিন্সিপাল অহাৰ আগতে আহে আৰু প্ৰিন্সিপাল যোৱাৰ পাছতে গুচি যায়।

ভাস্কৰ : ৰাতি কোনো নাথাকে?

বিজুলী : থাকে। দাৰোৱান এটা থাকে। মন গ'লে থাকে, মন নগ'লে নাথাকে। আজিয়েই আপোনালোকে দেখিলে নহয়;— সি নাই।

ভাস্কৰ : ক'লৈ যায়?

বিজুলী : সিহঁতৰ সকলোৰে ঘৰ-সংসাৰ আছে; ল'ৰা-তিৰোতা আছে; তালৈ যায়। সিহঁতৰ ওচৰলৈ যায়।

ভাস্কৰ : [এক মুহূৰ্ত ৰয়; তাৰ পাছত নিশাহ এৰি] হুঁ! তাৰ মানে তোমাৰ ঘৰ-সংসাৰ নাই?

[বিজুলীয়ে অবাক হৈ মূৰ তুলি এক মুহূৰ্তৰ কাৰণে চায় তাৰ পাছত "ছি !" বুলি কৈ, হাঁহি-হাঁহি প্ৰফেছাৰৰ মেজৰ ফালে যায়। লেমটো মেজৰ ওপৰত থয়। মনোহৰে হি-হি কৈ হাঁহে।]

মনোহৰ : (হাঁহি) ঘৰ-সংসাৰ নোহোৱা চকীদাৰণীজনীলৈ চোৱা! নহয় নহয় আই, তুমি চকীদাৰণী নোহোৱা। ব'ৰ্ড খন মচা, খিৰিকিখন বন্ধ কৰা, এইবোৰনো কি কাম? এখন ঘৰত থাকিলেওঁতো তুমি তেনেকুৱা ইটো-সিটো কাম কৰিলাহেঁতেন ! আচলতে তুমি পঢ়া ছোৱালী।

ভাস্কৰ : লাভ কি? কি লাভ? এনেকুৱা খন্তেকীয়া মৰমক ভয় কৰি চলিব লাগে। যি পোহৰে আমাক বাট দেখুৱাব পাৰে তেনেকুৱা পোহৰ আমাক লাগে। যি পোহৰে খন্তেকৰ কাৰণে জিলিকি উঠি চকু চাঁট মাৰি ধৰে, আমাক বিভ্ৰান্ত কৰে, তেনেকুৱা পোহৰ আমাক নালাগে।

[ যিফালে চকীদাৰ-চকীদাৰণী ওলাই গৈছিল, সেইফালৰ পৰা মঞ্চলৈ পোহৰ সোমাই আহিল। লগে লগে কথাবন্ধ কৰি ভাস্কৰে উভতি চালে। মনোহৰ আৰু মৃণালে অবাক দৃষ্টিৰে সেইফালে চাই ৰ'ল। অলপ পাছতে সোমাই আহিল বিজুলী। তাইৰ হাতত এটা উজ্জ্বল পোহৰৰ লেম। দেখিলেই ধৰিব পাৰি, — তাই শোৱাৰ পৰা উঠি লৰা-লৰিকৈ চাক-চিকুণ হৈ, সাধাৰণ সাজ-পাৰ পিন্ধি ওলাই আহিছে। তাই সোমায়েই নিষ্পলক দৃষ্টিৰে পৰ্যায়ক্ৰমে মানুহ তিনিজনৰ মুখলৈ চালে। ভাস্কৰে কিবা এটা ক'ব খুজিছিল, সেই সময়তে মনোহৰে মাত লগালে। ভাস্কৰ উভতিল, মৃণালৰ চকু ৰে-চকু ৰে পৰিল। মৃণালেও থৰ লাগি বিজুলীলৈ চাই আছিল। সি ধৰা পৰা মানুহৰ নিচিনাকৈ লৰালৰিকৈ অইন ফালে মুখ ঘূৰালে।]

মনোহৰ : তুমি.....? লেমটো তুমিয়েই লৈ অহাৰ কথা আছিল নেকি আইটি? মানে তুমি এওঁলোক চকীদাৰ-চকিদাৰণী বুঢ়া-বুঢ়ীৰ.....?

বিজুলী : হয় মই চকীদাৰ-চকীদাৰণীৰ জীয়েক আৰু নিজেও চকীদাৰণী।

মনোহৰ : চকীদাৰণী? তুমি? হেঁ হেঁ হেঁ ! তুমি মিছা কথা কৈছা। আমি সকলো জানো। তুমি ফাৰ্ষ্ট ডিভিজনত মেট্ৰিক পাছ কৰিছা আৰু ফাৰ্ষ্ট ডিভিজনত আই. এ. পাছ কৰিছা। তুমি ফ'ৰ্থ ইয়েৰত পঢ়া।



বিজুলী : [লেমটো অকণমান বঢ়াই দি] পঢ়িলে কিটো হ'ল? আচলতে মই চকীদাৰণী। এয়া চাওক, আজি দেওবাৰ কাৰণেহে মোৰ কাম নাই; কিন্তু গধূলি হোৱাৰ লগে লগে কাইলৈৰ কাৰণে সকলো ঠিক ঠাক কৰি থব লাগিব। ব'ৰ্ড মচিব লাগিব, ৰাতিপুৱা দুৱাৰ-খিৰিকি খুলিব লাগিব,—

ভাস্কৰ : আৰু কোনো নাই ইয়াত?

বিজুলী : [ভাস্কৰৰ প্ৰথম মাতত থতমত খাই] নাই। আছে, আৰু দুজনী চকীদাৰণী আছে। সিহঁত প্ৰিন্সিপাল অহাৰ আগতে আহে আৰু প্ৰিন্সিপাল যোৱাৰ পাছতে গুচি যায়।

ভাস্কৰ : ৰাতি কোনো নাথাকে?

বিজুলী : থাকে। দাৰোৱান এটা থাকে। মন গ'লে থাকে, মন নগ'লে নাথাকে। আজিয়েই আপোনালোকে দেখিলে নহয়;— সি নাই।

ভাস্কৰ : ক'লৈ যায়?

বিজুলী : সিহঁতৰ সকলোৰে ঘৰ-সংসাৰ আছে; ল'ৰা-তিৰোতা আছে; তালৈ যায়। সিহঁতৰ ওচৰলৈ যায়।

ভাস্কৰ : [এক মুহূৰ্ত ৰয়; তাৰ পাছত নিশাহ এৰি] হুঁ ! তাৰ মানে তোমাৰ ঘৰ-সংসাৰ নাই?

[বিজুলীয়ে অবাক হৈ মূৰ তুলি এক মুহূৰ্তৰ কাৰণে চায় তাৰ পাছত "ছি !" বুলি কৈ, হাঁহি-হাঁহি প্ৰফেছাৰৰ মেজৰ ফালে যায়। লেমটো মেজৰ ওপৰত থয়। মনোহৰে হি-হি কৈ হাঁহে।]

মনোহৰ : (হাঁহি) ঘৰ-সংসাৰ নোহোৱা চকীদাৰণীজনীলৈ চোৱা !নহয় নহয় আই, তুমি চকীদাৰণী নোহোৱা। ব'ৰ্ডখন মচা, খিৰিকিখন বন্ধ কৰা, এইবোৰনো কি কাম? এখন ঘৰত থাকিলেওঁতো তুমি তেনেকুৱা ইটো-সিটো কাম কৰিলাহেঁতেন ! আচলতে তুমি পঢ়া ছোৱালী।

বিজুলী : আচলতে কথাটো ঠিক ওলোটা। মই ইয়াত আছোঁ কাৰণেহে পঢ়িছোঁ। এনেয়ে থাকিলে ঘৰতো খালী কামকে কৰিলোহেঁতেন।

ভাস্কৰ : কিয়?

বিজুলী : কিয়,— কি বুলি বুজাম? মানে কথাটো এনেকুৱা। এই কলেজখনৰ পৰা বহুত দূৰত লাটচাহাবৰ জীয়েক হৈয়ো ঘৰত কাম কৰি থাকিব পাৰি। কিন্তু কলেজখনৰ ভিতৰত একে বয়সৰ শ শ ছোৱালীৰ মাজত চকীদাৰণীৰ জীয়েক হৈয়ো নপঢ়াকৈ থাকিব নোৱাৰি। বেয়া লাগে।

ভাস্কৰ : [অলপ পৰ বিজুলীৰ মুখলৈ চাই থাকি] তোমাৰ নাম কি?

[দূৰত, বাহিৰত, চকীদাৰৰ মাত]

চকীদাৰ : বিজুলী! —বিজুলী!

[চকীদাৰ সোমাই আহে। পিছে-পিছে চকীদাৰণী]

চকীদাৰ : এ! তই এইখিনি পালিহি? আমি তোক সেইফালে গোটেইখনতে বিচাৰিলোঁ। তই কোনফালেদি আহিলি?

বিজুলী : ডাঙৰ বাইদেউৰ ৰুমৰ আগেদি আহিলোঁ।

চকীদাৰ : এ! আমি আকৌ এই ফালেদি আহিলোঁ।

[ভাস্কৰহঁতৰ মুখলৈ চাই তেওঁ দেখে,—তিনিও একেথৰে বিজুলীৰ মুখলৈ চাই আছে] এইজনীয়েই আমাৰ ছোৱালী।

মনোহৰ : বুজিছোঁ, আমি কথা-বতৰাও পাতিছোঁ। আপোনালোকৰ ছোৱালীয়ে কৈছে, তেওঁ হেনো চকীদাৰণী!

চকীদাৰ : [বিজুলীৰ মুখলৈ চাই আদৰৰ হাঁহিৰে] নহয় বুলিনো কেনেকৈ ক'ব? অকলশৰীয়া মানুহ। আমাৰ বয়স পৰি আহিল। বেছিকৈ কাম-বন কৰিবলৈ হাত-ভৰি নচলা হ'ল। তায়েই চাৰিওফালে জঞ্জাল মাৰিছে। তাতে তাইৰ পঢ়া-শুনাও আছে। ক্লাছৰ পৰা



ওলায়েই ইটো কৰ, সিটো কৰ;— চকীদাৰণী নহয় নো কি? [গম্ভীৰ সুৰেৰে] আচলতে এইবোৰ বৰ দুখৰ কথা বুজিছে? বৰ কষ্টেৰে, বৰ হেঁপাহেৰে ল'ৰা-ছোৱালী তুলিলো; এতিয়া ছোৱালীজনীৰ ওপৰতে ভৰসা কৰি দিন নিয়াব লগাত পৰিছোঁ। এইবোৰ বৰ দুখৰ কথা।

ভাস্কৰ : আপোনালোকৰ আৰু ল'ৰা-ছোৱালী আছিল নেকি?

[চকীদাৰে নিৰুত্তৰ হৈ আনফালে চায়। ভাস্কৰে প্ৰশ্নসুলভ দৃষ্টিৰে বুঢ়ীৰ ফালে চায়।]

বুঢ়ী : হয় আছিল, আমাৰ এটা ল'ৰা আছিল।

ভাস্কৰ : পাছত কি হ'ল?

বুঢ়ী : সি মৰিল।

ভাস্কৰ : কেনেকৈ?

বুঢ়ী : সেই যে বিয়াৰ লগত যোৱা বাছ এখন লুটি খাই গৈছিল? আজি চাৰিবছৰ মানৰ আগতে? এঘাৰজন মানুহ মৰিছিল; খবৰ কাগজত যে ওলাইছিল? আমাৰ ল'ৰাটোও সেইখন বাছতে আছিল।

ভাস্কৰ : কিমান ডাঙৰ হৈছিল ল'ৰাটো?

বুঢ়ী : থকা হ'লে কিমান ডাঙৰ হ'লহেঁতেন? [মৃণাললৈ চাই] এওঁৰ নিচিনাই; তোমাৰ কিমান বয়স হৈছে বোপা?

মৃণাল : [আপোন ভোলা ভাবত, গম্ভীৰ মুখেৰে]— মোৰ? মোৰ কথা সুধিছে? জানো! মই ক'ব নোৱাৰো। মই হিচাপ পাহৰি গ'লো।

ভাস্কৰ : কি হিচাপ পাহৰি গ'লি অ'? [চকীদাৰণীক] ইয়াৰ বয়স সাতাইছ বছৰ হৈছে।

বুঢ়ী : হ'ব, হ'ব; তাৰ বয়সো এতিয়া পঁচিছ বছৰ হ'লহেঁতেন। সি সৰু থাকোঁতে আমি কোৱা এওঁৰ নিচিনাই হ'লহেঁতেন। সি সৰু থাকোঁতে আমি কোৱা মেলা কৰিছিলোঁ, ডাঙৰ হৈ সি প্ৰফেছাৰ হ'ব। প্ৰফেছ নহ'লেও সিতো আমাৰ কলেজৰ কেৰাণী হ' পাৰিলেহেঁতেন!

মনোহৰ : [ডাঙৰকৈ, পাতল সুৰেৰে] নাই নাই নাই! কি হ' পাৰিলেহেঁতেন, সেইবোৰ ভাবি লাভ নাই। মোলৈ চাওকচোন; আজি মই কোলাত নাতি-পোৱালি এটা লৈ, ল ছোৱালীহঁতক সঁচাই-মিছাই চিঞৰ-বাখৰ কৰি, গালি-শপ পাৰি থাকিব পাৰিলোহেঁতেন। আচল কথা হ'ল [বিজুলী চাই হাঁহি-হাঁহি] এইজনী লখিমীহেন ছোৱালী আছে; আ সৌ মৃণালহেন সুন্দৰ ল'ৰা এটা বিচাৰি এখন সংসাৰ প দিয়ক; দি চাই থাকক।

[মৃণালে অবাক হৈ চায়। ভাস্কৰে বিৰক্তিৰে ঘূৰি চা মনোহৰে নিজৰ ৰসিকতাত নিজেই হাঁহে। বিজুলী আঁত যায়। চকীদাৰ-চকীদাৰণীয়ে চোৱা-চুই কৰি হাঁহো-হাঁহো ক তেওঁলোকে মৃণাললৈ চায়।]

চকীদাৰ : সেইটো ভাগ্যৰ হে কথা! পিছে এটা কথা নহয়। আ ইমানপৰে আমাৰ কথাকে কৈ আছোঁ। কিন্তু আপোনালো কথা একো সোধাই নাই। ক'ৰ পৰা আহিছে, কি কথা, বতৰা?

মনোহৰ : [উৎফুল্ল হৈ] অ' আমি? হেঁ হেঁ হেঁ! আমি তিনিওটা মানু আমি—

ভাস্কৰ : [বাধা দি] মই কওঁ শুনক! মোৰ নাম ভাস্কৰ। তাৰ ন মৃণাল। ক'লো নহয়, সাতাইছবছৰ বয়স। ডেকা ল'ৰা। চখ। ক'ৰবাৰ পৰা এখন মামৰে খোৱা আওপুৰণি খুৰ যো কৰিছে। সদায় ডাঢ়ি খুৰাই চিকমিকিয়া হৈ থাকিবলৈ লা



এই বুঢ়াৰ নাম মনোহৰ। কিবা এটা কয় নহয়, মানুহ বুঢ়া হ'লে প্ৰকৃতি লৰে, কুকুৰৰ বুঢ়া হ'লে ফাপৰে ধৰে! সেয়া বুঢ়াক ফাপৰে ধৰিছে।

মনোহৰ : তই বৰ বেছিলৈ গৈছ ভাস্কৰ!

[ভাস্কৰে যেন একো শুনাই নাই তেনেভাৱে ইফাল-সিফাল কৰে।]

বুঢ়ী : আপোনালোক আহিছে ক'ৰ পৰা?

ভাস্কৰ : আমি? আমি যুদ্ধৰ পৰা উভতি আহিছোঁ। যুদ্ধৰ পৰা। যুদ্ধ লগা ক'ব পাৰে নহয়? আকাশেদি যে জাক পাতি উৰাজাহাজ উৰিছিল?— সেই যুদ্ধ।

চকীদাৰ : হয় হয়। আমি ইয়াতে থাকিয়েই গম পাইছিলোঁ। বৰ কষ্টত দিন গৈছিল। যুদ্ধ শেষ হোৱা বুলি শুনিহে আমাৰ ভয়টো কমিছিল।

ভাস্কৰ : নাই, যুদ্ধ শেষ হোৱা নাই। যিবোৰে মানুহক গোলাম কৰিবলৈ গুলীয়া-গুলী কৰিছিল, সিহঁতৰ গুলীৰ বল কমিছে। কিন্তু যিবোৰ দুৰ্ভগীয়া গোলামে মুকলি হ'বলৈ বিচাৰিছে, সিহঁতৰ কাৰণে যুদ্ধ শেষ হ'বলৈ বহুত দিন আছে। [সুৰ সলনি কৰি] অ'! মই ক'ৰবাৰ কথাৰ পৰা ক'ৰবাৰ কথা পালোগৈ। আপুনি কিহৰ কথা কৈছিল? অ' হয়; কষ্ট হোৱাৰ কথা কৈছিল।

চকীদাৰ : হয়; যুদ্ধখনে বৰ কষ্ট দি গ'ল।

ভাস্কৰ : [শান্ত সুৰেৰে] কিন্তু এই কষ্ট, এই যুদ্ধ আমাৰ কাৰণে নাছিল। সেই কাৰণেই আমি যুদ্ধলৈ গৈছিলোঁ। ভাবিছিলোঁ লাগি-ভাগি সহায় কৰি দিওঁ। হয় যদি সোনকালে শেষ হৈ যাওক।

মৃণাল ঃ কিমান ছোৱালীয়ে পঢ়ে এইখন কলেজত?

বিজুলী ঃ ছশজনীমান হ'ব।

মৃণাল ঃ ছশজনী ছোৱালী? আটাইবোৰ তোমাৰ নিচিনা?

বিজুলী ঃ মোৰ নিচিনা মানে?

মৃণাল ঃ মানে, তোমাৰ নিচিনা সুন্দৰ, ধুনীয়া?

বিজুলী ঃ নাই, নাই, মোতকৈ বহুত ভাল। বহুত বেছি ধুনীয়া।

মৃণাল ঃ [মুৰ জোকাৰি] নহয়, মিছা কথা।

বিজুলী ঃ কিয় মিছা কথা? আপুনি কিমান ছোৱালী দেখিছে?

মৃণাল ঃ মই? মই এজনীও দেখা নাই। বহুত দিনৰ আগতে দেখিছিলোঁ যদিও মনত নাই। আৰু তেতিয়া মই চাব পৰা হোৱাও নাছিলোঁ। মই কেৱল মাক দেখিছিলোঁ। এতিয়া মাৰ মুখখন মনত পেলাবলৈকো চেষ্টা কৰিব লাগে। মাৰ এখন ফটো আছিল। এদিন ৰাতি কোনোবা এখন নৈ পাৰ হওঁতে হেৰাল।

বিজুলী ঃ সেইকাৰণে আপুনি নাজানে এইখন কলেজত পঢ়া ছশজনী ছোৱালীৰ প্ৰত্যেকজনী মোতকৈ কিমান বেছি ধুনীয়া। সিহঁতক কিহে ধুনীয়া কৰে জানে? যিটো বাটেদি সিহঁত অহা-যোৱা কৰে, সেই বাটৰ দুয়োকাষে সিহঁতক ধুনীয়া কৰে। বয়সৰ উল্লাসে সিহঁতক ধুনীয়া কৰে। এই বিচিত্ৰ চহৰখনৰ চুক-কোণবোৰৰ পৰা বুটলি অনা টুকুৰা-টুকুৰ তৃপ্তিবোৰে সিহঁতক ধুনীয়া কৰে। [হঠাতে উত্তেজিত হয়] আৰু মোৰ কি হয় জানে? মই যেতিয়া ফাৰ্ষ্ট ইয়েৰত আছিলোঁ তেতিয়া এখন পাটৰ মেখেলাৰ কাৰণে ফ'ৰ্থ ইয়েৰৰ ছোৱালীৰ মুখলৈ চাই থাকিব লাগিছিল। ফ'ৰ্থই যে ৰৰ ছোৱালীয়ে যদি মাৰ হাতত এযোৰ পুৰণা কাপোৰ দি যায়, তেনেহ'লে সেইযোৰ কাপোৰ পিন্ধিবলৈ মই সেইজনী ছোৱালীয়ে কলেজ এৰি যোৱালৈ বাট চাই থাকিব



লাগিছিল। তাই কলেজত থাকোঁতেই পিন্ধিবলৈ লাজ লাগিছিল। আৰু মই যেতিয়া কলেজৰ ফ'ৰ্থ ইয়েৰত পঢ়োঁ, মই কাৰো কাপোৰ পিন্ধিবলৈ বাট চাব নালাগে। কলেজখনৰ প্ৰকাণ্ড ইটাৰ দেৱাল পাৰ হৈ, ছোৱালী কলেজ বুলি লিখি থোৱা সেই প্ৰকাণ্ড ছাইনব'ৰ্ডখনৰ তলেদি সৰকি, মোক কোনেও ধুনীয়া বুলি ক'বলৈ নাহে। আজিলৈকে কোনো অহা নাই। আপুনি বিশ্বাস কৰিবনে? মই ক'ব পৰাত, আপোনালোক আমাৰ প্ৰথম আলহী, আৰু আপোনালোকৰ মুখতেই মই প্ৰথম শুনিলো— মই বোলে ধুনীয়া।

মৃণাল ঃ [অনুতপ্ত আৰু ভয় খোৱাৰ সুৰত] আপুনি বেয়া পালে নেকি?

বিজুলী ঃ নাই, কিয় বেয়া পাম?

ভাস্কৰ ঃ [সুৰ সলাই বিজুলীক] আচলতে সি সৰু ল'ৰা। তাৰ কথা বাদ দিয়া। এটা কথা বিজুলী, আজি দিনটোৰ ভিতৰত ইয়ালৈ কোনো নাহেতো?

বিজুলী ঃ নাহে। আবেলি পৰত সৰু সৰু ল'ৰা-ছোৱালী কিছুমান খেলিবলৈ আহিব। সৌ তাতে সিহঁতে খেলি থাকিব। ইয়ালৈ কোনো নাহে। কিয়?

ভাস্কৰ ঃ নাই, এনেয়ে, দুৰাতিমান টোপনি খতি হৈছে। আজি দিনটো শুই লম বুলি ভাবিছোঁ। তয়ো এতিয়া শুই থকাই ভাল নেকি মৃণাল? [ঠাট্টা কৰি] নে সৌ তাত খেলিবলৈ যাবি?

[ভাস্কৰ মঞ্চৰ সোঁফালে সমুখলৈ আহে।]

মৃণাল ঃ মইতো এতিয়া খেলিবও নাজানো [বিজুলীক] পাৰিম জানো খেলিব?

বিজুলী ঃ [হাঁহি] ইচ্ছা কৰিলে মানুহে জীৱনৰ শেষ মুহূৰ্তলৈকে খেলিব পাৰে। কিন্তু কথা হ'ল, কি খেল আপুনি খেলিব? সৌ তাত থকা ঝুলনাখনত যদি আপুনি ঝুলিবলৈ যায়, তেন্তে

হয়তো শিকলিডাল ছিগি যাব। সেই কাৰণে আপুনি এনেকুৱা এডাল শিকলি বিচাৰি উলিয়াব লাগিব যিডাল সহজে নিছিগে।

মৃণাল : ক'ত পাম তেনেকুৱা শিকলি?

বিজুলী : [স্থিৰ দৃষ্টিৰে মৃণালৰ চকুলৈ চাই থাকি] নাজানে?

[মৃণালে সন্মোহিতৰ দৰে মূৰ জোকাৰে। দুয়ো দুয়োলৈ চাই থাকে। ভাস্কৰ দুয়োৰে মাজৰ ফালে আগবাঢ়ি আহে। বিজুলীয়ে হঠাৎ যেন সাৰ পায়। তাই কথা সলায়।]

বিজুলী : আপুনি তাকো নাজানে? কিন্তু, কিন্তু আপোনাৰ কথাবোৰ মই একো বুজা নাই।

মৃণাল : নুবুজিবলগীয়া মোৰ কথা একো নাই। মই স্কুলত পঢ়িছিলোঁ। কলেজৰ ভিতৰ দেখা নাই। পৃথিৱীৰ বাহিৰ-ভিতৰ একো দেখা নাই। মোৰ মনত আছে— যিদিনা মই ঘৰৰ পৰা ওলাই আহোঁ, তাৰ দুদিনৰ আগতে দেউতাই মোক গধূলিতে টোপনিওৱাৰ কাৰণে পঢ়াৰ মেজত বিচনীৰ নালেৰে মাৰিছিল। মই সৰু আছিলোঁ। তাৰ পাছত ইমান দিনে কেনেকৈ মই ডাঙৰ হ'লো আপোনাক মই ক'ব নোৱাৰোঁ। [আঁৰ চকুৰে ভাস্কৰলৈ চাই] মই হাবিত ডাঙৰ হৈছোঁ, পৰ্বতত ডাঙৰ হৈছোঁ। মই এক অদ্ভুত যুদ্ধৰ মাজত ডাঙৰ হৈছোঁ।

বিজুলী : ঠিক আছে। এতিয়া যুদ্ধ শেষ হ'ল। উভতি আহিল। এতিয়া চাওক, যুদ্ধৰ কটা-কটি, মৰা-মৰি, চিঞৰ-বাখৰৰ বাহিৰেও এখন মৰম কৰিব পৰা শান্ত পৃথিৱী আছে। যুদ্ধৰ উৰাজাহাজৰ বাহিৰেও এই পৃথিৱীৰ আকাশত পখিলাৰ নিচিনা ৰঙীণ উৰিব পৰা বস্তু আছে। আৰু ক'লৈকো যাব নালাগে। এইবাৰ থাকি যাওঁক।

[মৃণালে সন্মোহিতৰ দৰে চাই থাকে। হঠাতে ভাস্কৰৰ তীক্ষ্ণ দৃষ্টি দেখি সি যেন চক খাই উঠে। সি মূৰ ঘূৰায়।]



মৃণাল : নহয় নহয়, যুদ্ধ শেষ হোৱা নাই। অলপ আগতে ভাস্কৰে কোৱা আপোনাৰ নিশ্চয় মনত আছে। আমাৰ কাৰণে যুদ্ধ শেষ হোৱা নাই। মই থাকি নাযাওঁ। আমি শেষলৈকে গৈ থাকিব লাগিব। এই যুদ্ধৰ শেষ দিনটোলৈকে আমি আগবাঢ়ি যাব লাগিব। আমি প্ৰতিজ্ঞাবদ্ধ মানুহ। নাই নালাগে; মোৰ পখিলা চোৱাৰ সময় হোৱা নাই।

[মানুহ অহাৰ শব্দ। চকীদাৰ-চকীদাৰণীয়ে তিনিযোৰ পিৰিচ-পিয়লাত চাহ লৈ থৰক-বৰককৈ সোমাই আহে। বিজুলীয়ে তেওঁলোকৰ হাতৰ পৰা পিৰিচ-পিয়লা লৈ মেজত থোৱাৰ পাছত বিলাই দিয়ে।]

বিজুলী : [ভাস্কৰক] খাওঁক চাহ। [মৃণালক] খাওঁক। [মাকক] ইমান দেৰি কৰিলি কিয় মা?

বুঢ়ী : কাপ-প্লেটবোৰ থাকিল প্ৰফেছাৰ কমনৰুমত। তাৰ পৰা আনি ধুই-পখালি তেহে আনিছোঁ। এয়া গিলাচতে তোলৈকে অকণমান আনিছোঁ। খাৰ যদি খা।

[গিলাছটো লৈ বিজুলী ওলাই যায়]

চকীদাৰ : শুদা-শুদা চাহহে হ'ল। লগতে কিবা এটা দিবলৈকো— [তলমূৰ কৰি ৰৈ যায়]

ভাস্কৰ : ঠিক আছে, এতিয়া শুদা চাহেই হ'ব। পাছত, মানে দোকান-বজাৰ খোলাৰ পাছত অলপ কিবা-কিবি খোৱা বস্তুৰ ব্যৱস্থা হ'লে,— [বুঢ়া-বুঢ়ীয়ে চোৱা-চুই কৰে; ভাস্কৰে বুজি পায়] পা-পইচা কি লাগে আমিয়েই দিম। আপোনালোকে যদি বেয়া নাপায়, আমাক দোকানৰ পৰা আনি দিলেই হ'ব। বৰ ভাগৰ লাগিছে। আজি আৰু ওলাই যাবলৈ মন যোৱা নাই। আৰু ৰন্ধা-বঢ়া কৰিবলৈ দি আপোনালোকক আমনিও নকৰোঁ। আজিৰ সাঁজলৈ আমি কল, সুমথিৰা, এনেকুৱা ফল-মূলহে খাম। ঐ বুঢ়া, চাওঁ, পইচা দে।

মনোহৰ : [টোপোলাটোৰ পৰা পইচা উলিয়াই] হয় দে; চাহটোপা পেটত পৰিলে জুইকুৰা দপ্‌দপাই জ্বলিহে উঠিব। কিবা-কিবি এটাৰ সোনকালে যোগাৰ হ'লেহে ৰক্ষা পাওঁ।

[মনোহৰে চকীদাৰণীৰ হাতত পইচা দিয়ে। বিজুলী সোমাই আহে। তাই দৃশ্যটো দেখি লাজ পায়।]

চকীদাৰণী : বোপাহঁত, তেনেই উদং ঘৰ। যা-যোগাৰ একো নাই বুলিহে হাত পাতি পইচাকেইটা ললো। অসন্তোষ নকৰিবা।

ভাস্কৰ : নাই, নাই, কিহৰ অসন্তোষ? ইমান খিনিযে কৰিছে সেয়ে যথেষ্ট।

চকীদাৰ : আমি আহোঁ বাৰু। আপোনালোকে হাত-মুখ ধোৱাৰ কাৰণে এইপিনে ওলাই আহিলেই হ'ব। [বুঢ়ীক] ব'ল, ব'ল। [দুয়ো যায়]

মনোহৰ : [বিজুলীক] তোমাৰ চাহ খোৱা হ'লেই নেকি?

বিজুলী : [হাঁহি] মোক ইমানকণমান দিছিল।

মনোহৰ : মই আকৌ ঢুকাই বুলি অকণ-অকণকৈ খাই আছোঁ। [বিজুলীয়ে হাঁহে।] মই মিছা কথা কোৱা নাই আই। এনেকুৱা গাখীৰ-চেনি দিয়া, গৃহস্থৰ চৌকাত কৰা চাহ আমি কিমাননো খাবলৈ পাওঁ? এয়াতো শুদা চাহহে ! ইয়াৰ পাছৰখিনিতো আছেই ! বহুত দিনৰ মূৰত আজি চহৰত আকৌ এসাজ খোৱা পৰিব। আই, তুমি অলপ চকু দিবাচোন। দুটামান ভাল চাই পকা—

ভাস্কৰ : এই ৰাক্ষস বুঢ়াটো !

[বিজুলীয়ে লেমটো নুমুৱাই দিয়ে।]

মনোহৰ : তই মনে-মনে থাক অ'! বুইছা আই, বুঢ়া হৈছোঁ নহয়, স্বভাৱটো লুতুৰা হৈছে। আৰু খাইছোনো কিটো? কৰবাত কঠাল এফুটা, কৰবাত বেল এটা, হাবিৰ মাজত বনৰীয়া কৰ্দৈ, ৰবাব টেঙা,—



## দ্বিতীয় দৃশ্য

### (সময় ঃ দুপৰীয়া)

[মঞ্চৰ পোহৰ লাহে লাহে কমি সম্পূৰ্ণ আন্ধাৰ হৈ পৰে। সংগীত। অলপ পাছত লাহে লাহে মঞ্চ আকৌ পোহৰ হৈ আহে। এতিয়া দুপৰীয়া। খিৰিকি খোলা। এটা খৰাহীত এখৰাহী কল, সুমথিৰা আদি ফল লৈ বিজুলী দুৱাৰমুখত থিয় হৈ আছে। তাই গা-পা ধুই নতুন সাজ পিন্ধি আহিছে। তাই দেখিবলৈ ধুনীয়া হৈছে। মনোহৰ এখোজ-দুখোজকৈ বিজুলীৰ ফালে আগবাঢ়ি খৰাহীটোলৈ চায়। ভাস্কৰে এবাৰ খৰাহীটোলৈ এবাৰ বিজুলীলৈ চায়। দূৰৰ পৰা মৃণালে বিজুলীলৈ চাই থাকে। বিজুলীৰ মুখত মোহনীয়া হাঁহি। মনোহৰে এটা সুমথিৰা তুলি লয়।]

ভাস্কৰ ঃ অ'ই বুঢ়া ! অলপ ধৈৰ্য ধৰচোন। তইহে অকলে খাবি নেকি? খকুৱাটো কৰবাৰ !

মনোহৰ ঃ [যেন ভাস্কৰৰ কথা শুনাই নাই] আমি খাইছোঁ কৰবাত কঠাল এফুটা, কৰবাত বেল এটা, হাবিৰ বনৰীয়া কৰ্দৈ, ৰবাব টেঙা ! এনেকুৱা শ্ৰীলক্ষ্মীৰ সাজেৰে আমাক এনেকৈ খোৱাৰ যোগাৰ বহুত দিন কোনেও দিয়া নাই। [ভাস্কৰক অভিমানৰ মাতেৰে] মই খাব খোজা নাই ভাস্কৰ। দহ বছৰ ৰব পাৰিলোঁ যেতিয়া আৰু আধাঘণ্টা ৰব পাৰিম। [সুমথিৰাটো থৈ দিয়ে।]

বিজুলী ঃ এয়া মাজতে থলো; আপোনালোকে ইচ্ছামতে লৈ খাই থাকক। মই তৎক্ষণাৎ পানী লৈ আহোঁগৈ। আৰু এইখিনি থওকচোন। [মনোহৰক পইচা দিয়ে]

মনোহৰ ঃ কি আই?

বিজুলী ঃ আপোনালোকে দিয়া পইচাখিনি।

মনোহৰ ঃ কিয় ওভতাই দিছা? এইবোৰ বস্তু ক'ৰ পৰা আহিল?

বিজুলী : দোকানৰ পৰা আহিল। তাৰ কাৰণে আপোনালোকে পইচা দিব নালাগে। মই কৈছিলোঁ নহয়, মই ক'ব পৰাত আপোনালোকেই আমাৰ ইয়াত প্ৰথম আলহী। আলহীৰ পৰা পইচা লৈ আলহী সুধিব নাপায়। মোৰ হাতত পইচা আছিল। এটা poor scholarship পাওঁ নহয়। তাৰে পইচা গোটাই থৈছোঁ। মাহঁতে নাজানে কাৰণে আপোনালোকৰ পৰা পইচা ললে। বেয়া নাপাব।

মনোহৰ : নহয় নহয় আই !

বিজুলী : নহয় নহয়; ঠিক আছে। মই পানী আনোগে। [গুচি যায়]

মনোহৰ : কিনো ছোৱালী অ' !

ভাস্কৰ : [বেঁকা সুৰত] মৰম কৰি দিছে লৈ থ ! [হঠাতে নেতাৰ সুৰত] এইবোৰ বাদ দে। খোৱাৰ লগে লগে আমি বাকী থকা কামখিনি কৰি লওঁ। মৃণাল, ফাইলকেইটা উলিয়া [মৃণাল উন্মনা হৈ বহি থাকে] মৃণাল ! শুনিছনে নাই? ফাইলকেইটা উলিয়া।

মৃণাল : [উঠি গৈ টোপোলা এটাত হাত দি] আজিৰ দিনটোত ফাইলৰ কাম নকৰিলে নহয় নে?

মনোহৰ : হয় হয়, আজি আৰু সেইবোৰ কাম কৰিবলৈ মন যোৱা নাই। আমি পৰহিলৈ হে পামগৈ? কাইলৈ কৰিম দে। হ'ব নহয়?

ভাস্কৰ : [স্থিৰ দৃষ্টিৰে চাই থাকি] আজিৰ কাম আজিয়েই হ'ব লাগিব। [ৰৈ] এটা কথা বুঢ়া। কাম নকৰিবলৈ পালে ময়ো ভাল পালোহেঁতেন। কিন্তু কাম আমি কৰিবই লাগিব।

[মৃণালে ফাইল উলিয়ায়] যুদ্ধ শেষ হৈছে; যুদ্ধক্ষেত্ৰ এৰি দলে-দলে সৈন্যবোৰ উভতি গৈছে। এইখিনি অত্যন্ত জৰুৰী সময়।



[মৃণালৰ পৰা ফাইল এটা লৈ আহে। ফাইলটো লৈ বেঞ্চত বহে। ফাইল খোলে।] পৰহিলৈ আমি যিকণ সময় পাম, তাৰ প্ৰত্যেকটো মুহূৰ্ত কামত লগাব লাগিব। তাৰ লগত অন্ততঃ বিছটা ৰাইফল আৰু পাঁচটা ৰিভলভাৰৰ প্ৰশ্ন জড়িত হৈ আছে। আমি ইয়াত লখিমীৰ হাতৰ সুমথিৰা খাই থাকিলে জংগলৰ মাজৰ সেই সৰু ষ্টেছনটোত ৰেলখন ৰৈ নাথাকে। আহ, ওচৰ চাপি আহ।

[মৃণাল আৰু মনোহৰ অনিচ্ছাৰে ওচৰ চাপি বহেহি।]

ভাস্কৰ : ল, কাগজ ল। [মনোহৰক] মই কৈ যাওঁ তই লিখি যা।

[মনোহৰে পেনছিল লৈ তলমূৰ কৈ লিখিবলৈ সাজু হয়। হঠাৎ মৃণালে সন্মুখৰ খোলা দুৱাৰখনলৈ চায়। ভাস্কৰেও চায়।]

মনোহৰ : ক।

[উত্তৰ নাপাই তেওঁ মূৰ তুলি চায়। ভাস্কৰ আৰু মৃণালে বাহিৰলৈ চাই আছে। পাছ মুহূৰ্ততে বিজুলী সোমাই আহিল। তাইৰ হাতত পানীৰ গিলাছ।]

বিজুলী : অ ! আপোনালোকে দেখোন খোৱাবস্তু আগত লৈ বহি আছে? কিবা দেখোন কাগজ-পত্ৰহে উলিয়ালে ! মই আহি আমনি কৰিলো নেকি?

ভাস্কৰ : [গম্ভীৰ হৈ] তুমি? নাই নাই, কিহৰ আমনি?

বিজুলী : মোৰ আকৌ গিলাছ বিচাৰোঁতেই এপৰ লাগিল। আমাৰ যিকেইটা গিলাছ, সিহঁতৰ চেহেৰা কি চাব! আলহীৰ আগলৈ উলিয়াবই নোৱাৰি। বাইদেউহঁতে আকৌ ঘৰৰ পৰা লৈ অহা নিজৰ নিজৰ গিলাছ ড্ৰয়াৰত সুমুৱাই তলা মাৰি থৈ যায়। তলা নমৰা ড্ৰয়াৰৰ পৰা দুটা কোনোমতে পাই আনিছোঁ। [মনোহৰক] আপুনি এই ডাঙৰ গিলাছটো লওক।

[ভাস্কৰক] আপুনি ফুল থকাটো লওক। আৰু তুমি [জিভা কামুৰি] আপুনি পিতলৰ গিলাছটোকে লওক সৰু ল'ৰা! [সৰু ছোৱালীৰ নিচিনাকৈ হাঁহে]। বেয়া পালে নেকি? [মৃণালে সম্মোহিতৰ দৰে মূৰ জোকাৰে] বৈ আছে কিয় আপোনালোক? খাওক! আকৌ লওক।

[তিনিটা সুমথিৰা হাতলৈ তুলি লয়। প্ৰথমতে ভাস্কৰক, তাৰ পাছত মনোহৰক আৰু শেষত মৃণালক দিয়ে। হাত পাতি লওঁতে তিনিও বিচিত্ৰ দৃষ্টিৰে বিজুলীৰ মুখলৈ চায়। বিজুলীৰ মুখত উজ্জ্বল হাঁহি।]

বিজুলী : [মনোহৰক] আপোনাক বাকলি গুচাই দিম নেকি? দিয়ক।

মনোহৰ : [ক্লান্ত সুৰেৰে] ইমান সুখ মোৰ সহ্য নহ'ব আই। ইমান সুখ মোৰ কপালত লিখা নাই।

বিজুলী : সহ্য নহ'ব বুলি জানো কথা এটা আছে? মইতো ভাবিছিলোঁ- কলেজৰ চাৰিবেৰৰ মাজত এই জীৱন মোৰ সহ্য নহ'ব। কিন্তু হৈ গৈছে। [হঠাতে মনত পৰাৰ দৰে] অ' কটাৰী এখন লাগিব নহয়? ইস ৰাম! একেবাৰে পাহৰিলো। ৰ'ব! এতিয়াই লৈ আহোঁগৈ।

[প্ৰায় দৌৰি ওলাই যায়। তিনিও সেইফালে অলপ সময় চাই থাকে।]

ভাস্কৰ : [মনোহৰক] লিখ লিখ। পষ্ট নাম্বাৰ টুয়েণ্টি ফ'ৰ,—

মনোহৰ : [বিৰক্তিৰে] থৈ দে অ' এইবিলাক! [উঠি গুচি যায়]

ভাস্কৰ : কিয়? হ'ল কি? [অলপ পৰৰ পাছত সি উঠে। এবাৰ দুৱাৰখনৰ ওচৰলৈ গৈ উভতি আহে।] এইবাৰ ছোৱালীজনী ওলাই গ'লে দুৱাৰখন ভিতৰ ফালৰ পৰা বন্ধ কৰি দিব লাগিব।

[মৃণালে আচৰিত হৈ চায়। সি দূৰৰ চুক এটালৈ যায়।]



মনোহৰ : কিয়?

ভাস্কৰ : তাইক আহিবলৈ মানা কৰি দিব লাগিব।

মনোহৰ : [আৰু জোৰেৰে] কিন্তু কিয়?

ভাস্কৰ : আমাৰ কাম আছে।

মনোহৰ : তই মিছা কথা কৈছ। তই নিজেই ভালকৈ জান, আমাৰ যিখিনি কাম বাকী আছে, সেইখিনি কৰিবলৈ মাত্ৰ আধাঘণ্টা সময় লাগিব।

ভাস্কৰ : এনেকৈ ঢিলাই দিলে সময় এনেকৈ যাব যে শেষত সেই আধাঘণ্টা সময়ো নাথাকিব। মই এইবোৰলৈ বৰ ভয় কৰোঁ। অলপ আগতে তই কৈছিলি,— আমি হাবিৰ বেল খাওঁ, কঠাল খাওঁ। তই ঠিক কৈছ, হাবিৰ বেল, কঠালক মই ভয় নকৰোঁ; কিন্তু,— [সন্মুখৰ সুমথিৰাটোলৈ দেখুৱাই] এইবোৰক, এই সুমথিৰা, এই পকা ৰং, এইবোৰলৈ মই ভয় কৰোঁ। তহঁতেও জান— আমাৰ কাম আছে; কিন্তু আমাৰ সময় নাই।

[ঠিক এই সময়তে উধাতু খাই, উৎফুল্ল হৈ বিজুলী সোমাই আহে। তাইৰ হাতত এখন কটাৰী।]

বিজুলী : [কটাৰীখন দি] লওক—। [ভাস্কৰে মন্ত্ৰমুগ্ধৰ নিচিনাকৈ কটাৰীখন লৈ আঙুলিৰে কটাৰীখনৰ ধাৰ চায় আৰু বিজুলীলৈ চাই থাকে।]

বিজুলী : মই মাহঁতক চাহ কৰিবলৈ দি আহিছোঁ। হ'লেই লৈ আহিম। এই কাপ-প্লেটবোৰো ইয়াতে থাকিল। মূৰটো গৰম হৈ গ'ল যেন পাওঁ। আটাইবোৰ খেলিমেলি হৈ গৈছে।

[পিৰিচ-পিয়লাবোৰ গোটাই তুলি ল'ব খোজোঁতে গাৰ স্কাৰ্ফখনে আমনি কৰে] এ' এইখনে কি আমনি কৰি থাকে অ'!

[স্কাৰ্ফখন মেজত থয়। গাৰ চাদৰখন ঠিক কৰি লওঁতে এক মুহূৰ্ত যেন পলম হয়।] মই আহিম বাৰু। অ ! আহিবা বুলি নকয় দেখোন কোনেও !

[ক'ব খোজা নাছিল যদিও মুখেৰে ওলাই গ'ল] মই কৈছোঁ,

ভাস্কৰ : তুমি আহিবা।

বিজুলী : নক'লেও আমি আহি থাকিম। দুৱাৰ বন্ধ কৰি থলেও কেনি সোমাম, গমকে নাপাব। এইখন সংসাৰৰ আমিহে গৃহস্থ ! [মৃণালক] কি সৰু ল'ৰা, খোৱা নাই দেখোন ?

[হাঁহি হাঁহি ওলাই যায়। বিজুলী নেদেখা হোৱাৰ পাছত তিনিওৰে চকু স্কাৰ্ফখনত পৰে। মৃণাল আৰু ভাস্কৰ দূৰৰ পৰা স্কাৰ্ফখনৰ ফালে আগবাঢ়ে; কিন্তু কাষতে থকা মনোহৰে আলফুলকৈ স্কাৰ্ফখন তুলি লয়। ভাস্কৰে টান মাৰি সেইখন লৈ যায়। মৃণাল থমকি ৰয়। ভাস্কৰে স্কাৰ্ফখন মুখত লগায়; বৰ আগ্ৰহেৰে সেইখনৰ গোন্ধ লয়; তাৰ পাছত আলফুলকৈ গাত মেৰিয়াই লয়। মৃণাল আৰু মনোহৰ হতবাক হৈ চাই থাকে।]

মৃণাল : [খঙেৰে] গাভৰু ছোৱালীৰ কাপোৰ তেনেকৈ গাত ল'বলৈ তোৰ লাজ নালাগে? [অলপ ৰৈ] এতিয়া যদি তাই আহি দেখে, কি হ'ব? [অলপ ৰৈ] থৈ দে।

[ভাস্কৰ নিৰ্বিকাৰ। সি যেন কাপোৰখনৰ উম আৰু স্পৰ্শটো অনুভৱ কৰিছে। তাৰ পাছত]

ভাস্কৰ : আ-হা-হা ! খং কৰিছ কিয় ? লবি দেচোন; তয়ো লবি !

মৃণাল : [খং আৰু অভিমানেৰে] মোৰ কি দৰকাৰ ?

মনোহৰ : [আহত কণ্ঠেৰে] তই মোক কাপোৰখন কিয় চাবলৈ নিদিলি?



ভাস্কৰ : বুঢ়া ! মৰিবৰ দিন গণিবৰ সময় হ'ল। এতিয়াও তোৰ ইমান চখ কিহৰ? ভীমৰতিয়ে ধৰিছে?

মনোহৰ : হয় । মোৰ মৰিবৰ দিন গণিবৰ সময় হৈছে। মই বুঢ়া হৈছোঁ। কিন্তু তই জান, মোৰ এটা সন্তান আছে। তাই যদি কৰবাত বাচি আছে, তেনেহ'লে তাই নিশ্চয় এইজনী ছোৱালীৰ সমান হৈছে; গাভৰু হৈছে। এনেকুৱা অলপ-অলপ জাৰৰ দিনত তায়ো চাগে এতিয়া এনেকুৱা এখন কাপোৰ ল'বলৈ বিচাৰিছে। মোৰ চখ হোৱা নাই ভাস্কৰ। মই কেৱল চালোহেঁতেন,— এনেকুৱা এখন কাপোৰ গাত লৈ মোৰ ছোৱালীজনীয়ে কিমান উম পাব।

ভাস্কৰ : [দৃঢ়তাৰে]— মই তহঁতক সদায় কও, বাৰে-বাৰে কও, সেইবোৰ পুৰণি কথা মুখলৈ নানিবি। তহঁতে বাৰে-বাৰে পাহৰি যাৱ কিয়? [বিৰক্তিৰে স্কাৰ্ফখন থৈ দিয়ে।]

মনোহৰ : [উত্তেজিত হৈ]- কিয় নানিম? মোৰ নিজৰ গাৰ মঙহৰ নিচিনা এজনী ছোৱালী আছে ; তাইৰ কথা মই নাভাবিম? তাইৰ কথা মই নক'ম?

[বিজুলী সোমাই আহে। তাইৰ হাতত দুকাপ চাহ]

বিজুলী : চাহ হৈ গ'ল। এয়া [হঠাৎ তাইৰ মানুহবোৰৰ গম্ভীৰ মুখবোৰ চকুত পৰিল] কি? কি হ'ল আপোনালোকৰ?

মনোহৰ : চোৱা আই, মোৰ এজনী ছোৱালী আছে। তাই পাঠশালা পাছ কৰিছিল। মই তাইক হাইস্কুলত নাম লগাই দিছিলোঁ। যদি তাইৰ মাকে তাইক কিবা উপায় কৰি পঢ়াইছে, তেন্তে তাই নিশ্চয় এতিয়া তোমাৰ দৰে ফ'ৰ্থ ইয়েৰত পঢ়িছে। তাই নিশ্চয় তোমাৰ নিচিনা লক্ষ্মী ছোৱালী হৈছে।

বিজুলী : ক'ত আছে তেওঁ?

মনোহৰ : আজি দহ বছৰে মই তাইক দেখা নাই। মাত্র এবাৰ এটা খবৰ পাইছিলো; মই অহাৰ ছবছৰৰ পাছত তাইৰ মাক ঢুকাল। সঁচানে মিছা ক'ব নোৱাৰো। আৰু ই,— [ভাস্কৰক দেখুৱাই] ই মোক কয়,— ছোৱালীজনীও ঢুকাল। মই বিশ্বাস নকৰোঁ। লাহে লাহে তাইৰ মুখখনো মই পাহৰি গৈছোঁ।

বিজুলী : ঢুকাল?

ভাস্কৰ : ঢুকাল।

মনোহৰ : মিছা কথা। মই তাইৰ কথা ভাবিব নালাগে? মোক মোৰ নিজৰ সন্তানৰ কথা ক'বলৈ মানা কৰিব পায়?

বিজুলী : [মূৰ জোকাৰি, আচৰিত হৈ] নাপায়। কোনে আপোনাক মানা কৰিছে?

ভাস্কৰ : তাৰ কথালৈ কাণ নিদিবা বিজুলী।

বিজুলী : কিন্তু— মই আপোনালোকৰ কথাবোৰ একো বুজা নাই।

ভাস্কৰ : তুমি,— তুমি একো বুজিব নালাগে।

মনোহৰ : [নিজকে কোৱাৰ দৰে] নহয়, নহয়। তাইৰ মুখখন মই পাহৰা নাই। বগা মুখখন,— স্কুলৰ পৰা আহোঁতে ঘামি ৰঙা পৰি আহে। পূৰঠ গাল দুখনেৰে, গোল মুখখনৰ ডাঙৰ ডাঙৰ চকু দুটাই তিৰবিৰাই থাকে। কপালত [নিজৰ কপালত দেখুৱাই] এই খিনিতে এটা ক'লা দাগ আছে। তিল নে তুলসী জানো! ফোঁট নল'লেও ফোঁট লোৱা যেন দেখি। মাকে কৈছিল,— ডাঙৰ হ'লে দাগটো যদি সিমানটো হৈয়েই থাকে, তেনেহ'লে দেখিবলৈ বৰ ধুনীয়া হ'ব।

বিজুলী : আপোনাৰ ছোৱালীজনীৰ নাম কি?

মনোহৰ : আমি তাইৰ নাম মালিনী দিছিলোঁ। স্কুলতো তাইৰ নাম মালিনী।



বিজুলী : [উত্তেজিত হৈ] মালিনী? মালিনী কি?

মনোহৰ : চৌধুৰী, চৌধুৰী,— মালিনী চৌধুৰী।

বিজুলী : মালিনী চৌধুৰী? [প্রায় চিঞৰি] কপালৰ ঠিক এইখিনিতে এটা সৰু ক'লা ফুটৰ নিচিনা দাগ আছে?

মনোহৰ : হয় হয়, সেইজনীয়েই মোৰ ছোৱালী। তুমি তাইক দেখিছা?

বিজুলী : মই তাইক চিনি পাওঁ। এইখন কলেজতে, মোৰ লগতে পঢ়ে।

মনোহৰ : কি?

বিজুলী : ফিল'ছফিত অনাৰ্ছ আছে। তাই এইটো কোঠালিতে ক্লাছ কৰে।

মনোহৰ : [আৰু বেছি উত্তেজিত হৈ] কি?

বিজুলী : এইখিনিতে, সদায় ছেকেণ্ড বেঞ্চত বহে।

মনোহৰ : সঁচা, সঁচা আই? ভাস্কৰ! তই মোক ফাকি দিছিলি? তুমি মোৰ লগত ধেমালি কৰা নাইতো আই? সঁচা কথা কোৱা আই! এই বয়সত মোৰ এনেকুৱা ধেমালি সহ্য নহ'ব। তাই ইয়াতে পঢ়ে? তাই কলেজলৈ আহি থাকে? কালি আহিছিল? কাইলৈ আহিব?

বিজুলী : আহিছিল, কাইলৈও নিশ্চয় আহিব। হয়, হয়, তাই হ'বই লাগিব। আমি জানো তাইৰ দেউতাক নিৰুদ্দেশ হৈছিল। মাক নাই। কিন্তু—[চকীদাৰ-চকীদাৰণী সোমাই আহে]

চকীদাৰ : এইৰ হাতত আপোনালোকক গতাই দি আমি আৰু খবৰ ল'বলৈ অহাই নাই। খোৱা-বোৱা কৰিলেনে আপোনালোকে?

বিজুলী : দেউতা, ফ'ৰ্থ ইয়েৰৰ যে মালিনী চৌধুৰী? তই চিনি পাৰ মা? মোৰ লগত যে ফিল'ছফিৰ অনাৰ্ছ আছে? তেওঁ এখেতৰে ছোৱালী।

চকীদাৰ : কি?

চকীদাৰণী : এখেতৰ ছোৱালী?

বিজুলী : আজি দহ বছৰ এখেতে তাইক দেখা নাই। একো খবৰো পোৱা নাই। কিন্তু আমি জানিছিলোঁ, তেওঁৰ দেউতাকে চৰকাৰৰ বিৰুদ্ধে কিবা কাম কৰি পলাই গৈছে। আৰু আপুনি কৈছে— আপোনালোক যুদ্ধৰ পৰা আহিছে?

মনোহৰ : সেইবোৰ বহুত কথা আই। যি যুদ্ধই মানুহক বচাব পাৰে, আমি গোটেই জীৱন দি সেই যুদ্ধ কৰিছোঁ। মই চৰকাৰৰ শত্ৰু হ'ব পাৰোঁ, কিন্তু মালিনী মোৰ ছোৱালী। মই তাইক এবাৰ চাম। তুমি তাইক দেখুৱাই দিব পাৰিবা? ক'ত থাকে তাই?

বিজুলী : বেছি দূৰ নহয়। ওচৰতে থাকে। আধা মাইলো নহয় ইয়াৰ পৰা। [মাক-দেউতাকৰ ফালে চায়] পাৰ্কখনৰ সিফালে যে সন্মুখত ফুলনিৰে সৈতে সৰু নতুন ঘৰ এটা আছে, তাতে থাকে। মই আপোনাক লৈ যাব পাৰিম। ব'লক।

মনোহৰ : [অসহায়ভাৱে ভাস্কৰ আৰু মৃণাললৈ চায়] কিন্তু মইতো যাব নোৱাৰিম আই।

বিজুলী : কিয়?

মনোহৰ : কিয়, মই তোমাক ক'ব নোৱৰিম। নাই, নাই, মই যাব নোৱাৰোঁ। শুনাচোন আই, তুমি তাইক এবাৰ মাতি আনিব নোৱাৰানে?

বিজুলী : পাৰিম। কিয় নোৱাৰিম? মই এতিয়াই তাইক মাতি লৈ আহিম গৈ।

ভাস্কৰ : [অস্বাভাৱিক গম্ভীৰ মাতেৰে] নালাগে বিজুলী।

[বিজুলীয়ে অবাক হৈ চায়]



মনোহৰ : কিয়, কিয় ভাস্কৰ?

ভাস্কৰ : মই কৈছোঁ। নালাগে।

মনোহৰ : কিন্তু কিয়? নহয়, নহয় ভাস্কৰ, মোক তাইক এবাৰ চাবলৈ দে। তাইৰ লগত এবাৰ কথা পাতিবলৈ দে।

ভাস্কৰ : নালাগে।

বিজুলী : কিয়? এইটোতো অতি আচৰিত কথা!

[চকীদাৰ-চকীদাৰণীয়ে অবাক হৈ মুখ চোৱা-চুই কৰে। ভাস্কৰে পৰ্যায়ক্ৰমে সকলোলৈকে চায়, তাৰ পাছত উত্তেজিত সুৰেৰে আৰম্ভ কৰে।]

ভাস্কৰ : শুনা বিজুলী; যিখন যুদ্ধৰ কাৰণে আকাশত দিনে-নিশাই উৰাজাহাজ উৰিছিল, আমি সেইখন যুদ্ধৰ পৰা উভতি অহা সৈন্য নহওঁ। আমি এনেকুৱা এখন যুদ্ধৰ সৈনিক, যিখন যুদ্ধ এই মহাযুদ্ধৰ আঁৰে-আঁৰে গোটেই দেশত বিয়পাই দিয়াৰ ব্যৱস্থা হৈছে। আৰু ইতিমধ্যে বিয়পি গৈছেও। এই যুদ্ধ দেশৰ মুক্তিৰ কাৰণে; দেশৰ শান্তিৰ কাৰণে। এদল মানুহে আমাক এটা নাম দিছে;—সন্ত্ৰাসবাদী। আমি আপত্তি কৰা নাই। যুগমীয়া শান্তি অহাৰ আগমুহূৰ্তত যদি সন্ত্ৰাসৰ সৃষ্টি হয়, তেন্তে সেই সন্ত্ৰাসৰ কলংক মূৰ পাতি ল'বলৈ আমি সন্মত হৈ আছোঁ। এই তিনিজন মানুহ, এই তিনিজন মানুহ আজি দহ বছৰে পাহাৰ-পৰ্বত, হাবি-জংগলৰ মাজে মাজে অবৰ্ণনীয় কষ্টৰ মাজেৰে ঘূৰি ফুৰিছোঁ। আমি সকলো এৰিছোঁ। সন্মুখত ৰাখিছোঁ কেৱল এটা উদ্দেশ্য। কেৱল এটা।

মনোহৰ : সেই একে উদ্দেশ্যকে লৈ মই আকৌ যাম। মই প্ৰতিজ্ঞা কৰি কৈছোঁ, মই আকৌ গুচি যাম; কেৱল আজি মোক মোৰ ছোৱালীজনীক চাবলৈ দে।

ভাস্কৰ : কিন্তু তই মনত ৰাখিবি,— ইয়াৰ আগতে তই বহুবাৰ প্ৰতিজ্ঞা কৰিছ। তই যিখন সংসাৰ এৰি থৈ আহিছ, সেইখন সংসাৰলৈ উভতি যাবি তেতিয়া, যেতিয়া তোৰ কাম শেষ হ'ব। তই এতিয়া ইমান দূৰ আগুৱাই আহিলি যে এতিয়া উভতি গ'লে তই বাট হেৰুৱাবি। উভতি গৈ তই একো নাপাব। শুনা বিজুলী, এই তিনিজন মানুহৰ এজনক তুমি চহৰৰ বাটলৈ উলিয়াই দি চোৱা, সি আৰু উভতি নাহে। এইখন চহৰত বুঢ়াৰ এজনী জীয়েক আছে, কিন্তু তাইৰ বাহিৰে বাটে-বাটে বুঢ়াক আদৰিবলৈ ইমান মানুহ ৰৈ আছে, যি বুঢ়াক চিনি পোৱাৰ লগে লগে চৰকাৰৰ প ৰ । কেইশমান টকা পাব। আৰু নিজৰ জীয়েকেই বা তাক চিনি পায়নে নাপায় সেইটো তাৰ কপালে জানে। কিন্তু তাৰ আগতে তাক চৰকাৰৰ কুটুমে চিনি পাব।

মনোহৰ : মই ওলাই নাযাও ভাস্কৰ; আইটিয়ে কৈছে নহয়, তেওঁ নিজেই গৈ মালিনীক লৈ আহিব !

বিজুলী : মই একো বুজিব পৰা নাই। কিয় আপোনালোকে এনেকুৱা ৰাস্তা এটা বাছি ললে? [ভাস্কৰৰ ফালে ঘূৰি] শুনক, আপোনালোকৰ উদ্দেশ্য আপোনালোকেই বুজিব। কিন্তু মই তেখেতৰ ছোৱালীজনীক ইয়ালৈ মাতি আনিব পাৰিম। কোনেও নেদেখে, কোনেও নাজানে। ইয়াত আৰু আপত্তিৰ কথা কি থাকিব পাৰে মইতো বুজা নাই !

বুঢ়ী : বিজুলী, এইবোৰ ভয়ৰ কথা হৈছে। কেনেকৈ ক'ত কি হয় ঠিক নাই। কিবা বিপদ-আপদ হ'ব লাগিলে—

বিজুলী : তই একো নাভাবিবি মা।

চকীদাৰ : চাবি আই, কলেজৰ কথা। তাতে আমাৰ বুঢ়া বয়সৰ চাকৰিৰ কথা।



বিজুলী : ইয়াত বিপদৰ কথা একো নাই দেউতা। তেখেতৰ মোৰ নিচিনা এজনী ছোৱালী আছে। ইয়াৰ পৰা মাত্ৰ আধামাইল দূৰতে আছে। আজি দহবছৰৰ মূৰত তেখেত উভতি আহিছে। ছোৱালীজনী তেখেতে নাচাবনে?

চকীদাৰ : কিয় নাচাব ! চাব। নিশ্চয় চাব। নিজৰ পেটৰ পোৱালি। নাই নাই, নাই, এনেকুৱা কথা হ'ব নোৱাৰে। তই যদি কৰ, মই নিজে গৈ তাইক মাতি আনোগৈ। মইতো ঘৰটোৰ কথা বুজিছোঁৱেই। পুলিচৰ ডি. এছ. পি. অৰবিন্দ দাসৰ ঘৰ নহয় জানো?

বিজুলী : হয়।

ভাস্কৰ : কাৰ ঘৰ?

মনোহৰ : অৰবিন্দ দাসৰ ঘৰ।

বিজুলী : ডি. এছ. পি. অৰবিন্দ দাস মালিনীৰ মোমায়েক। মাক ঢুকুৱাৰ পাছৰ পৰা তাই মোমায়েকৰ লগতে থাকি পঢ়া-শুনা কৰিছে।

ভাস্কৰ : এতিয়া? যা,— ডেপুটি ছুপাৰিণ্টেণ্ডেণ্ট অৰ পুলিচ অৰবিন্দ দাসৰ ঘৰত তোৰ জীয়েৰ মালিনী চৌধুৰীক চাই আহগৈ। জীয়েৰক চাবি, বুকুত সুমুৱাই লৈ মৰম কৰি কান্দিবি, আৰু অৰবিন্দ দাসক কৈ আহিবি,— ছোৱালী-কলেজৰ সৰু কোঠালি এটাত ভাস্কৰ আৰু মৃণাল আছে। কৈ আহিবি, গোটেই দেশজুৰি সিহঁতৰ এনেকুৱা এটা দ'ল আছে। [মৃণালক] দে, তাক ফাইলবিলাক দি দে।

মনোহৰ : [আকুল কণ্ঠেৰে] ভাস্কৰ ! [বহি পৰে]

বিজুলী : কিন্তু মালিনী মোৰ লগৰ ছোৱালী ! তাইক মই মাতি পঠিয়াইছোঁ বুলি কম। আপোনালোকৰ কথা কোনেও গম নাপায়।

মনোহৰ : মৃণাল, আহ। বস্তুবোৰ ল। [সকলোৱে চায়] পলম নকৰিবি। ব'ল, সময় নাই। আই, তাইক, মালিনীক মোৰ কথা একো নক'বা। মই আকৌ আহিম। ইয়াতকৈ বহুত ভালকৈ আহিম। কাইলৈ তুমি তাইক মৰম কৰিবা। মই আশীৰ্বাদ কৰি গ'লো,— তাইক ঈশ্বৰে ভালে ৰাখক। [অলপ দূৰ গৈ, উভতি আহি] আৰু তোমাকো মই আশীৰ্বাদ কৰিলোঁ। সুখে থাকা।

[মনোহৰ ৰাতিপুৱা যিফালে সোমাইছিল তাৰ বিপৰীত ফালে ওলাই যায়। সেইফালে পলাই যাব পৰা দুৱাৰখন আছে। মৃণালে একেথৰে বিজুলীলৈ চাই থাকে।]

বিজুলী : [বেজাৰৰ হাঁহিৰে] যোৱা, পলম হ'ব নহয়! যোৱা সৰু ল'ৰা। আকৌ আহিবা নহয়?

[মৃণাল গুচি যায়। ভাস্কৰে কিছু সময় বিজুলীলৈ চাই থাকে। তাৰ পাছত কয়]

ভাস্কৰ : যাওঁ বিজুলী। তুমি ৰঙীন পখিলাৰ কথা কৈছিলা নহয়? এনেকৈয়ে আমাৰ জীৱনৰ ৰঙীন পখিলা পলাই যায়। মই জানো, তোমালোকে মোক নুবুজিলা। তোমালোকে বুজিলা, মই কেৱল ৰাইফলৰ লগত লেনদেন কৰোঁ। কিন্তু তোমালোকে কোনেও নুবুজিলা, [বিজুলীৰ হাত এখনত ধৰি]— এনেকুৱা এখন কোমল হাতে মোক দিনে-নিশাই হাত বাউল দি মাতি থাকে। অথচ কোনো দিনাই মই সেই হাতৰ সঁহাৰি দিব পৰা নাই। মই দুৰ্বল, মই কাপুৰুষ। তোমালোকে এই কলেজৰ চাৰিসীমাৰ ইটাৰ দেৱালৰ নিচিনা মোৰ বাহিৰখন দেখিলা। কিন্তু তোমালোকে দেখা নাই,— সেই দেৱালৰ ভিতৰত তোমাৰ নিচিনা এখন কোমল অন্তৰে অকণমান মমতা বিচাৰি হাঁহাকাৰ কৰি থাকে। যাওঁ বিজুলী। আমি আকৌ আহিম। তোমালোক গৃহস্থ মানুহ। তোমালোকৰ ওচৰলৈ আমি এদিন আহিবই লাগিব।



[ভাস্কৰ গুচি যায়। বিজুলীয়ে সেইফালে অলপ সময় চাই থাকে। তাৰ পাছত তাই বেঞ্চ এখনত বহে। মঞ্চৰ পোহৰ কমি আহে। অলপ পাছত লেম এটা লৈ চকীদাৰণী আহে।]

চকীদাৰণী : এওঁলোক গ'ল হ'বলা?

বিজুলী : [সৰু মাতেৰে] গ'ল।

চকীদাৰ : [অলপ পৰ চাই থাকি, লেমটো মেজত থৈ] এইবিলাক যি হ'ল হ'ল; এতিয়া কাইলৈৰ কাৰণে এইবোৰ ঠিক কৰিব লাগিছিল নহয়?

বিজুলী : মই কৰিম। তই যা।

[চকীদাৰণী যায়। অলপ পাছত বিজুলীয়ে উঠি ড্ৰয়াৰৰ পৰা কাপোৰ এখন উলিয়াই ব'ৰ্ডখন মচিবলৈ ধৰে। লাহে-লাহে মঞ্চ আন্ধাৰ হৈ আহে। কেৱল লেমটোৰ পোহৰ থাকে। লাহে-লাহে আঁৰ কাপোৰে মঞ্চ আঁৰ কৰে।]

-সমাপ্ত-

# এজাক জোনাকীৰ জিলমিল